ষষ্ঠ সংখ্যা ঃ ৮ মাৰ্চ, ২০২১

# ঈক্ষা
## Eeksha

মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ

তিনিচুকীয়া মহাবিদ্যালয়




TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

"Women in leadership : Achieving an equal future in a Covid-19 world."

সম্পাদকদ্বয়

মণিকা দাস

ড° ৰশ্মি দত্ত

# সম্পাদনা সমিতি



মণিকা দেৱী
উপদেষ্টা



ড° ৰূপালী গগৈ
উপদেষ্টা



ড° দীপিকা ভট্টাচাৰ্য
উপদেষ্টা



ময়ূৰী শৰ্মা বৰুৱা
উপদেষ্টা



মণিকা দাস
সম্পাদক



ড° ৰশ্মি দত্ত
সম্পাদক



ৰশ্মিতা বৰকটকী
সদস্য



ড° সংঘমিত্ৰা শৰ্মা
সদস্য

# ঈক্ষা
## *Eeksha*

ষষ্ঠ সংখ্যা ঃ ৮ মাৰ্চ, ২০২১

## মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ
### তিনিচুকীয়া মহাবিদ্যালয়

**"Women in leadership : Achieving an equal future in a Covid-19 world."**

প্ৰতি,

.................................................................................

.................................................................................

সম্পাদকদ্বয় ঃ
মণিকা দাস
ড° ৰশ্মি দত্ত

'ঈক্ষা', ষষ্ঠ সংখ্যা, ২০২১, তিনিচুকীয়া মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰূপন কোষ IQACৰ আংশিক অৰ্থসাহায্যত 'মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ'ৰ দ্বাৰা প্ৰকাশিত দ্বি-ভাষিক আলোচনী।

---

পৃষ্ঠপোষক ঃ ড° সূৰ্য্য চুতীয়া
অধ্যক্ষ, তিনিচুকীয়া মহাবিদ্যালয়

প্ৰকাশক ঃ মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ, তিনিচুকীয়া মহাবিদ্যালয়

উপদেষ্টা ঃ মণিকা দেৱী
ড° ৰূপালী গগৈ
সমন্বয়ক, মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ
ড° দীপিকা ভট্টাচাৰ্য্য
ময়ূৰী শৰ্মা বৰুৱা

সম্পাদক ঃ মণিকা দাস
ড° ৰশ্মি দত্ত

সদস্য ঃ ৰশ্মিতা বৰকটকী
ড° সংঘমিত্ৰা শৰ্মা

আৰ্হি পাঠক ঃ ময়ূৰী শৰ্মা বৰুৱা

বেটুপাত ঃ বাগ্মিতা দাস

মূল্য ঃ ৫০.০০ টকা

মুদ্ৰণ ঃ অসম এণ্টাৰপ্ৰাইজেজ
কলেজ পথ, পৰ্বতীয়া
তিনিচুকীয়া

(প্ৰবন্ধসমূহত প্ৰকাশিত মন্তব্যৰ বাবে সম্পাদনা সমিতি জগৰীয়া নহয়।)

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM



# উৰ্চগা

মহাবিদ্যালয় পৰিয়ালৰ পৰা চিৰদিনৰ বাবে আঁতৰি যোৱা প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক জয়া ভৰালী হাজৰিকা বাইদেউৰ পৱিত্ৰ স্মৃতিত মহিলা অধ্যয়ন আৰু উন্নয়ন কোষৰ বাৰ্ষিক আলোচনীৰ এই সংখ্যাটি উচৰ্গা কৰা হ'ল।

— সম্পাদনা সমিতি

# শ্ৰদ্ধাঞ্জলি



## প্ৰয়াত জয়া ভৰালী হাজৰিকা

এগৰাকী উদ্যমী, মৰমীয়াল সহকৰ্মী হিচাপে আৰু ঘৰুৱাভাৱে বাইদেউৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। বিভাগীয় মুৰব্বী হিচাপে দেখা পাইছিলো কৰ্ম দক্ষতাৰ লগতে অনুশাসনীয় যোগ্যতা। সৰল আৰু সাৱলীলভাৱে অতি কঠিন কথাও বুজাই দিব পাৰিছিল বাইদেউয়ে, এই কথাটো প্ৰত্যক্ষ ছাত্ৰী হিচাপে হৃদয়ংগম কৰিছিলোঁ। বাইদেউক আমি শ্ৰদ্ধা কৰাৰ লগতে সমীহো কৰি চলিছিলোঁ। মহাবিদ্যালয়ৰ সকলো কথাতে আগভাগ লোৱাৰ লগতে গঠনমূলক পৰামৰ্শ আগবঢ়াই দি তেখেতে জ্যেষ্ঠতাৰ নিদৰ্শন দাঙি ধৰিছিল । গছ, লতা, ফুলৰ প্ৰতি বাইদেউ আছিল খুব আকৃষ্ট। বাইদেউৰ ব্যক্তিত্বত মাতৃসুলভ ৰূপ ফুটি উঠিছিল। তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

শ্ৰদ্ধাৰে সুঁৱৰিছোঁ —

**জয়লক্ষ্মী দত্ত**
সহকাৰী অধ্যাপিকা, প্ৰাণীবিজ্ঞান বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM

OFFICE OF THE PRINCIPAL
TINSUKIA COLLEGE
TINSUKIA - 786 125 (ASSAM)
Established : 1956
Website : www.tinsukiacollege.edu.in
www.eduleo.online
E-mail : principaltinsukiacollege@rediffmail.com
☎ : 0374 - 2338340
☎ : [illegible]

Ref. No. T/C..............................  Date 03/03/2021



It gives me immense pleasure to know that the next issue of 'Eclsha'- the annual magazine published by the Cell for Women Studies and Development (CWSD), Tinsukia College is being prepared and will be published to commemorate the occasion of International Women's Day 2021. Since its inception the CWSD has been organizing various programmes and workshops for bringing awareness and empower the womenfolk in the society. The cell also plays an important role in voicing opinions on important matters that affect the daily life of female students and teachers in the college. I think it is a good platform, where girls' students can comfortably participate and share their views.

I hope that with the sincere effort of the editorial board and other members of the Cell, the issue of the magazine will be able to reflect the glorious image of the Cell as well as the college. I appreciate the endeavors and extend my warm greetings and best wishes for better future of the Women's Cell.

With thanks-

(Dr. Surjya Chutia)
Principal
Tinsukia College

# সমন্বয়কৰ মেজৰ পৰা

এটা জাতিৰ সংস্কৃতিয়ে জাতিটোৰ মান নিৰূপণ কৰে। কথন-মথন, আচাৰ-অনুচাৰ, ব্যৱহাৰ-পাতিবোৰো এই সংস্কৃতিৰেই একোটা অংশ। সংস্কৃতি স্থবিৰ নহয়, পৰিৱৰ্তনশীল। তথাপি কুৰি শতিকাৰ শেষৰ ফালৰ পৰা একৈশ শতিকাৰ বৰ্তমানলৈকে সংস্কৃতিৰ যিখিনি পৰিৱৰ্তন দেখা গৈছে— সেইখিনিৰে আমাৰ জাতিটো কোন দিশে আগবাঢ়িছে?

ডাঙৰৰ লগত সমানে সমানে বহি ডাঙৰৰ কথাৰ ভাগ লোৱা, আনক সমালোচনা কৰা আদি কথাবোৰ শিষ্টাচাৰ বিৰুদ্ধ আছিল। কোনোবা অচিনাকি মানুহে যদি কাৰোবাৰ ঘৰৰ ঠিকনা সোধে, তেন্তে পৰাপক্ষত সেই ঘৰটো দেখুৱাই থৈ আহিবলৈ ডাঙৰে সৰুক শিকাইছিল। কিন্তু এতিয়া কাৰোবাক এনে সহায় কৰিবলৈ লোৱাটো প্ৰায় মূৰ্খামি। সাম্প্ৰতিক কালত এই শিক্ষাই শিশুসকলক বিপদত পেলোৱাৰহে শংকা থাকে।

লাহে লাহে যেন উঠি অহা প্ৰজন্মটোৰ লগত আমাৰ মতৰ বহু প্ৰভেদ হ'বলৈ ধৰিছে। বহুক্ষেত্ৰত উঠি অহা প্ৰজন্মটো কিছু আত্মকেন্দ্ৰিক হৈ উঠিছে। অৱশ্যে কিছুমান বাহ্যিক কাৰকৰ বাবে আত্মকেন্দ্ৰিক হ'বলৈ বাধ্য হৈছে। ঘৰলৈ অহা অভ্যাগতক মাত এষাৰ লগাবলৈও আজিকালি আমাৰ সন্তানসকল ওলাই নহা হ'ল।

কাৰোবাৰ প্ৰতিকৃতি দাহ, শ্মশান যাত্ৰা আদি সাম্প্ৰতিক কালত প্ৰতিবাদৰ বৰ সহজ ৰূপ হৈ পৰিল। প্ৰতিবাদ হিচাপে যদি জুমুঠি এটাতে ব্যক্তিজনৰ নাম লিখি জ্বলাই সেই ব্যক্তিজনৰ প্ৰতিকৃতি দাহ কৰা বুলি ধৰি লওঁ, তেন্তে জন্মদিনৰ কেক এটাত Happy birthday... বুলি ব্যক্তিগৰাকীৰ নামটো লিখি কাটি খাই পেলোৱাটোও ব্যক্তিগৰাকীক অপমান কৰাৰ নিচিনাহে বোধ হয়, অথচ এতিয়া ই আমাৰ সংস্কৃতিত সোমাই পৰিছে।

মুঠতে এতিয়া নীতি শিক্ষা দিয়াটোৱেই সকলোতকৈ কঠিন কাম হৈ পৰিছে।

শেষত বিভিন্ন প্ৰকাৰে আমাক সহায়ৰ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু 'আভ্যন্তৰীণ মান নিৰূপন কোষ'ৰ সদস্যসকললৈ তিনিচুকীয়া মহাবিদ্যালয়ৰ 'মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ'ৰ সমন্বয়ক হিচাপে সকলো সদস্য-সদস্যাৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শেষত 'ঈক্ষা'ৰ পূৰ্ণতাপ্ৰাপ্তিৰে দীৰ্ঘায়ু কামনা কৰিলোঁ।

**ড° ৰূপালী গগৈ**
**সমন্বয়ক**
মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ
তিনিচুকীয়া মহাবিদ্যালয়

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# সম্পাদকীয়

"এটা শিশু, এগৰাকী শিক্ষক, এটা কলম আৰু এখন কিতাপে পৃথিৱী সলনি কৰিব পাৰে।" — (২০১৪ চনত যুটীয়াভাৱে শান্তিৰ ন'বেল বঁটা লাভ কৰা সোতৰ বছৰীয়া মালালাৰ উক্তি) এই আদৰ্শ সাৰোগত কৰি মহিলা অধ্যয়ন আৰু উন্নয়ন কোষে প্ৰতি বছৰ ৮ মাৰ্চত কোষৰ সদস্যসকলৰ বৌদ্ধিক চিন্তাধাৰাৰ প্ৰতিফলন ঘটাইছে 'ঈক্ষা'ৰ যোগেদি।

ইউৰোপৰ আলোকপ্ৰাপ্তি যুগৰ পৰাই মহিলাসকলৰ বৌদ্ধিক চিন্তাধাৰাত অংশগ্ৰহণ কৰি পুৰুষতান্ত্ৰিক সমাজত সমতাৰ নিৰ্দশন দাঙি ধৰিছে। কেৱল মাত্ৰ চিন্তাধাৰাৰ পৰিৱৰ্তনেহে সমতাৰ ভেটি সুদৃঢ় কৰিব পাৰে। সভ্যতাৰ অগ্ৰগতিৰ লগে লগে বিজ্ঞান আৰু যুক্তিবাদৰ আধাৰত প্ৰতিষ্ঠিত 'নতুন জ্ঞানে' সমাজৰ বহু কুসংস্কাৰ, অন্ধবিশ্বাস নাকচ কৰিলে আৰু ই মহিলাৰ সামগ্ৰিক উত্তৰণত সহায়ক হৈ পৰিল। এইখিনিতে ভাৰতীয় নাৰীসকলৰ উত্তৰণত আমাৰ সংবিধানৰ নিৰ্মাতা ড° দাদা চাহেব ভীমৰাও আম্বেদকাৰৰ অৱদান অনস্বীকাৰ্য। এইজনা দলিত নেতাৰ উৎকৃষ্ট চিন্তাধাৰাৰ প্ৰতিফলন ঘটিছে আমাৰ সংবিধানত। ফলশ্ৰুতিত আজিৰ ভাৰতীয় নাৰীৰ সামগ্ৰিক উন্নয়নত সহায়ক হৈছে। তেখেত ভাৰতৰ নাৰীবাদৰ পিতৃস্বৰূপ বুলিও কোৱা হয় আৰু তেখেতে লোৱা পদক্ষেপৰ বাবে আজি ভাৰতীয় মহিলাই সাহিত্য, সংস্কৃতি, ক্ৰিয়া, মহাকাশ আদি বিশ্বৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু এতিয়াও সমাজত ধৰ্ষণ, যৌতুক হত্যা, ঘৰুৱা হিংসা, যৌন উৎপীড়ন আদি নাৰীৰ ওপৰত চলিয়ে আছে। ৰাষ্ট্ৰসংঘৰ মহিলাৰ অৱস্থান সম্পৰ্কীয় সমিতিৰ নিৰ্দেশমৰ্মে প্ৰস্তুত কৰা প্ৰতিবেদনত ভাৰতীয় নাৰীৰ পশ্চাৎমুখী অৱস্থা ওলাই পৰিছে। তাৰ প্ৰধান কাৰণ হৈছে লিংগভিত্তিক বৈষম্য। কিন্তু সমাজৰ এই কৃত্ৰিম লিংগ বিভাজনে কেৱল নাৰীসকলক ক্ষতি কৰিছে তেনে নহয় ই পুৰুষসকলকো সমানে ক্ষতি কৰিছে।

সমাজৰ দুৰ্যোগৰ সময়ত নাৰীশক্তি ত্ৰানকৰ্তা হিচাপে আগবাঢ়ি অহাৰ স্বাক্ষৰ ইতিহাসে বহন কৰি আহিছে। এইবাৰ ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱসৰ মূল বিষয় হৈছে " Women in leadership : Achieving an equal status in COVID - 19 world" - ইয়াত নাৰীৰ নেতৃত্বৰ প্ৰতি সমাজৰ আস্থা প্ৰকাশ পাইছে। ২০১৯ চনৰ শেষৰ পৰা বৰ্তমান সময়লৈকে বিশ্বত ত্ৰাসৰ সৃষ্টি কৰা ক'ৰনা ভাইৰাছ আৰু ইয়াৰ পৰা সৃষ্টি হোৱা ক'ভিড- ১৯ অতিমাৰী এই শতিকাৰ আটাইতকৈ উল্লেখযোগ্য ঘটনা হিচাপে পৰিগণিত হৈছে। এই ৰোগত লক্ষাধিক মানুহ আক্ৰান্ত হোৱাৰ লগতে মৃত্যুমুখতো পৰিছে। এই ভাইৰাছৰ প্ৰতিৰোধৰ ক্ষেত্ৰত চৰকাৰে লকডাউন, শাৰীৰিক দূৰত্ব, ঘনাই হাত ধোৱা আদি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু বিভিন্ন মাধ্যমৰ যোগেদি প্ৰচাৰো কৰিছে। এইখিনিতে প্ৰত্যেক পৰিয়ালৰ মহিলাগৰাকীয়ে গুৰু দায়িত্ব

পালন কৰিছে। চাফ-চিকুণতা বজাই ৰখা, মুখ ঢাকি বাহিৰলৈ ওলোৱা, দুই ফুট দূৰত্ব বজাই ৰখা আদি কথাবিলাকৰ প্ৰয়োজনীয়তা পৰিয়ালৰ সদস্যসকলক বুজাই দিয়া মহিলাগৰাকীৰ এক কৰ্তব্যত পৰিণত হৈছে। তাৰোপৰি ঘৰতে আৱদ্ধ হৈ থকা ল'ৰা-ছোৱালীক অনলাইন ক্লাছৰ বাবে প্ৰস্তুত কৰাৰ ভাৰও ল'বলগাত পৰিছে।

তাৰ উপৰিও লকডাউনৰ বাবে বহুতো ঘৰত মহিলা সহায়কে কৰ্মসংস্থাপনহীনতাত ভুগিবলগীয়াত পৰিছে। ফলত দৰিদ্ৰতাৰ মহিলাকৰণ হৈছে, যি উত্তৰ ক'ভিড কালত মহিলাৰ ক্ষেত্ৰত প্ৰধান সমস্যাৰূপে দেখা দিছে। এই সময়ত কেৱল মাত্ৰ পুৰুষ-মহিলাৰ একত্ৰিত প্ৰচেষ্টাত এই অৱস্থাক পৰাভূত কৰাৰ লগতে এক সমতাপূৰ্ণ সমাজৰ আধাৰ গঢ় দিব লাগিব। এইক্ষেত্ৰত সমাজৰ প্ৰতিগৰাকী নাৰীয়ে নেতৃত্ব বহন কৰিব লাগিব আৰু এখন মানৱীয়তাৰে ভৰা সমৃদ্ধিশালী সমাজ ভৱিষ্যৎ প্ৰজন্মক উপহাৰ হিচাপে দি থৈ যাব লাগিব।

'ঈক্ষা'ৰ এই সংখ্যাটি আমি আমাৰ পৰিয়ালৰ পৰা কায়িকভাৱে চিৰদিনৰ বাবে আঁতৰি যোৱা প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক জয়া ভৰালী হাজৰিকা বাইদেউৰ স্মৃতিত উৰ্চগা কৰিছোঁ। এই সংখ্যাটি প্ৰকাশৰ ক্ষেত্ৰত লেখা দি সহায় কৰা সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই সংখ্যা প্ৰকাশ প্ৰক্ৰিয়াত উৎসাহ আৰু আৰ্থিক সহায় আগবঢ়োৱাৰ বাবে অধ্যক্ষ ড° সূৰ্য চুতীয়াৰ লগতে আভ্যন্তৰীণ মান নিৰূপন কোষৰ প্ৰতি ধন্যবাদ যাচিলোঁ। সংখ্যাটিৰ প্ৰাৰম্ভিক প্ৰস্তুতিপৰ্বত আৰ্হি পাঠক ময়ূৰী শৰ্মা বৰুৱাৰ ওচৰত আমি কৃতাৰ্থ হৈ ৰ'লোঁ। সংখ্যাটি সুন্দৰকৈ ছপা কৰি সময়মতে প্ৰকাশ কৰাৰ বাবে 'অসম এণ্টাৰপ্ৰাইজৰ' স্বত্বাধিকাৰ প্ৰমুখ্যে কৰ্মচাৰীলৈ শলাগ ল'লোঁ। বেটুপাত অংকন কৰি আমাক সহায় কৰা ছাত্ৰী বাগ্মিতা দাসলৈ আমাৰ আন্তৰিক ধন্যবাদ জনালোঁ। পৰিশেষত, এই সংখ্যাটি সম্পাদনা কাৰ্যত অনবৰতে উৎসাহ আৰু প্ৰেৰণা যোগোৱা মহিলা অধ্যয়ন আৰু উন্নয়ন কোষৰ সমন্বয়কক ধৰি আমাৰ সমূহ সহকৰ্মীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

অনাগত ভৱিষ্যতত এখন সমতাৰে পৰিপূৰ্ণ মানৱীয় মূল্যভিত্তিক সমাজৰ কামনাৰে —

**মণিকা দাস**
**ড° ৰশ্মি দত্ত**
**সম্পাদকদ্বয়**



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# সূচীপত্ৰ

- অসমৰ নাৰী - অতীত আৰু বৰ্তমানৰ — জয়া ভৰালী হাজৰিকা/১
- মহিলা আৰু শিশুৰ ওপৰত কোভিড-১৯ৰ প্ৰভাৱ — অন্‌জনা গোস্বামী/৫
- দুগৰাকী গৰীয়সী নাৰী - এক চমু অৱলোকন — মণিকা দেৱী/৯
- নাৰীহিতৈষী ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ — ড° দীপিকা ভট্টাচাৰ্য/১৫
- My Favourite Houseplants *Aglaonema* and *Dieffenbachia* — Dr. Sanjukta Gohain Baruah/১৯
- মাহেকীয়া ঋতুস্ৰাৱ ঃ কিছু কথা — ড° ৰূপালী গগৈ/২৫
- The Marxist Feminist Perspective on Production and Reproduction as Entities in Capitalist Economy — Dr. Mriganka Choudhury/২৮
- Work From Home (WFH) – A New Mantra For Women's Empowerment — Niranjan Kumar Shukla/৩৩
- Socio-Economic Condition of Female Slum Dwellers : A study on slums in Tinsukia Town – Dr. Pranamika Das/৩৬
- The Life and Books of Sudha Murty — Dr. Pallavi Gogoi/৪০
- Is the *Kama Sutra* a sex manual or a feminist text ? — Dr. K. Kalita/৪৩
- অসমত নাৰী জাগৰণ আৰু চন্দ্ৰপ্ৰভা শইকীয়ানী — ৰশ্মিতা বৰকটকী/৪৭
- Women Achievers who broke the Cliched Narratives — Dr. Saswati Phookan/৫৩
- নাৰী দিৱসৰ তাৎপৰ্য — বৈকুণ্ঠ দাস/৫৭
- পৰম্পৰাৰ নামত মৰাণ সমাজত লিঙ্গভিত্তিক বৈষম্য — কাশ্মিৰী দহোতীয়া/৫৯
- Gender Inequalities : Past and Future Possibilities — Ankit Sen/৬২

- Neglected Existence? The Question of Renaissance Woman in Literature and Paintings — Gaurab Sengupta/৬৪
- Myth and Gender Violence in Northeastern Literature : A study of Arupa Patangia Kalita's 'The Girl with Long Hair' from Written in Tears — Niribili Konwar/৬৮
- অনুভৱৰ এখিলা পাত — ড° মমী শ্যাম/৭৬
- অসমৰ মিচিং জনগোষ্ঠীৰ সমাজ জীৱনত নাৰীৰ স্থান — ৰুমা পায়েং/৭৮
- ইতিহাসৰ জলঙাৰে আহোম যুগৰ নাৰী নেতৃত্ব — সংঘমিত্ৰা শৰ্মা/৮২
- লোক বিশ্বাস নে অন্ধবিশ্বাস — পল্লবী দত্ত/৮৬
- EMPOWERED WOMEN EMPOWER WOMEN — Plabita Changkakoty/৮৮
- From Science to Society : Women Entrepreneurs for a Better Society — Dr. Kaushal Sood/৯০
- মই একো নহওঁ! তুমি কোন বাৰু? — ৰূপম কুমাৰ বড়ো/৯৫
- তুমি আছা বাবেই ঃ শেলী দত্ত/৯৬
- Cell for Women's Studies and Development : State of the art of activities/৯৭




TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM

# অসমৰ নাৰী - অতীত আৰু বৰ্ত্তমানৰ


**জয়া ভৰালী হাজৰিকা**
প্ৰয়াত অৱসৰ প্ৰাপ্ত অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ


নাৰীক অবলা বুলি কোৱা হয় যদিও বিভিন্ন যুগত নাৰীয়ে ভিন্ন ভিন্ন ৰূপত আত্মপ্ৰকাশ কৰি আহিছে। অসমীয়া নাৰীৰ স্বকীয় ৰূপ প্ৰকাশৰ বহুতো নিদৰ্শন ইতিহাসৰ পাতত জিলিকি আছে। আহোমসকলে আৰম্ভ কৰা, আৰু লিখি থৈ যোৱা ইতিহাসত নাৰীৰ বহুতো চৰিত্ৰৰ সমাৱেশ ঘটিছে যিবোৰৰ দ্বাৰা উমান পাব পাৰি — নাৰীয়ে সুযোগ-সুবিধা পালে নিজৰ মাহাত্ম্য অতুলনীয় ৰূপত প্ৰকাশ কৰিব পাৰে।

নাৰীৰ অবিহনে কোনো সভ্যতা, সমাজ বৰ্ত্তি থাকিব নোৱাৰে — ই এক প্ৰামাণ্য কথা। তথাচ বিদ্বান মণিষী তথা চিন্তাবিদে নাৰী সম্পৰ্কে পক্ষপাতিত্বমূলক মন্তব্যৰে নাৰীৰ প্ৰতি নানা সময়ত অবিচাৰ কৰি আহিছে। এনেবোৰ মন্তব্য বা বিশ্লেষণে নাৰীক যুগে যুগে হেয় প্ৰতিপন্ন কৰি আহিলেও শক্তি ৰূপে অধিষ্ঠিতা নাৰীৰ স্বাভাৱিক কোমলতাৰ আঁৰত লুকাই থাকে এক অদমনীয় শক্তি। এই শক্তিৰ বাবেই নাৰী ধৰিত্ৰীৰ দৰেই সহনশীলা আৰু ত্যাগৰ প্ৰতীক।

অসমৰ বুৰঞ্জীত অসমীয়া নাৰীৰ এনে বহুতো ত্যাগৰ নিদৰ্শন আছে যিবোৰৰ অবিহনে আজিৰ এই অসম নামৰ দেশখনৰ ভৌগোলিক ৰূপৰেখা তথা ৰাজনৈতিক বাতাবৰণ ইতিহাসত থকাৰ দৰে পোৱাটো সম্ভৱপৰ নহ'লহেঁতেন। আহোমসকলে গঢ় দি যোৱা অসম নামৰ দেশখনৰ গঠন আৰু সু-শৃঙ্খলিত শাসনত নাৰীৰ এক অভূতপূৰ্ব্ব অৱদান আছে। কেৱল আহোম ৰাজত্ব কালতেই নহয়, বৰ্ত্তমান সময়তো দেশৰ বিভিন্ন কাঠামোত নাৰীৰ ভূমিকা লেখত ল'বলগীয়া। প্ৰকৃতপক্ষে নাৰীৰ উপযুক্ত মৰ্যাদা দিয়া লোকৰ সংখ্যা কম যদিও বৰ্ত্তমান সময়ৰ পৰিপ্ৰেক্ষিতত এনে নেতিবাচক ভাবধাৰাৰ পৰিৱৰ্ত্তে নাৰীৰ সকলো গুণকে উপযুক্ত মূল্যায়ণেৰে বিচাৰ কৰি চোৱাৰ দিন আহি পৰিছে।

আহোম ৰাজত্বৰ প্ৰতিষ্ঠাপক চুকাফাই ডই কাও ৰং (পাটকাই) পাৰ হৈ বৰলুইতৰ পাৰত সুণীয়া অসম গঢ়িবলৈ আহোতে কোনো তিৰোতা লগত অনা নাছিল। কিন্তু অভিজ্ঞতাপুষ্ট চুকাফাই লুইতৰ পাৰত খোপনি পুতিবৰ সময়ত মুখামুখি হোৱা অসমৰ ভূমিপুত্ৰ বৰাহী, মৰাণ, কছাৰীক বশ কৰিবলৈ বৈবাহিক সম্বন্ধৰ পাতনি মেলিলে — উদ্দেশ্য নাৰীৰ অৱলম্বনত সমাজ আৰু ৰাজনৈতিক জীৱনত

এক দৃঢ় খোপনি। এই কাৰ্যত চুকাফালৈ বুলি পোনপ্ৰথমবাৰৰ কাৰণে হাত আগবঢ়ালে চুকাফাৰ অচিনাকি বৰাহী ৰজাৰ কন্যা খাম-জি হিঙ্গুলীয়ে। নিজৰ জ্ঞাতি-গোত্ৰৰ লগত সম্বন্ধ ছিঙি প্ৰব্ৰজক টাই গোষ্ঠীৰ অচিন ৰাজকোঁৱৰক স্বামী কৰি এখন নতুন ৰাজ্যৰ সোপান গঢ়াত সামান্য নাৰী হিঙ্গুলীয়ে এক ইতিবাচক ভূমিকা ল'লে, বৰাহী মৰাণৰ সহযোগত এমুঠি টাই মানুহে এখন নতুন ৰাজ্যৰ পাতনি মেলিলে। হিঙ্গুলীৰ লগতে এই সম্পৰ্কক দৃঢ় কৰিলে আন চাৰিগৰাকী ইতিহাসত নামহীন মৰাণ কুঁৱৰীয়ে।

সময় আগবাঢ়িল। ৰাজবংশৰ অবিৰাম পথযাত্ৰাত অনেক ৰজা, ৰাজকোঁৱৰৰ সমাৱেশ ঘটিল। সৰহসংখ্যকেই নিজ স্থান, মৰ্যাদা, ৰাজ্য সুৰক্ষিত কৰিবৰ কাৰণে, বিভিন্ন সময়ত আশ্ৰয় ল'লে 'অবলা নামাঙ্কিত নাৰী'ৰ। ত্যাগৰ প্ৰতীক ৰূপে আহোম ৰজাৰ ইতিহাসক জিলিকি থকা কেইগৰাকীমান নাৰী হ'ল — ৰজা চুখ্ৰাংফাৰ দিনৰ কমতাকুঁৱৰী ৰাজনী আৰু ভাজনী, ৰজা চুহুংমুঙৰ দিনৰ গৌড় কন্যা হাৰমতী আৰু দাৰমতী, ৰজা চুক্লেংমুং ৰজাৰ দিনৰ বিদুষী নৰা জীৱৰী নাঙ্গ (৩) পখাম বা চাওচিং কুঁৱৰী, চুখামফা বা খোৰাৰজাৰ দিনৰ নৰাকুঁৱৰী জেকচু গাভৰু, চচেংফা বা প্ৰতাপসিংহৰ দিনৰ কোঁচ কুঁৱৰী ৰত্নমালা, চৰমফা বা ভগাৰজাৰ দিনৰ জয়ন্তীয়া কুঁৱৰী আৰু ঢেকেৰী কুঁৱৰী চান্দ্ৰকলা ইত্যাদি। ৰজা শিৱসিংহৰ দিনৰ নটৰ জীয়ৰী ফুলমতী তথা বৰৰজা ফুলেশ্বৰী কুঁৱৰী ৰজাঘৰলৈ নাৰীৰ অৱদানৰ আন এক কৰুণ কাহিনী। গদাপাণিৰ পত্নী সতী জয়মতী অসমৰ এক অনন্য নাৰীৰূপে আজিও স্বীকৃত।

কেৱল সেয়েই নহয়, প্ৰয়োজন সাপেক্ষে নাৰীৰ ৰাজমৰ্যাদা ৰক্ষাৰ হকে কৰা কেতবোৰ কাম অতি দূৰদৰ্শিতাৰ পৰিচায়ক আছিল। আহোম ৰাজপাটৰ অষ্টম ৰজা চুডাংফাৰ দিনত, ৰাজকোঁৱৰ তাওচুলাইয়ে (চাওপুলাইয়ে) অসংযত আচৰণৰ পৰিণতিত গঢ়ি তোলা বিদ্ৰোহৰ সময়ত দেশলৈ শত্ৰুৰূপে মাতি অনা নৰাৰজাৰ বিৰুদ্ধে, বোৰাৰী খান খিলিপৰ জীয়ৰী তিপমীয়া কুঁৱৰীয়ে পতিকো আওকাণ কৰি, দেশৰক্ষাৰ স্বাৰ্থত শহুৰেকক ৰজা চুডাংফাৰ পক্ষত থিয় দিছিল। চাওপুলায়ে ককাক (ৰাজমাওৰ পিতৃ) কমতা ৰজাক দিয়া পূৰ্বৰ উটটনিৰ বিৰুদ্ধে এনেকি একেই বিদ্ৰোহৰ গইনা লৈ মাতৃ ৰাজমাৱেও যুঁজিছিল গোপনে যাতে আহোম ৰাজবংশ সুৰক্ষিত হৈ ৰয়। তেওঁ পিতৃ কমতেশ্বৰক আহোমৰজাৰ সৈতে থকা মিত্ৰতাৰ দোহাই দি যুদ্ধৰ বিৰোধিতা কৰাৰ লগতে, আহোম ৰজা, নিজ স্বামীলৈ, কমতাৰ আন এগৰাকী জীয়াৰীক বিয়া কৰাই মিত্ৰতাৰ বান্ধোন কটকটীয়া কৰি তুলিছিল। আত্মত্যাগৰ এনে বিৰল ঘটনা অসমীয়া নাৰীৰ চৰিত্ৰৰ এক আপুৰুগীয়া আভূষণ।

আহোম বুৰঞ্জীত সন্নিবিষ্ট নাৰীসকল নাৰীসুলভ নমনীয়, কমনীয় গুণেৰে বিভূষিতা হ'লেও সময়সাপেক্ষে তেওঁলোকৰ চৰিত্ৰত ক্ষত্ৰিয় নাৰীৰ গুণো প্ৰকাশ পাইছিল। এনে এক উল্লেখনীয় ত্যাগ আৰু আদৰ্শৰ নাৰী হ'ল — মূলাগাভৰু। মূলাগাভৰুৰ আত্মত্যাগে বুৰঞ্জীৰ পাত উজ্জ্বল কৰি ৰাখিছে। চুপিমফা ৰজাৰ জীয়ৰী, চুহুংমুং দিহিঙ্গীয়া ৰজাৰ ভনীয়েক মূলা গাভৰু আছিল ফ্ৰাচেংমুং বুঢ়াগোঁহাইৰ পত্নী। চুহুংমুং দিহিঙ্গীয়া ৰজাৰ দিনত গৌড়ৰ সেনাপতি তুৰ্ব্বকৰ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ গৈ ফ্ৰাচেংমুং ৰণত পৰিল। হাতত মুকলি হেংদাং লৈ, কঁকালত টঙালি বান্ধি আহোম সেনাক ধুমুহাৰ গতিৰে শত্ৰুৰ বিৰুদ্ধে পৰিচালনা কৰি অলেখ





অশ্বাৰোহী সৈন্য হিলৈ বৰতোপেৰে সজ্জিত তুৰ্ব্বক বাহিনীক পৰাস্ত কৰি, সেনাপতি ফ্ৰাচেংমুঙৰ নামৰ লগতে - নিজৰ নামো মূলাগাভৰুৱে কাললৈ বুৰঞ্জীৰ পাতত ৰাখি থৈ গ'ল। তুৰ্ব্বকৰ পৰাজিত সৈন্যবাহিনীয়েই পিচলৈ 'গৰীয়া' বা পিতলৰ কাম কৰা 'মৰীয়া' ৰূপে অসমত পৰিচিত হৈছিলগৈ।

চুক্লেংমুঙ ৰজাৰ ৰাজধানীৰ নাম 'গড়গাঁও' হোৱাৰ মূলতে হ'ল — নগৰৰ চাৰিওফালে গড় বান্ধি নগৰ সুৰক্ষিত কৰা কাৰ্য। গড় বান্ধি নগৰ সুৰক্ষিত কৰা পৰম্পৰা নৰাসকলৰ পুৰণি কৃষ্টিৰ অঙ্গ আছিল। বিদুষী নৰা গাভৰু চাওচিং কুঁৱৰীৰ পৰামৰ্শ মতেই অসমত সুৰক্ষিত নগৰী 'গড়গাঁও' স্থাপিত হৈছিল। তাৰোপৰি আহোম ৰজাই দখল কৰা লুইতৰ উত্তৰ পাৰৰ ভূঞা ৰাজ্যৰ বাৰেভূঞাৰ মাতৃ লক্ষ্মী আয়ে নিজস্ব গঠনমূলক প্ৰতিভাৰে পাতিছিল লখিমপুৰ নগৰ, যিখন বৰ্ত্তমানেও অসমৰ এখন ঐতিহ্যপূৰ্ণ নগৰৰূপে জিলিকি আছে। তেওঁৰেই আদৰ্শৰে তেওঁৰ বংশধৰসকলে পাতিছিল, পাগপুৰ, হেঙুলপুৰ, ৰতনপুৰ, নাৰেংপুৰ (নাৰায়ণপুৰ), গহপুৰ, কলংপুৰ, প্ৰতাপপুৰ, বিহিমপুৰ আদি নগৰ, যিসমূহৰ কিছুমানৰ সামান্য নামৰ পৰিবৰ্ত্তন ঘটিলেও কেতবোৰ একেনামেৰেই বৰ্ত্তমানেও বিদ্যমান।

নাৰী কেতিয়াবা হয় দুৰ্গা কাত্যায়ণী, দেৱী নাৰায়ণী, দুৰ্গতিনাশিনী, কেতিয়াবা হৈ পৰে পিশাচিনী, কলঙ্কিনী, ছলনাময়ী। আহোম ৰজাৰ ইতিহাসৰ নাৰী যে কেৱল সুগুণৰে অধিকাৰী আছিল এনে নহয়, নাৰীৰ সহজাত অন্য দিশবোৰো কোনো কোনো নাৰীৰ চৰিত্ৰত প্ৰকাশ পাইছিল যিবোৰে সময়ত ৰাজ্য শাসনত বিশৃঙ্খলতাৰ সৃষ্টি কৰিছিল। এনে নাৰীৰ উদাহৰণ স্বৰূপে নাম ল'ব পাৰি, চুহুংমুং ৰজাৰ দিনৰ গৌড়কুঁৱৰী বা গৰমা কুঁৱৰী, ত্যাও খামথি ৰজাৰ বৰ কুঁৱৰী আৰু অনেক।

কথিত আছে আহোমসকলে সাতৰাজ মাৰি একৰাজ কৰিলে। অৰ্থাৎ মৰাণ, বৰাহী, কছাৰী, চুতীয়া, ভূঞা, কমতা, তুৰ্ব্বক - এই সাত ৰাজ মাৰি একৰাজ কৰা মূলতে হ'ল বিদেশী টাই গোষ্ঠীৰ এমুঠি মানুহে অসমৰ থলুৱা বাসিন্দা বিভিন্ন গোষ্ঠীৰ লগত সমন্বয়ৰ সূত্ৰ গঢ়ি কটকটীয়া কৰা কাৰ্য। আহোমসকলে কেৱল ৰণকুশলতাৰে এইসমূহ জাতিক বশলৈ আনি এক সমন্বয়ৰ স্বতন্ত্ৰীয়া ৰাজ্য গঠনত যে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'লহেঁতেন তাত সন্দেহ নাই — কিন্তু 'নাৰী'ৰ অৱলম্বনত বৈবাহিক সম্বন্ধ স্থাপনেৰে এই কাৰ্য আহোমসকলে যথেষ্ট সহজসাধ্য কৰি তুলিছিল। গতিকে ই এক প্ৰামাণ্য তথ্য যে নাৰীয়ে সহাৱস্থানৰ ভিত্তিত অসমত আহোম ৰাজত্বৰ ভেঁটি প্ৰতিষ্ঠা কৰাত পৰোক্ষভাৱে হ'লেও এক দৃঢ় ভূমিকা পালন কৰিছিল।

সময়ৰ লগে লগে ইতিহাস সলনি হয়। ১৮২১ চনত ৰজা যোগেশ্বৰ সিংহৰ দিনত নামনি অসম বৃটিছৰ অধীনলৈ যায়। ১৮৩৮ চনত পুৰন্দৰ সিংহৰ দিনত উজনি অসমো বৃটিছৰ তললৈ যায়। প্ৰায় ডেৰশ বছৰ কাল অসম বৃটিছৰ অধীনত ৰ'ল। বৃটিছসকল অসমলৈ অহাত ইংৰাজী শিক্ষাৰ অৰ্থে পতা বিদ্যালয়সমূহত বঙলা ভাষাৰ প্ৰবৰ্ত্তনে শিক্ষাৰ ক্ষেত্ৰত সৃষ্টি কৰা সমস্যাৰ সমাধান কল্পে অসমত অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠাৰ আন্দোলন হয় - খ্ৰীষ্টীয়ান মিশ্যনাৰীসকলে এই আন্দোলন সফল কৰাৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। লাহে লাহে অসমত শিক্ষাৰ বাতাবৰণ গঢ়ি উঠে যদিও স্ত্ৰী শিক্ষাৰ পটভূমি তেতিয়াও গঢ়ি উঠা নাছিল। কুৰি শতিকাৰ আৰম্ভণিৰ পৰাহে অসমত শিক্ষাৰ ক্ষেত্ৰত প্ৰকৃত সচেতনতা আহে। ১৯২৬ চনত অসমত

বাধ্যতামূলক শিক্ষা আইন আৰু ১৯৪৭ চনত বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন প্ৰৱৰ্ত্তন কৰা হয়।

স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত থকা প্ৰতিকূলতাৰ মাজতো অনেক অত্যুৎসাহী মহিলাই নিজস্ব প্ৰতিভাৰে অসমৰ সাহিত্য সংস্কৃতিৰ জগতখনলৈ বহুমূলীয়া অৱদান আগবঢ়ায়। তাৰ ভিতৰত যমুনেশ্বৰী খাটনিয়াৰ, নলিনী বালা দেৱী আদি অন্যতম। সময়ৰ লগে লগে আনন্দৰাম ঢেকীয়াল ফুকন, গুণাভিৰাম বৰুৱা, জোনাকী যুগৰ লক্ষ্মীনাথ বেজবৰুৱা, আৱাহন যুগৰ শৰৎ চন্দ্ৰ গোস্বামী প্ৰভৃতিয়ে সংস্কাৰ ধৰ্ম্মী সাহিত্যকৰ্ম্মৰ যোগেদি অৱহেলিত নাৰী সমাজৰ প্ৰতি সমাজৰ দৃষ্টি আকৰ্ষণ কৰে। যুদ্ধোত্তৰ কালত সমাজলৈ অহা পৰিৱৰ্ত্তনে নাৰীক ব্যক্তি স্বাতন্ত্ৰ্যতাৰ স্বাদেৰে অনুপ্ৰাণিত কৰি বাহিৰৰ পৃথিৱীখনলৈ উলিয়াই আনে।

ব্যক্তি স্বাতন্ত্ৰ্যতাই নাৰীক দেশৰ স্বাৰ্থত ব্যক্তিগত সকলো আশা-আকাংক্ষা জলাঞ্জলি দিয়াৰ পৰিৱৰ্ত্তে শিক্ষাৰ আলোকেৰে আলোকিত হৈ সুস্থ মানসিকতাৰে দেশৰ উন্নতিৰ হকে অৰিহণা যোগাবলৈ উদ্বুদ্ধ কৰে। বৰ্ত্তমান অসমৰ, শিক্ষা, সাহিত্য, সংস্কৃতি, প্ৰশাসন, আৰক্ষী, কাৰিকৰী বিজ্ঞান, স্বাস্থ্য বিজ্ঞান প্ৰভৃতি সকলো বিষয়তে পুৰুষৰ সমানে নাৰীয়েও এক উল্লেখযোগ্য স্থান ল'বলৈ সক্ষম হৈছে আৰু দেশৰ উন্নতিত বৰঙণি যোগাইছে। সকলো দিশতে উত্তৰোত্তৰ উন্নতি সাধন কৰাটো বৰ্ত্তমান অসমৰ নাৰীসমাজৰ আশু কৰ্ত্তব্য।

(সংগৃহীত, তিনিচুকীয়া মহাবিদ্যালয় আলোচনী, ২০০০-০১ বৰ্ষ, পৃঃ ৭-৯)

■■

*"The highest education is that which does not merely give us information but makes our life in harmony with all existence. Rabindranath Tagore "*

**— Rabindranath Tagore**





# মহিলা আৰু শিশুৰ ওপৰত কোভিড-১৯ৰ প্ৰভাৱ

**অন্‌জনা গোস্বামী**
অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ
ইতিহাস বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়




*(সৰুতে আমাৰ গাঁৱত এবাৰ কলেৰা মহামাৰীয়ে দেখা দিছিল। গোটেই গাঁওখনতে কিছুমান স্বাস্থ্য সম্পৰ্কীয় নিষেধাজ্ঞা চৰকাৰে জাৰি কৰিছিল। সকলোৰে কথাবোৰ মানি চলোতেও আমাৰ গাঁৱৰে এগৰাকী সদ্য সন্তানপ্ৰাপ্ত মহিলাৰ মৃত্যু ঘটিছিল। সেই কন্যা সন্তানক আইতাক গৰাকীয়ে কি অপৰিসীম কষ্টেৰে ডাঙৰ কৰিছিল তাক চকুৰ আগতে দেখিছিলোঁ। মাতৃ দুগ্ধ খাবলৈ নাপাই তাই আইতাকৰ বুকুখনত সোমাই কেতিয়াবা চিঞৰি, কেতিয়াবা ফেঁকুৰি থকা দৃশ্য এতিয়াও পাহৰিব পৰা নাই। শেষত আইতাকে নিজৰ শুকান স্তন তাইৰ মুখত লগাই দিবলৈ বাধ্য হৈছিল আৰু তায়ো তাকে চুপি চুপি শুই গৈছিল। চকুৰ আগত ভাঁহি থকা সেই দৃশ্যটোতকৈয়ো ভয়ানক ৰূপত আহিল এইবাৰ কোভিড-১৯ বিষাণু। আমাৰ সময়ত পৃথিৱীয়ে সন্মুখীন হোৱা এক ডাঙৰ বিপৰ্যয়, যেতিয়া মহামাৰীয়ে এখন মহাদেশত আবদ্ধ নাথাকি সমগ্ৰ বিশ্বতে বিয়পি পৰে তেতিয়াই ইয়াক কোৱা হয় Pandemic বা অতিমাৰী। "The impact of crisis are never gender-neutral and Covid-19 is no exception." সেয়েহে এই অতিমাৰীত মহিলা, বালিকা আৰু শিশুৰ বিষয়ে জানিবলৈ কৰা প্ৰচেষ্টাৰে কিছু কথা এই লেখা।)*

সামগ্ৰিকভাৱে কোভিড - ১৯ নামৰ বিষাণুবিধে পুৰুষ-মহিলা উভয়কে অক্ৰমণ কৰিলেও মৃতকৰ সংখ্যা পুৰুষৰহে বেছি দেখা গৈছে। কিন্তু সামাজিক আৰু অৰ্থনৈতিক প্ৰভাৱৰ ফালৰ পৰা চালে মহিলাসকলহে বেছিকৈ আক্ৰান্ত হৈছে। গোটেই দেশবোৰতে ৰোগ প্ৰতিৰোধ কৰিবলৈ তলাবন্ধৰ দৰে কাৰ্যসূচী লোৱা হ'ল। কিন্তু অপৰিকল্পিত তলা বন্ধাই ভাৰতৰ দৰে দেশক বাৰুকৈয়ে বিপদত পেলালে,

বিশেষকৈ প্ৰব্ৰজিত শ্ৰমিকৰ দুৰ্দশাই সমগ্ৰ বিশ্বতে ভাৰত চৰকাৰৰ অদূৰদৰ্শিতাক প্ৰতীয়মান কৰিলে। যান-বাহনৰ অভাৱত প্ৰব্ৰজিত শ্ৰমিক শ শ কিলোমিটাৰ খোজকাঢ়িব লগা হ'ল। য'তে যি পায় তাকে খাই প্ৰায়ে নোখোৱাকৈয়ে খোজকাঢ়ি থকা মহিলা, শিশুসকলৰ দুৰ্দশাৰ কথা বৰ্ণনা কৰিবলৈ ভাষা নাই। চকা লগোৱা চুটকেচটোতে মূৰ থৈ গৈ থকা শিশু, বৃদ্ধ দেউতাকক চাইকেলত উঠাই অনা ছোৱালীজনী, ৰেলষ্টেচনত মৃত মাকৰ কাপোৰখন লৈ খেলি থকা ল'ৰাটো, পথতে সন্তান জন্ম দি পুনৰ কেঁচুৱাটোক বুকুত বান্ধি প্ৰসৱ বেদনাৰে ভাৰাক্ৰান্ত মাতৃগৰাকী, জোলা ফুটা ভৰিবোৰে বহুত কথাই কৈ যায়। সেই সময়ত মানৱদৰদী বহুজনে পথতে খাদ্য যোগান ধৰি মানৱতাক জীপাল কৰি ৰাখিলে।

এই বিষাণুৰ ফলত গোলকীয় অৰ্থনীতিত ব্যাপক খহনীয়া হ'ল। বহুতো লোকে জীৱিকা হেৰুৱাবলগীয়া হ'ল। সাধাৰণতে আতিথ্যৰ ক্ষেত্ৰ, শিশু আৰু ৰুগ্নলোকক শুশ্ৰূষাকাৰী; সেৱাগৃহৰ তত্বাৱধায়ক, ঘৰুৱা কামত সহায়কাৰী, সামাজিক আৰু বিশেষকৈ স্বাস্থ্যখণ্ডত নিযুক্তি লাভ কৰা ৭০ শতাংশ কৰ্মীয়েই হ'ল মহিলা। শ্ৰমৰ বজাৰত মহিলাসকলৰ বেছিভাগেই আংশিকভাৱে নিয়োজিত। তদুপৰি বেছিভাগেই অনানুষ্ঠানিক ঘৰুৱা কামত জড়িত। দিন-মজুৰি, কম মজুৰিত তেওঁলোক চলে। এই সময়ত শতকৰা আশীভাগ তেনে মহিলাৰ ৭২ শতাংশই চাকৰি হেৰুৱালে। স্কুল, ডে-কেয়াৰবোৰ বন্ধ হৈ গ'ল। বস্ত্ৰ শিল্পৰ দৰে উদ্যোগ য'ত বেছিভাগেই মহিলা কৰ্মচাৰী তেওঁলোকেও এই সময়ত কৰ্মসংস্থান হেৰুৱালে। বাস্তৱৰ লগত মোকাবিলা কৰিবলৈ এইসকল মহিলাই অতি বিপদজনক আৰু অনাকাংক্ষিত কামত জড়িত হ'ব লগা হ'ল। ব্যৱসায় কৰা মহিলাসকলেও উচ্চ বিপদৰ সন্মুখীন হ'ল। ঘৰৰ পৰা কাম কৰা নীতি সুবিধাজনক হ'ব বুলি ভাবিলেও বহুত মহিলাই ঘৰত মুকলিমুৰীয়া কাম কৰিবলৈ অসুবিধাহে পালে। কাৰ্যালয়ৰ কৰ্মত সময় দিব নোৱাৰাত তেওঁলোকৰ মজুৰি কৰ্তন কৰা হ'ল। মহিলা প্ৰধান ঘৰবোৰ, একক মাতৃসকল, অদক্ষ মহিলাসকল এই সময়ত বেছিকৈ ক্ষতিগ্ৰস্ত হ'ল। কৰ্মৰ নিৰাপত্তাহীনতাই এইবোৰৰ মূল কাৰণ। বিশ্ব সংস্থাৰ মতে অতিমাৰীৰ ফলত ২০২১ চনত ৯৬ নিযুত মানুহ অতি দৰিদ্ৰতাত ভুগিব আৰু তাৰে ৪৭ নিযুত হ'ব মহিলা আৰু বালিকা। তেওঁলোকৰ ২৫ ৰ পৰা ৩৪ বছৰ বয়সৰ মহিলাই বেছি। অৰ্থনৈতিক ক্ষমতা হেৰোৱা এইসকল মহিলাই স্বাধীনতা আৰু স্বাভিমানো হেৰুৱাবলগীয়া হ'ল।

আনহাতে ঘৰত থকা মহিলাৰ মজুৰীবিহীন কৰ্মৰ বোজা অভাৱনীয়ভাৱে বাঢ়িল। কিছুমান গতানুগতিক নিয়ম আৰু অন্ধবিশ্বাসৰ বাবে পুৰুষসকলে সাধাৰণতে ঘৰুৱা কামত কম সময়হে দিয়ে। অসমতা এনেয়ো আছিল। কিন্তু ঘৰুৱা সহায়কাৰী আদি লগাব নোৱাৰাত সন্তানৰ যত্ন, পঢ়া-শুনাৰ দায়িত্ব তথা ঘৰুৱা কাম-কাজ অতিমাত্ৰাত কৰিব লগা হ'ল। অতিৰিক্ত চাপ আৰু সামাজিক ক্ষেত্ৰৰ পৰা বঞ্চিত হৈ তেওঁলোক একাকিত্বত ভুগিবলৈ ধৰিলে, মানসিক স্বাস্থ্যত প্ৰভাৱ পেলালে। সন্তানসম্ভৱা মহিলাৰ মাজত হতাশগ্ৰস্ততা বেছি দেখা পোৱা গ'ল। আত্মহত্যাৰ প্ৰৱণতাও বাঢ়িল।

এই সময়ছোৱাত গোটেই বিশ্বতে গাৰ্হস্থ্য হিংসাৰ প্ৰৱণতা বাঢ়িল। ভাৰতৰ প্ৰত্যেক তিনিগৰাকী মহিলাৰ এগৰাকী গাৰ্হস্থ্য হিংসাৰ (শাৰীৰিক বা লৈঙ্গিক) সন্মুখীন হয়। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ তথ্য মতে তলাবন্ধ হোৱাৰে পৰা এনে হিংসা দুগুণ বৃদ্ধি





পালে। কৰ্মহীনতাৰ ফলত অৰ্থহীনতাই পুৰুষসকলক হতাশ কৰিলে। হতাশাত তেওঁলোকৰ মাজত সুপ্ত হৈ থকা হিংসা আৰু প্ৰতিশোধপৰায়ণতা বৃদ্ধি পালে। পীড়ন কৰা লোকসকলৰ লগত ২৪ ঘণ্টা একেখন চালৰ তলতে থাকিব লগা হোৱাত মহিলাসকলৰ দুৰ্দশা বাঢ়িল, মহিলাসকল ঘৰত এনেকৈ বন্দী হৈ থাকিল যে তেওঁলোকে পুলিচতো বাদেই পৰিয়ালকো গোচৰ দিব নোৱাৰা হ'ল। মহিলা আৰু বালিকাৰ ওপৰত গৱেষণা আৰু কৰ্ম কৰা লোকসকলৰ তথ্যই এই সময়ত গাৰ্হস্থ হিংসাৰ যিখন ছবি ডাঙি ধৰিলে ই সঁচাই চিন্তনীয়। বিশ্ব সংস্থাই সেয়েহে সকলো দেশকে সকীয়নি দিছে আৰু মহিলা আৰু শিশুৰ ওপৰত বিশেষ আঁচনি ল'বলৈ অনুৰোধ কৰিছে।

এই সময়ত চাইবাৰ হিংসাও বৃদ্ধি পাব ধৰিলে। মহিলা আৰু বালিকাসকলক আক্ৰমণ কৰিবলৈ Zoom bombingৰ দৰে ব্যৱস্থাও আহি পৰিছে।

কোভিড-১৯ বিষাণু ৰোধ কৰাৰ বাবে স্কুল কলেজবোৰ বন্ধ কৰি দিয়া হ'ল। এই বন্ধই নএঞাৰ্থক প্ৰভাৱ পেলালে। সন্দেহ কৰা হৈছে যে কোভিডৰ শেষলৈকে ১১ নিযুত ছোৱালীয়ে স্কুল এৰি দিব। তৃতীয় বিশ্বৰ বেছিভাগ দেশেই ছোৱালী শিক্ষাত গুৰুত্ব নিদিয়ে। বহুতে কন্যা সন্তানক বোজা আৰু ধন ঘটাৰ আহিলা বুলি ভাবে। অৰ্থনৈতিক নিৰাপত্তাহীনতাৰ ফলত পৰিয়ালে বাধ্য হৈ সন্তানক যৌন ব্যৱসায়ত নমাব লগা হয়, কম বয়সতে বিয়াও দিয়া দেখা গৈছে। অনুমান কৰা হৈছে অবাঞ্চিত মাতৃত্ব আৰু বাল্যবিবাহ এক সমস্যাৰূপে দেখা দিব। ভাৰতত ১৮,৩২৪ খন বাল্যবিবাহ হোৱা বুলি Child Help Line-এ দাবী কৰিছে।

ইণ্টাৰনেটৰ যোগেদি এই সময়ত পাঠদান কৰা হৈছে। দৰিদ্ৰ লোকসকলৰ বাবে ই এক ডাঙৰ সমস্যাৰূপে দেখা দিলে। বহুতো মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ অভাৱত আত্মহত্যাৰ দৰে পথ বাচি লৈছে।

ইমানবোৰ নএঞাৰ্থক দিশৰ পিছতো মহিলাসকলে কৰা কিছুমান কাম সঁচাই প্ৰশংসনীয়। বিশেষকৈ মহিলা চিকিৎসক, নাৰ্চ, স্বাস্থ্য কৰ্মীসকলৰ কষ্ট, ত্যাগ, পাৰদৰ্শিতাই কোভিড-১৯ বিষাণু নিয়ন্ত্ৰণত উল্লেখযোগ্য ভূমিকা লৈছে। এইখিনিতে এটা কথা উল্লেখ নকৰি নোৱাৰিলোঁ। ইউৰোপ বিশেষকৈ ইটালী আৰু স্পেইনত মহিলা স্বাস্থ্যকৰ্মীসকল পি.পি.ই. কিট পিন্ধাৰ পিছতো পুৰুষতকৈ দুগুণ বিষাণুৰ দ্বাৰা আক্ৰান্ত হৈছিল। পিছত গম পোৱা গ'ল যে এই কিটবোৰ পুৰুষৰ জোখতহে নিৰ্মাণ কৰা হৈছিল। বে-জোখৰ কিটৰ বাবেই বহু মহিলা স্বাস্থ্য কৰ্মীৰ জীৱনলৈ দুৰ্দশা আহি পৰিছিল। হতাশাগ্ৰস্ত মানুহক মহিলা মনোৰোগ বিশেষজ্ঞসকলে ৰেডিঅ', টি ভি, বাতৰি কাকত আদিৰ দৰে প্ৰচাৰ মাধ্যমেৰে নানা ধৰণৰ দিহা-পৰামৰ্শ দি সহায় কৰিছিল। তেওঁলোকৰ সংবেদনশীলতাই বহুত মানুহক সাহস যোগাইছিল। বিষাণু পৰীক্ষাগাৰসমূহত বহুতো মহিলা চিকিৎসকে ৰাতিক দিন কৰি ৰোগৰ পৰীক্ষা কৰি ফলাফল দিয়াত ৰোগ নিয়ন্ত্ৰণ কৰিবলৈ সুবিধা হৈছিল।

পৃথিৱীৰ অৰ্দ্ধ সংখ্যক মানুহেই (৪৭%) বিশ্বাস কৰে যে পুৰুষসকলহে ভাল ৰাজনীতিবিদ আৰু নেতা। কিন্তু Economic Policy Research ৰ তথ্য মতে ডেনমাৰ্ক, ফিনলেণ্ড, জাৰ্মানী, নিউজিলেণ্ড, ইথিউপিয়া, শ্লোভানিয়া আদি দেশে অতিমাৰীক প্ৰথম অৱস্থাতেই ৰাজহুৱা স্বাস্থ্য ব্যৱস্থা, স্বচ্ছতা, সহানুভূতি আৰু সমব্যথাৰে সঁহাৰি জনাই

কৃতকাৰ্য হৈছিল। আগতীয়া নীতি লোৱাৰ বাবেই ই সম্ভৱ হৈছিল। এই দেশকেইখনৰ শাসনৰ মুৰব্বী কেইগৰাকী হ'ল মহিলা। এই কৃতকাৰ্য্যতাই বৈষম্যমূলক সামাজিক আচৰণৰ পৰা পুৰুষসকলক নাৰী সম্বন্ধে অলপ হ'লেও নতুনকৈ চিন্তা কৰিবলৈ শিকাব বুলি আশা কৰিব পাৰি।

বিজ্ঞানৰ ক্ষেত্ৰত মহিলাৰ বিশেষ ভূমিকা নাই বুলি ভবা লোকক এইবাৰ কোভিড-১৯ প্ৰতিষেধক উৎপাদনত মহিলা গৱেষিকাই ভালকৈয়ে প্ৰত্যুত্তৰ দিছে। এনেকুৱা এটা প্ৰতিষেধক এতিয়ালৈকে ওলোৱা নাই য'ত মহিলাই মুখ্য ভূমিকা লোৱা নাই। অক্সফোৰ্ড বিশ্ববিদ্যালয়ে আৱিষ্কাৰ কৰা 'এষ্ট্ৰজেনেকা' নামৰ প্ৰতিষেধকবিধ উলিওৱাত মুখ্য ভূমিকা লৈছে চাৰাহ গিলবাৰ্ট নামৰ তিনি সন্তানৰ মাতৃ গৰাকীয়ে। 'নভামেক্স' নামৰ আমেৰিকাৰ পৰা উলিওৱা প্ৰতিষেধকবিধৰ দায়িত্বত আছে নীতা পেটেল। তেওঁৰ দলটোৰ আটাইকেইগৰাকীয়েই মহিলা বৈজ্ঞানিক। ভাৰত বায়টেকে উলিওৱা 'কভাক্সিন' নামৰটোত মুখ্য ভূমিকা লোৱা মহিলাগৰাকী হ'ল কে, সুমাঠি। ঠিক সেইদৰে আমেৰিকা, চীন, ৰাচিয়া আদিৰ পৰা উলিওৱা প্ৰতিষেধকৰ দায়িত্বতো মহিলা বৈজ্ঞানিক। মহিলা বৈজ্ঞানিকৰ এনে অৱদান বিশ্ববাসীয়ে সদায় মনত ৰাখিব বুলি আশা কৰিব পাৰি।

■■

***"Freedom cannot be achieved unless women have been emancipated from all forms of oppression."***

**— Nelson Mandela**





# দুগৰাকী গৰীয়সী নাৰী - এক চমু অৱলোকন

মণিকা দেৱী
মুৰব্বী অধ্যাপিকা, ৰসায়ন বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়





আজি ২০২১ বৰ্ষৰ ৮ মাৰ্চ। সমগ্ৰ বিশ্বত প্ৰত্যেক বছৰেই এই তাৰিখটো আন্তৰ্জাতিক নাৰী দিৱস হিচাপে পালন কৰি আহিছে। এই দিৱস পালনৰ জৰিয়তে মহিলাসকলে সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক তথা ৰাজনৈতিক বিকাশৰ বাবে আগবঢ়াই যোৱা অৱদানক প্ৰশংসা আৰু স্মৰণ কৰা হয়। তাৰোপৰি মহিলাৰ প্ৰগতি আৰু সম অধিকাৰৰ বাবে এই দিৱস উদ্‌যাপনৰ জৰিয়তে বিভিন্ন বিষয় প্ৰসঙ্গ (Theme) লৈ আলোচনা, সভা-সমিতি অনুষ্ঠিত হয়। এই আপাহতে আমিও আজি আন্তৰ্জাতিক খ্যাতিসম্পন্ন দুগৰাকী মহীয়সী নাৰীয়ে সমাজ জীৱনলৈ আগবঢ়াই যোৱা প্ৰভুত অৱদান সম্পৰ্কে খুউব চমুকৈ আলোচনা কৰিব খুজিছোঁ।

ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে খুউব কম সংখ্যক ভাৰতীয় মহিলাইহে চিকিৎসা বিজ্ঞান অধ্যয়নত খোজ পেলাবলৈ সক্ষম হৈছিল। আনন্দীবাই যোশী আছিল ইয়াৰ বাটকটীয়া। কিন্তু মহিলা হৃদৰোগ বিশেষজ্ঞ হিচাপে খ্যাত প্ৰথম গৰাকী ভাৰতীয় মহিলা চিকিৎসক হৈছে ডাঃ এচ্ পদ্মাৱতী। তেখেতৰ সম্পূৰ্ণ নাম হ'ল ডাঃ পদ্মাৱতী শিৱৰামা কৃষ্ণা আয়াৰ (Dr. Padmavati Sivarama Krishna Iyer)। ১৯৫৩ চনত দিল্লীৰ "All Women's Lady Harding Medical College"ত শিক্ষক হিচাপে যোগদান

কৰা ডাঃ পদ্মাৱতী এবছৰৰ ভিতৰতে ঔষধ চিকিৎসা বিজ্ঞান বিভাগ (Department of Medicine)ৰ অধ্যাপক হয়গৈ। National Academy of Medical Science ফেল' এইগৰাকী নাৰী ১৯৬৬ চনত দিল্লীত আয়োজিত পঞ্চম World Congress of Cardiologyৰ সভাপতি আছিল। সেই সময়ত হৃদৰোগৰ মহিলা চিকিৎসক নাছিল যদিও তেওঁৰ তত্ত্বাৱধানত বহুতো চিকিৎসক এই দিশত অগ্ৰসৰ হৈছিল। এক বিশেষ সাক্ষাৎকাৰত তেওঁ নিজেই স্বীকাৰ কৰি গৈছে যে চিকিৎসা বিজ্ঞানত বহু ছাত্ৰ-ছাত্ৰীয়ে হৃদৰোগ বিশেষজ্ঞ হিচাপে স্বীকৃতি পাবলৈ সক্ষম হৈছে। সংক্ৰামক (Infectious) ৰোগবোৰ দমন কৰি দীৰ্ঘায়ু হোৱা আৰু মানুহৰ জীৱন শৈলী (Lifestyle) পৰিবৰ্তনৰ ফলত সৃষ্টি হোৱা উচ্চ ৰক্ত চাপ (High blood pressure), মেদবহুলতা (Obesity) আৰু শৰীৰত কলেষ্টাৰ'ল (Cholesterol) ৰ মাত্ৰা বাঢ়ি যোৱাটোৱেই হৃদৰোগৰ মুখ্য কাৰণ বুলি তেওঁ উল্লেখ কৰি গৈছে। সাধাৰণ লোকক শিক্ষিত কৰি ৰোগ প্ৰতিৰোধৰ প্ৰকৃত শিক্ষা দিব পাৰিলেহে এই ৰোগ নিবাময় কৰাটো সম্ভৱ হ'ব বুলি তেওঁৰ এক আচুতীয়া সাক্ষাৎকাৰত ব্যক্ত কৰিছে।

ভাৰত চৰকাৰৰ নিৰ্দেশ মৰ্মে ১৯৬৭ চনত ডাঃ পদ্মাৱতীয়ে মৌলানা আজাদ চিকিৎসা মহাবিদ্যালয় (Maulana Azad Medical College) ত ডাইৰেক্টৰ প্ৰিন্সিপাল (Director Principal) ৰ পদত যোগদান কৰিছিল। এই কলেজতে হৃদৰোগ সম্বন্ধীয় এটা বিভাগ তেওঁৰ চেষ্টাতেই প্ৰতিষ্ঠা হৈছিল আৰু স্নাতকোত্তৰ মহলাত Doctor of Medicine in Cardiologyৰ ডিগ্ৰী প্ৰদানৰ ব্যৱস্থা কৰিছিল। All India Heart Institute প্ৰতিষ্ঠাৰ গুৰি ধৰোঁতা এই মহীয়সী নাৰীগৰাকীয়েই ইয়াৰ প্ৰতিষ্ঠাপক সভাপতি (Founder President) ৰ পদ অলংকৃত কৰাৰ সুযোগ পাইছিল। অৱসৰৰ পিছত ডাঃ পদ্মাৱতীয়ে দিল্লীস্থিত National Heart Institute ৰ কাৰ্য পৰিচালকৰ পদত যোগদান কৰে। World Heart Foundation এ ২০০০ চনৰ পৰা প্ৰতি বছৰে ২৯ চেপ্তেম্বৰত পালন কৰি অহা বিশ্ব হৃদয় দিৱস (World Heart Day) এই মহিলাগৰাকীৰ সহযোগতেই ভাৰতবৰ্ষতো অনুষ্ঠিত হৈ আহিছে। এই দিৱসৰ দিনা সাধাৰণ জনতাক হৃদয় সম্বন্ধে সজাগ কৰিবলৈ বিশেষ বিষয় প্ৰসংগ (Theme) কিছুমান লৈ আলোচনা চক্ৰ, সভা-সমিতি আদি অনুষ্ঠিত হয়।

পূৰ্বৰ বাৰ্মা দেশ (বৰ্তমান ম্যানমাৰ)ত ১৯১৭ চনৰ ২০ জুনত জন্মগ্ৰহণ কৰা পদ্মাৱতীৰ দুগৰাকী ভগ্নী আৰু তিনিজন ককায়েক আছিল। পিতৃৰ লগতে তেওঁৰ এজন ককায়েকও বেৰিষ্টাৰ আছিল। অত্যন্ত মেধাৱী এইগৰাকী নাৰী বাৰ্মাৰ মাৰগুই (Margui) নামৰ অঞ্চলত ডাঙৰ দীঘল হৈছিল। দ্বিতীয় মহাযুদ্ধৰ সময়ত নিজৰ জন্মভূমি ত্যাগ কৰা পদ্মাৱতীয়ে সেই সময়ত Rangoon Medical College পৰা চিকিৎসা বিজ্ঞানৰ ডিগ্ৰী লাভ কৰিছিল। পিছত তেওঁ ইউ কে (UK) আৰু চুইডেনৰ পৰা চিকিৎসা বিজ্ঞানৰ শিক্ষা সমাপ্ত কৰে। Royal College of Physicianৰ ফেল' হিচাপে ১৯৪৯ চনত তেওঁ লণ্ডন আৰু এডিনবাৰ্গলৈ যাত্ৰা কৰিছিল। Dr Helen Taussig (He was pioneered in the first surgeries on 'blue babies')ৰ লগত শল্য চিকিৎসাৰ শিক্ষাগ্ৰহণ কৰি ১৯৫২ চনত Havard Medical School লৈ





যায়। অতি সৌভাগ্যৱতী এই নাৰীগৰাকীয়ে আধুনিক হৃদয় চিকিৎসাৰ বাটকটীয়া Dr. Paul Dudley White ৰ লগত কাম কৰাৰও সুযোগ পাইছিল। হিন্দী, তামিল, বাৰ্মিজ, তেলেগু, মালায়ালম, ইংৰাজী, জাৰ্মান আৰু ফ্ৰেঞ্চ ভাষাত প্ৰচুৰ দখল থকা পদ্মাৱতী ১৯৫৩ চনত ভাৰতবৰ্ষলৈ ঘূৰি আহে। ভাৰত চৰকাৰে প্ৰদান কৰা পদ্মভূষণ (১৯৬৭ চন), পদ্ম বিভূষণ (১৯৯২ চন) বঁটা লাভ কৰা এই বিদুষী নাৰীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ অংশ হিচাপে ভাৰতীয় ডাক বিভাগে ২০১৭ চনত চিঠিৰ খাম মুকলি কৰে। কেৱল ৰোগী আৰু চিকিৎসা বিজ্ঞানৰ গৱেষণাত ব্ৰতী হৈ থকা ডাঃ পদ্মাৱতী অবিবাহিত আছিল। ১০৩ বছৰীয়া এই চিকিৎসক গৰাকীয়ে ২০২০ চনৰ ২৯ আগষ্টত কভিড - ১৯ ৰোগত আক্ৰান্ত হৈ দিল্লীৰ National Heart Instututeত মৃত্যুবৰণ কৰে। ৰোগত আক্ৰান্ত হোৱাৰ আগলৈকে সক্ৰিয় হৈ থকা এই অগ্ৰণী নাৰীগৰাকীৰ শেষকৃত্য নতুন দিল্লীৰ পাঞ্জাবী বাগ (Punjabi Bagh) শ্মশানত সম্পন্ন কৰা হয়।

ডাঃ পদ্মাৱতী 'God Mother of Cardiology' হিচাপেই জনাজাত আছিল। তেখেতৰ মৃত্যু ভাৰতীয় সাধাৰণ জনতাৰ বাবে এক অপূৰণীয় ক্ষতি।

আন্তৰ্জাতিক খ্যাতিসম্পন্না অন্য এগৰাকী নাৰীকো আজিৰ এই দিনটোত স্মৰণ কৰিব বিচাৰিছোঁ। ভাৰতবৰ্ষত সমবায় আন্দোলনৰ গুৰিধৰোঁতা, ভাৰতৰ সাংস্কৃতিক ক্ষেত্ৰৰ উত্তৰণত প্ৰভূত অৰিহণা যোগোৱা ব্যক্তি, লিঙ্গবৈষম্য দূৰীকৰণ আৰু নাৰীৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে নিজৰ জীৱন অহোপুৰুষাৰ্থ কৰা মহিলা স্বাধীনতা সংগ্ৰামী, অভিনেত্ৰী হিচাপেও সফল সেই নাৰীগৰাকীৰ নাম হ'ল ভাৰত বিভূষণ কমলা দেৱী চট্টোপাধ্যায়।

মাক-দেউতাকৰ জৰিয়তে কমলা দেৱীয়ে বাল্যকালতে গোপালকৃষ্ণ গোখলে, এনি বেচান্ত, গোবিন্দ ৰানাদে আৰু বহুতো সংগ্ৰামী নেতাৰ সান্নিধ্য লাভ কৰাৰ সুযোগ পাইছিল। এই নেতাসকলৰ দ্বাৰা আকৃষ্ট হৈ ১৯২৩ চনত তেওঁ 'সেৱা দল'ত যোগদান কৰিছিল। ১৯৩০ চনত মহাত্মা গান্ধীয়ে লোণ সত্যাগ্ৰহৰ কাৰণে গঠন কৰা সাতজনীয়া দলটোত কমলাদেৱীক অন্তৰ্ভুক্ত কৰা হৈছিল। প্ৰথম অৱস্থাত এই দলটোৰ দায়িত্ব মহিলাক দিয়া হোৱা নাছিল। কিন্তু এই আন্দোলনত যে মহিলাৰ সক্ৰিয় অংশগ্ৰহণ সমানেই প্ৰয়োজন সেই কথা কমলাই যুক্তিৰে গান্ধীক সৈমান কৰিব পাৰিছিল। সমাজবাদ ভাৱধাৰাত বিশ্বাসী কমলাদেৱী আছিল বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা প্ৰথম ভাৰতীয় মহিলা। কেৱল মাত্ৰ ৫৫ টা ভোটৰ ব্যৱধানত পৰাজিত হোৱা কমলাই অৱশ্যে পিছলৈ নিৰ্বাচনত অৱতীৰ্ণ হোৱা নাছিল।

এই নাৰীগৰাকীৰ প্ৰচেষ্টাতেই দেশ বিভাজনৰ সময়ত পাকিস্তানৰ পৰা অহা শৰণাৰ্থীসকলক পুনৰ সংস্থাপনৰ কাৰণে দিল্লীৰ ওচৰৰ ফৰিদাবাদত নতুন চহৰ নিৰ্মাণ হৈছিল। মন কৰিবলগীয়া কথাটো হ'ল যে সেই সময়ত নেহৰু, গান্ধী কোনোজনেই এইক্ষেত্ৰত সহমত প্ৰকাশ কৰা নাছিল। তথাপি কমলাদেৱী আৰু তেওঁৰ সহযোগীসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবেই চৰকাৰে ফৰিদাবাদত মাটিৰ আবণ্টন দিবলৈ বাধ্য হৈছিল। এই চহৰ নিৰ্মাণত চৰকাৰে কোনো অৰ্থ সাহায্যও প্ৰদান কৰা নাছিল। সেয়ে আৰ্থিক স্বচ্ছলতাৰ বাবে এইনাৰীগৰাকীৰ উদ্যোগতেই গঠিত হৈছিল সমবায় গৃহ নিৰ্মাণ সমিতি, ভাৰতীয় সমবায় ইউনিয়ন

ইত্যাদি। ফৰিদাবাদৰ উপৰিও তেওঁ জয়পুৰ, সতৰপুৰ আদি ঠাইও ভগনীয়া সংস্থাপনৰ স্থানলৈ সম্প্ৰসাৰিত কৰিছিল।

মহিলা সবলীকৰণত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা কমলা দেৱীয়ে মহিলাসকলক ব্যৱহাৰিক অৰ্থত শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বুজাবলৈ তেওঁলোকৰ মাজত 'বিদ্যাই সেৱা', এই মহামন্ত্ৰৰ প্ৰচাৰ আৰম্ভ কৰিছিল আৰু শিক্ষা সম্পৰ্কে সজাগ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল। এইগৰাকী মহিলাৰ উদ্যোগতে ১৯৩২ চনত Lady Irwin College প্ৰতিষ্ঠা হৈছিল। সাৰদা আইন বিধি (Prevention of Child Marriage Act) ত থকা সুৰুঙাবোৰ বন্ধ কৰিবলৈ এই বিদুষী মহিলাগৰাকীৰ উদ্যোগত যথেষ্ট চিন্তা-চৰ্চা আৰম্ভ হৈছিল।

১৯২৭ চনত সদৌ ভাৰত মহিলা সন্মিলনৰ প্ৰথম সচিব হিচাপে দায়িত্ব লাভ কৰা কমলা দেৱীয়ে মহিলাৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে মূলতঃ দুটা দিশত কাম কৰিছিল। সেয়া হৈছে —

লিংগ বৈষম্য দূৰীকৰণ/নাৰীসকলৰ জীৱন ধাৰণৰ মান উন্নতকৰণ।

কমলাদেৱীৰ প্ৰচেষ্টাত মৃতপ্ৰায় বয়ন শিল্পক পুনৰোদ্ধাৰ কৰাটো সম্ভৱ হৈছিল। উৎসৱে-পাৰ্বনে মহিলাই পৰিধান কৰা জামদানী, কাঞ্জিভৰম আদি অতি চহকী কিন্তু মৃতপ্ৰায় বয়ন শিল্প আজিকোপতি বৰ্তি থকাৰ গুৰিতেই মহীয়সী কমলা দেৱীকেই নিশ্চয়কৈ শ্ৰদ্ধাৰে সুঁৱৰিব লাগিব। বয়ন শিল্পৰ উদ্ধাৰৰ হকে তেওঁ আগ্ৰহী মহিলাসকলৰ গোট গঠন কৰিছিল। বিভিন্ন স্থানলৈ গৈ তেওঁ মহিলা বয়ন শিল্পীসকলক উৎসাহিতও কৰিছিল। All India Handicraft Board গঠন কৰাত কমলা দেৱীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল আৰু এই বৰ্ডৰ প্ৰথম সভাপতিও নিৰ্বাচিত হৈছিল। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত Craft Museum গঠন কৰা কমলাই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশলৈ গৈ ইবিলাকৰ চুকে কোণে থকা কলা-সংস্কৃতি, শিল্পৰ তথ্য সংগ্ৰহ কৰিছিল। এই তথ্যসমূহ তেখেতৰ দ্বাৰা লিখিত গ্ৰন্থসমূহত সুন্দৰকৈ লিপিবদ্ধ কৰি থৈ গৈছে। তেওঁ লিখা বিশ (২০) খনৰো অধিক গ্ৰন্থ প্ৰকাশিত হৈছে। এইবিলাকৰ ভিতৰত — The Glory of Indian Handi Craft; Inner Recesses, Outer Space; Indian Embroidery; Indian Craft's Tradition; Indian Women's Battle for Freedom আদি অন্যতম।

ভাৰতৰ শিক্ষা মন্ত্ৰালয়ে ১৯৫২ চনত প্ৰতিষ্ঠা কৰা 'সংগীত নাটক অকাডেমী' (Sangeet Natak Academy) ৰ Vice Chairman পদ অলংকৃত কৰা কমলা দেৱীয়ে সময়ৰ সোঁতত লুপ্ত হৈ যাব খোজা বহুতো শাস্ত্ৰীয় সংগীত (গজল, থুমৰি, ধ্ৰুপদ ইত্যাদি) উজ্জীৱিত কৰি তুলিলে, যিবিলাক সংৰক্ষিত ৰূপত এই অনুষ্ঠানৰ জৰিয়তে এতিয়াও বৰ্তি আছে। নাটক, চিত্ৰাংকণ, ভাস্কৰ্যৰ ক্ষেত্ৰতো ভাৰতবৰ্ষ অতীজৰে পৰাই চহকী আছিল যদিও সময়ৰ সোঁতত এনে বহু কৰ্ম ম্লান হৈ পৰিছিল। 'সংগীত নাটক অকাডেমী'ৰ মাধ্যমেৰে এই সকলোবোৰৰ পুনৰুত্থান তেওঁ সম্ভৱ কৰি তুলিছিল।

National School of Drama কমলা দেৱীৰ চিন্তা ধাৰাতেই গঢ় লৈ উঠিছিল। এই অনুষ্ঠানৰ মাধ্যমেৰে ভাৰতৰ নাট্য জগতলৈ আমূল পৰিৱৰ্তনৰ সূচনা হ'ল। তেওঁ নিৰ্দিষ্ট বিষয়সূচীৰে, বৃত্তিগত প্ৰশিক্ষণেৰে নাট্যকলাক আঞ্চলিক ৰূপৰ পৰা ৰাষ্ট্ৰীয়কৰণ কৰাৰ যি প্ৰচেষ্টা হাতত লৈছিল, তাৰ ফলস্বৰূপে NSD ৰ স্নাতকসকলে সাংগঠনিক





ৰূপত পৰিৱেশন কৰা নাটক আমি উপভোগ আৰু উপলব্ধি কৰিবলৈ সুযোগ পাইছো। আৰু এক মন কৰিব লগা কথা যে ভাৰতীয় শিক্ষিত মহিলাসকলৰ মাজত কমলা দেৱী হ'ল প্ৰথম নাট্যশিল্পী। নাটক জনপ্ৰিয় কৰিবলৈ এইগৰাকী শিল্পীয়ে নাট্য দল গঠন কৰি দেশৰ প্ৰান্তৰে প্ৰান্তৰে নাটক পৰিৱেশন পৰ্যন্ত কৰিবলৈ ঘূৰি ফুৰিছিল। কে.এল, ছাইগলৰ সৈতে 'তানছেন' ছবিত অভিনয় কৰাৰ উপৰিও আন কেইবাখনো ছবিত তেওঁ অভিনয় কৰিছিল।

কমলা দেৱীয়ে মৃত্যু পৰ্যন্ত সোণ-ৰূপৰ অলংকাৰৰ পৰিবৰ্তে জনজাতীয় তিৰোতাসকলে পৰিধান কৰা অলংকাৰ পিন্ধি তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা আৰু সন্মান প্ৰদৰ্শন কৰিছিল।

সুবক্তা হিচাপেও পৰিচিত কমলা দেৱীয়ে মহিলাসকলক সজাগ আৰু সচেতন কৰিবলৈ দেশৰ চুকে-কোণে ঘূৰি ফুৰি সুন্দৰ বক্তৃতাৰে তেওঁলোকক আপ্লুত কৰাৰ চেষ্টাত আজীৱন ব্ৰতী হৈ আছিল। এই মহীয়সী নাৰীগৰাকীৰ কিন্তু নিজৰ পাৰিবাৰিক জীৱন অতি বিষাদগ্ৰস্ত আছিল। ১৯০৩ চনৰ ৩ এপ্ৰিলত মাদ্ৰাজৰ মাংগালোৰ (বৰ্তমান কৰ্ণাটক)ৰ এটা সৰস্বতী ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰা কমলাৰ দেউতাক আনন্থায়া ধাৰেশ্বৰ (Annathaya Dhareswar) মাদ্ৰাজ প্ৰেচিডেঞ্চিত ডিষ্ট্ৰিক্ট কালেক্টৰ (District Collector) ৰ পদৱীত কৰ্মৰত আছিল। অতি কম বয়সতে দেউতাক আৰু বায়েকক হেৰুৱাৰ পিছত, সমাজত চলি থকা কিছুমান নিয়মৰ দোহাই দি তেওঁলোক নিজৰ সা-সম্পত্তিৰ অধিকাৰৰ পৰাও বঞ্চিত হৈছিল। এনে অৱস্থাত কাৰো পুতৌৰ পাত্ৰ নোহোৱাকৈ তেওঁ মাকৰ সৈতে স্বাধীনভাৱে থাকিবলৈ লয়। কমলা দেৱীয়ে মাকৰ পৰা পোৱা প্ৰথম ব্যৱহাৰিক শিক্ষা আছিল - "নাৰী দুৰ্বল হ'ব নালাগে। লাগে মাথো সাহস আৰু ইচ্ছা।" স্কুলত পঢ়ি থাকোতেই মাত্ৰ চৈধ্য বছৰ বয়সতে তেওঁ কৃষ্ণ ৰাও (Krishna Rao, ১৯১৭-১৯১৯) নামৰ এজন লোকৰ লগত বিবাহ হয় যদিও খুব কম সময়ৰ ভিতৰতে স্বামীক হেৰুৱাব লগাও হয়। সেই সময়ত উদাৰ আৰু প্ৰগতিশীল দৃষ্টিভংগীৰ শহুৰেকে (সেই সময়ত বিধৱাৰ পঢ়া-শুনাত বাধা আছিল।) কমলাক শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত কৰাটো দূৰৈৰ কথা, পুনৰ বিবাহৰ কাৰণেহে উৎসাহিত কৰিছিল।

মাদ্ৰাজৰ Queen Mary College ত পঢ়া-শুনা কৰা এইগৰাকী উদ্যমী মহিলাই লণ্ডনৰ Bedford College ৰ পৰা সমাজতত্ত্ব বিষয়ত ডিপ্লমা লাভ কৰিছিল। সংগীত নাটকত ৰাপ থকা এইগৰাকী নাৰীয়ে কলেজত পঢ়ি থকাৰ সময়তে হাৰিন (Harindra Nath Chattopadhyay, ১৯২২-২৯৫৫) নামৰ যুৱক এজনক লগ পায়। এই যুৱকজনো সংস্কৃতিৱান আছিল। তেওঁলোক দুয়ো মিলি হাস্য-ব্যঙ্গ মঞ্চাভিনয় কৰিবলৈ লৈছিল আৰু পিছত এই যুৱকজনকে তেওঁ বিয়া কৰাইছিল। অৱশ্যে এই বিবাহো দীৰ্ঘস্থায়ী হোৱা নাছিল। এওঁলোকৰ সন্তানৰ নাম আছিল ৰামকৃষ্ণ চট্টোপাধ্যায় (Ramakrishna Chatto-padhyay)। ভাৰত চৰকাৰে প্ৰদান কৰা পদ্মভূষণ (১৯৫৫) আৰু পদ্মবিভূষণ (১৯৮৭) সন্মানেৰে তেওঁ বিভূষিতা হৈছিল। ১৯৬৬ চনত ৰেমন মেগ্‌চেচে (Ramon Magsaysay) বঁটাৰে সন্মানিত হোৱাৰ উপৰিও কমলা দেৱীয়ে সংগীত-নাটক অকাডেমীৰ 'ৰত্ন সদস্য' আৰু শান্তি নিকেতন বিশ্ববিদ্যালয়ে আগবঢ়োৱা 'দেশিকোট্টম' বঁটা লাভ কৰিছিল। প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইৰ কাৰ্যকালত

National UNESCO বঁটা এইগৰাকী মহীয়সী নাৰীক প্ৰদান কৰা হৈছিল। ভাৰতবৰ্ষৰ হাতে লিখা সংবিধানৰ প্ৰতিলিপিত স্বাক্ষৰ কৰিবলৈ পোৱা স্বনামধন্য ব্যক্তিসকলৰ মাজৰ এগৰাকী আছিল কমলাদেৱী। এই কথা উল্লেখনীয় যে এই স্বাক্ষৰৰ জৰিয়তে ভাৰত চৰকাৰে কিছুমান বিশেষ ব্যক্তিৰ কৰ্মৰাজিক সন্মান আৰু স্বীকৃতি প্ৰদান কৰে।

ভাৰতবৰ্ষৰ সাংস্কৃতিক জীৱনলৈ প্ৰভূত অৱদান আগবঢ়াই যোৱা কমলা দেৱী চট্টোপাধ্যায়ে ১৯৮৮ চনৰ ২৯ অক্টোবৰত ৮৫ বছৰ বয়সত বাৰ্দ্ধক্যজনিত কাৰণত শেষ নিশ্বাস ত্যাগ কৰে।

এই দুগৰাকী মহীয়সী নাৰীৰ কৰ্ম শক্তি আৰু চিন্তাৰে যদি সমাজক উদ্বুদ্ধ কৰিব পৰা যায়, তেন্তে সামাজিক উত্তৰণৰ পথ আৰু এটা স্তৰলৈ আগবাঢ়ি যোৱাৰ সম্ভাৱনা নিশ্চয়কৈ নুই কৰিব নোৱাৰি।

■■

*স্বামী বিবেকানন্দই কৈছিল, "একটি ৰাষ্ট্ৰৰ অগ্ৰগতি জানাৰ সবচেয়ে ভাল উপায় হ'ল সেই ৰাষ্ট্ৰে নাৰীৰ অৱস্থান।"*

***"I measure the progress of a community with the degree of progress women have achieved."***

**— Dr B R Amedkar**

## প্ৰথম মহিলা প্ৰধান

বিশ্ব বাণিজ্য সংস্থাৰ (WTO) প্ৰথম মহিলা ডিৰেক্টৰ জেনেৰেল হ'ব নাইজেৰীয় অৰ্থনীতিবিদ অঁগোজি অকোঞ্জো - ইওৱেলা। ২৫ টা বছৰ তেওঁ বিশ্ববেংকৰ লগত জড়িত হৈ আছে আৰু সংস্থাটোৰ মেনেজিং ডিৰেক্টৰৰ দায়িত্বও পালন কৰিছিল।







# নাৰীহিতৈষী ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ

ড° দীপিকা ভট্টাচাৰ্য
সহযোগী অধ্যাপক, গণিত বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

"ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ ইমান মহান আৰু আমি ইমানেই ক্ষুদ্ৰ, তেওঁ ইমান পোন আৰু আমি ইমানেই বেঁকা যে তেওঁৰ নামোচ্চাৰণ আমাৰ কাৰণে অসম্ভৱ স্পৰ্ধা বুলি বিবেচিত হ'ব পাৰে" — ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ জীৱনী লিখিবলৈ গৈ এই মন্তব্য কৰিছিল ৰামেন্দ্ৰ সুন্দৰ ত্ৰিবেদীয়ে। ৰামেন্দ্ৰ সুন্দৰ ত্ৰিবেদীৰ দৰে নমস্য মানুহে যিটো কাম কৰিবলৈ দ্বিধাবোধ কৰিছিল আমাৰ নিচিনা নগণ্য এজনৰ বাবে তেনেকুৱা এটা কাম কৰাৰ কথা ভবাটোৱেই বোধ কৰোঁ অন্যায়। তথাপি যিহেতু বিদ্যাসাগৰক মই মানৱৰূপী ঈশ্বৰ বুলি ভাবোঁ, সেইকাৰণে অনধিকাৰ চৰ্চা বুলি জানিও বিদ্যাসাগৰৰ জন্মৰ দুশবছৰ পূৰ্তি উপলক্ষে মোৰ অপটু লেখাৰে তেওঁৰ প্ৰতি মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাবলৈ চেষ্টা কৰিম। বিদ্যাসাগৰৰ অগণিত কৰ্মৰাজিৰ ভিতৰত যি যি সিদ্ধান্ত বা কৰ্মই মোক সৰ্বাধিক প্ৰভাৱান্বিত কৰে তাৰেই কেইটামান সম্পৰ্কে মোৰ ব্যক্তিগত অনুভৱ আপোনালোকৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰিম। আজিৰ পৰা দুশ বছৰ আগতে পণ্ডিত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে সমাজৰ কুসংস্কাৰ দূৰ কৰিবলৈ যি যুঁজ আৰম্ভ কৰিলে, আজি একবিংশ শতিকাত আহিও আমি সেইবোৰৰ পৰা কিমান মুক্ত হ'ব পাৰিলোঁ সেই বিষয়ে মোৰ অনুভৱ লিখিবলৈ যত্ন কৰিম।

১৮২০ খ্ৰীষ্টাব্দৰ ২৬ ছেপ্টেম্বৰ তাৰিখে পণ্ডিত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ জন্ম হৈছিল। তেওঁৰ প্ৰকৃত নাম আছিল ঈশ্বৰ চন্দ্ৰ বন্দোপাধ্যায়, কিন্তু কেৱল বিদ্যাসাগৰ নামটোতেই জ্ঞানী, দাৰ্শনিক, শিক্ষাবিদ, লেখক, অনুবাদক, প্ৰকাশক আৰু সৰ্বোপৰি মানৱহৈতেষী এইজন মহামানৱক আমি চিনি পাওঁ। আমাৰ দেশৰ কুসংস্কাৰাচ্ছন্ন সমাজক এন্ধাৰৰ পৰা আলোকৰ পথত আগুৱাই লৈ যাবলৈ যিসকল মনীষীয়ে অহোপুৰুষাৰ্থ কৰিছিল, বিদ্যাসাগৰ তেওঁলোকৰ মাজত অন্যতম। কূপমণ্ডুক আচাৰ সৰ্বস্ব সমাজৰ অচলায়তন দূৰ কৰাৰ বাবে গোটেই জীৱন তেওঁ সচেষ্ট আছিল আৰু তাৰ বাবে তেওঁ অনেক কটু বাক্য তথা বিদ্ৰূপ সহ্য কৰিবলগা হৈছিল।

বিদ্যাসাগৰৰ চৰিত্ৰৰ দুটা প্ৰধান বৈশিষ্ট্য আছিল বিদ্যাচৰ্চা তথা অধ্যয়নৰ প্ৰতি অসীম নিষ্ঠা

আৰু সমাজৰ অবিচাৰৰ বাবে নিৰ্যাতিত মানুহৰ প্ৰতি অপৰিসীম কৰুণা। সেইকাৰণেই তেওঁ 'বিদ্যাসাগৰ' আৰু 'দয়াৰ সাগৰ' এই দুই উপাধিৰে বিভূষিত হৈছিল। যিহেতু সমাজৰ বিভিন্ন অবিচাৰৰ প্ৰত্যক্ষ চিকাৰ প্ৰধানতঃ নাৰীসকল, সেয়ে বিদ্যাসাগৰৰ সমাজ সংস্কাৰমূলক কামবোৰৰ অধিকাংশই আছিল নাৰীসকলক এই অন্যায়ৰ পৰা মুক্ত কৰাৰ উদ্দেশ্যে নিয়োজিত।

বিদ্যাসাগৰে অনুভৱ কৰিছিল যে শিক্ষাই কেৱল নাৰীসমাজক এই অবিচাৰৰ পৰা উদ্ধাৰ কৰিব পাৰে। সেই সময়ত সমাজৰ প্ৰচলিত ধাৰণা আছিল যে ছোৱালীয়ে পঢ়া-শুনা কৰিলে বিধবা হয়। বিদ্যাসাগৰে মানুহক ঘৰে ঘৰে গৈ নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা বুজাবলৈ প্ৰচেষ্টা আৰম্ভ কৰিলে আৰু ফলত সমাজৰ ৰক্ষণশীল আৰু প্ৰভাৱশালী লোকসকলৰ পৰা তেওঁ বিভিন্ন বাধাৰ সন্মুখীন হৈছিল। যিহেতু ধৰ্ম বা শাস্ত্ৰৰ নামত সাধাৰণ মানুহক ভীত-সন্ত্ৰস্ত কৰি এই অন্যায়বোৰ চলাই থকা হৈছিল, সেয়ে তেওঁ সমস্ত ধৰ্মশাস্ত্ৰ, বেদ-উপনিষদ অধ্যয়ন কৰি তাৰ পৰাই উপায় উদ্ভাৱন কৰিলে। ৰক্ষণশীল হিন্দু সমাজৰ লগত যুঁজিবলৈ ব্যৱহাৰ কৰিলে মনুসংহিতাৰ সেই অমোঘ মহামন্ত্ৰ ঃ "কন্যাপ্যেবং পালনীয়া শিক্ষণীয়াতিযত্নতঃ", অৰ্থাৎ কন্যা সন্তানক সযতনে পালন কৰি শিক্ষা দিব লাগিব। মানুহক নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে সচেতন কৰিবলৈ তেওঁ এক অভিনৱ উপায় অৱলম্বন কৰিলে। নাৰীসকলৰ যাতায়াতৰ বাবে ব্যৱহাৰ হোৱা পাল্কীৰ গাত মনুসংহিতাৰ এই বাক্যটো বিজ্ঞাপনৰ আকাৰত লিখি দিয়াৰ ব্যৱস্থা কৰি দিলে। কন্যা শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এনে এক প্ৰচেষ্টা সেইসময়ৰ কাৰণে সঁচাই অকল্পনীয়। ১৮৫৭ চনৰ পৰা ১৮৫৮ চনৰ ভিতৰত মাত্ৰ সাত-আঠ মাহত ৩৫খন বালিকা বিদ্যালয় স্থাপন কৰি চৰকাৰী অনুমোদনৰ অপেক্ষাত নৈ নাথাকি তেওঁ বিদ্যালয়বোৰ আৰম্ভ কৰি দিলে। নাৰীশিক্ষাৰ প্ৰসাৰৰ কাৰণে লোৱা প্ৰচেষ্টাৰ ফলত আজি আমাৰ নিচিনা যিসকল নাৰীয়ে শিক্ষাৰ সুযোগ লাভ কৰিলোঁ তেওঁলোক বিদ্যাসাগৰৰ ওচৰত চিৰকৃতজ্ঞ।

কিন্তু দুশ বছৰ আগতে বিদ্যাসাগৰে যি যুঁজ আৰম্ভ কৰিছিল, আমি তাক কিমান আগুৱাই লৈ যাবলৈ সক্ষম হৈছোঁ? আজি একবিংশ শতিকাতো আমি দেখিবলৈ পাওঁ নাবালিকা বিবাহ, নাবালিকাৰ সন্তান ধাৰণ, নাৰীৰ নিৰক্ষৰতা আৰু আধাতে বিদ্যালয় এৰি যোৱা ইত্যাদি সকলো অব্যাহত আছে। অধিকাংশ অভিভাৱকে পুত্ৰ আৰু কন্যা সন্তানৰ শিক্ষাৰ প্ৰয়োজনীয়তা সমান বুলি নাভাবে। তেওঁলোকৰ ধাৰণা এয়াই যে ল'ৰাই পঢ়া-শুনা কৰি অৰ্থ উপাৰ্জন কৰি পৰিয়ালৰ পোহপাল দিব লাগিব কিন্তু ছোৱালীৰতো তেনেকুৱা বাধ্য-বাধকতা নাই, ছোৱালীক বিয়া দিব লাগিব। ছোৱালীক নিজৰ ভৰিত থিয় হ'বলৈ শিক্ষা দিয়া নহয়। অথচ ছোৱালীৰ আত্মসন্মানবোধ আৰু ব্যক্তিত্ব গঢ়ি উঠিলে বধূ হত্যা, নাৰী নিৰ্যাতন, যৌতুকজনিত অপৰাধ, যৌন উৎপীড়ন ইত্যাদি মহিলাৰ প্ৰতি সংঘটিত অপৰাধ নিশ্চিতভাৱে বহুলাংশই হ্ৰাস পাব।

বিদ্যাসাগৰৰ কৰ্মৰাজিৰ মাজৰ পৰা দ্বিতীয় যি বিষয়ত আমি লিখিবলৈ চেষ্টা কৰিম সেইটো হ'ল বিধবা বিবাহৰ প্ৰচলন। বিদ্যাসাগৰে নিজে কৈছিল যে বিধবা বিবাহৰ প্ৰৱৰ্তন তেওঁৰ জীৱনৰ সৰ্বপ্ৰধান সৎকৰ্ম। কিন্তু এই সৎ কৰ্মটো কৰিবলৈ গৈ তেওঁক সমাজৰ বৃহৎ সংখ্যক অসৎ মানুহৰ লগত যুদ্ধ কৰিবলগা হৈছিল। তেওঁৰ এই মহৎ উদ্যোগ





বিফল কৰিবলৈ সমাজৰ তথাকথিত কৰ্তাসকলে বিধবা বিবাহৰ বিৰুদ্ধে শাস্ত্ৰৰ নিষেধ বাণী উত্থাপন কৰি সাধাৰণ মানুহক বিপথে পৰিচালিত কৰিবলৈ ধৰিলে। অসামান্য অধ্যয়ন কৰি বিদ্যাসাগৰে বিধবা বিবাহৰ সপক্ষে শাস্ত্ৰ বাক্য উদ্ধৃত কৰি এটা এটাকৈ সকলো কুযুক্তিবোৰ খণ্ডন কৰি মানুহক বুজালে। উদাহৰণ হিচাপে মই কেৱল এটা বিষয় উল্লেখ কৰিব বিচাৰোঁ। বিধবা বিবাহৰ বিৰুদ্ধাচৰণ কৰি সমাজপতি সকলোৱে প্ৰশ্ন কৰিলে যে বিধবাৰ পুনৰ্বিবাহৰ সময়ত তেওঁৰ গোত্ৰ কি হ'ব, কাৰণ যি ছোৱালীৰ এবাৰ বিবাহ হৈছে তেওঁৰ গোত্ৰ ইতিমধ্যেই পৰিৱৰ্তিত হৈ গৈছে। তেওঁলোকৰ মতে এবাৰ যি কন্যা সন্তানৰ বিবাহ হৈছে, দ্বিতীয় বিবাহৰ সময়ত তেওঁৰ গোত্ৰ কেনেকৈ নিৰ্ধাৰণ কৰা হ'ব? বিদ্যাসাগৰে শাস্ত্ৰ বচন উদ্ধৃত কৰি ক'লে যে মানুহৰ গোত্ৰ হ'ল তেওঁৰ বংশ অৰ্থাৎ বিশ্বামিত্ৰ, ভৰদ্বাজ, গৌতম, অত্ৰি, বশিষ্ঠ, কাশ্যপ ইত্যাদি কোন মুনিৰ বংশধৰ সেইটো নিৰ্ধাৰণ কৰে মানুহৰ গোত্ৰই। গতিকে ছোৱালীৰ বিয়া হ'লে গোত্ৰ কেনেকৈ পৰিবৰ্তিত হ'ব? তাই যি বংশত জন্মগ্ৰহণ কৰিছে সেইটোতো কেতিয়াও পৰিৱৰ্তিত হ'ব নোৱাৰে! গতিকে বিধবা বিবাহৰ সময়ত তেওঁৰ গোত্ৰ প্ৰথম বিবাহৰ সময়ত যি আছিল, সেই একেই থাকিব। সেই সময়ত অৰ্থাৎ আজিৰ পৰা দুশ বছৰ আগতে বিদ্যাসাগৰৰ এই মানসিকতাই সঁচাকৈ আমাক আচৰিত কৰি তোলে। আজিও আমি দেখোঁ বিয়াৰ পিছত ছোৱালীৰ উপাধি পৰিৱৰ্তন কৰা অৱশ্য কৰ্তব্য বুলি ধৰি লোৱা হয়। অথচ প্ৰত্যেক মানুহৰ জীৱনত এটাই নাম হোৱাটোৱে স্বাভাৱিক কথা, বিয়া হ'ল বুলি মানুহ এজনৰ পৰিচয় কেনেকৈ বেলেগ হৈ যাব? আচলতে মহিলাৰ নিজৰ এটা পৰিচয় থাকিব পাৰে বুলি সমাজে স্বীকাৰ কৰিব নিবিচাৰে। যি নহওক, বহু চেষ্টা কৰি অৱশেষত ১৮৫৬ চনৰ ২৬ জুলাই তাৰিখে বিধবা বিবাহ আইন সিদ্ধ হয়। কিন্তু সঁচাকৈয়ে আজিও বিধবা বিবাহ সমাজে মানি লৈছে নে? পুনৰ্বিবাহ দুৰৈৰ কথা, আজিও বিধবা মাকে সন্তানৰ বিবাহৰ কোনো মাঙ্গলিক কাৰ্যত অংশ ল'ব নোৱাৰে। কিন্তু জন্মদাত্ৰী আইতকৈ বেছি সন্তানৰ মঙ্গল কামনা জানো আন কোনোবাই কৰিব পাৰে? আচৰিত কথা এয়াই যে পুৰুষ মানুহ — তেওঁ বিবাহিত, সপত্নীক, বিপত্নীক বা অবিবাহিত যি নহওক কিয়, সমাজৰ চকুত তেওঁৰ মৰ্যাদা সদায় একে। কিন্তু নাৰীৰ ক্ষেত্ৰত? সধবা আৰু বিধবা নাৰীৰ মাজত সামাজিক অৱস্থানৰ আকাশ-পাতাল পাৰ্থক্য। আৰু অবিবাহিত কিন্তু সমাজৰ দৃষ্টিত বিয়াৰ বয়স পাৰ হৈ যোৱা মহিলাক যেন সকলোৱে কৰুণাৰ পাত্ৰ বুলি বিবেচনা কৰে, তেওঁ যেনিবা স্বনিৰ্ভৰশীল, তথাপিও! মহিলাৰ জীৱনত স্বামী হিচাপে এজন পুৰুষ নাথাকিলে জীয়াই থকাটোৱেই যেন অৰ্থহীন!

একেবাৰে শেষত আমি যিটো বিষয়ে লিখিবলৈ যত্ন কৰিম, সেইটো হ'ল বিদ্যাসাগৰৰ ধৰ্মচেতনা। তেওঁক বহুতে নাস্তিক আখ্যা দিছিল, কিয়নো ধৰ্মৰ কোনো বাহ্যিক আড়ম্বৰ তেওঁ পালন কৰা নাছিল। বিদ্যাসাগৰৰ মাতৃ ভগৱতী দেৱীয়ে তেওঁক কৈছিল — "দৰিদ্ৰ মানুহক দুমুঠি খুৱাব পাৰিলে পূজা নকৰিলেও হয়।" এয়াই জানো নাস্তিকতা? এবাৰ বিদ্যাসাগৰে মাকলৈ বুলি লেপ পঠিয়ালে, কিন্তু তেওঁ সেইখন ব্যৱহাৰ কৰিবলৈ অস্বীকাৰ কৰিলে কেৱল এই কাৰণে যে গাঁৱৰ বাকী মানুহে যদি লেপ নোলোৱাকৈ থাকিব পাৰে, তেনেহ'লে তেওঁ নিজেও লেপ নহ'লে থাকিব পাৰিব। বিদ্যাসাগৰে মাকৰ মনৰ কথা বুজিব পাৰি

মাকক সুধিলে যে ঠিক কিমানখন লেপ পঠিয়ালে সকলোকে দি তেওঁ নিজেও লেপ ব্যৱহাৰ কৰিব পাৰিব আৰু সেই অনুসৰি সকলোৱে কাৰণে লেপ পঠিয়ালে। এয়া যদি ধৰ্ম পালন কৰা নহয় তেন্তে ধাৰ্মিকতা কাক বোলে? আজি আমি দেখিবলৈ পাওঁ ধৰ্মৰ নামত কেৱল বাহ্যিক আড়ম্বৰ, য'ত যুক্তি, বুদ্ধি অথবা মানৱিকতাৰ যেন কোনো স্থান নাই। ৰাজকোষৰ কোটি কোটি টকা খৰচ কৰি নদীক পূজা কৰা হৈছে অথচ দেশত অসংখ্য শিশুৰ অপুষ্টি আৰু খাদ্যৰ অভাৱত মৃত্যু হৈছে।

বহুতেই হয়তো নিয়মিত পুৱা-গধূলি পূজা-অৰ্চনা কৰি অদৃশ্য দেৱতাক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰোঁ কিন্তু চকুৰ সন্মুখতে দৃশ্যমান বাৰ্দ্ধক্য জৰ্জৰিত পিতা-মাতা অথবা শাহু-শহুৰক অযত্ন আৰু অশ্ৰদ্ধা কৰিবলৈ দ্বিধাবোধ নকৰোঁ। পূজা কৰি উঠিয়েই হয়তো ঘৰৰ বনকৰা মহিলাগৰাকীক তাইৰ পৰা কোনো কাৰণ জানিবলৈ চেষ্টা নকৰি তাইৰ অনুপস্থিতিৰ বাবে ককৰ্থনা কৰোঁ। প্ৰকৃততে মানৱিকতাবৰ্জিত কেৱলমাত্ৰ আনুষ্ঠানিক ধৰ্ম পালন কৰি নিজৰ অথবা সমাজৰ কাৰোৰে বোধকৰোঁ কোনো উপকাৰ সাধন কৰিব নোৱাৰি।

আজিৰ পৰা দুশ বছৰ আগতে কুলীন ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰিও ধৰ্মৰ নামত সমাজত প্ৰচলিত সকলো ধৰণৰ অন্যায়, অবিচাৰ আৰু কুসংস্কাৰৰ বিৰুদ্ধে পণ্ডিত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে এককভাৱে যি যুদ্ধ কৰিছিল সেইটো তেওঁৰ অসাধাৰণ চাৰিত্ৰিক দৃঢ়তা, কৰ্মদক্ষতা আৰু অপৰিসীম মানৱপ্ৰেমৰ কাৰণেই সম্ভৱপৰ হৈছিল। সৰ্বসাধাৰণৰ কাৰণে হয়তো এনেকৈ কৰাটো সম্ভৱ নহয়। কিন্তু সেইবুলি আমি জানো হাত সাৱটি বহি থাকিম? আমি ভাবোঁ, আমাৰ প্ৰতিজন মানুহে যদি নিজৰ সাধ্যানুসৰি পৰহিতাৰ্থে কিবা এটা কৰিবলৈ চেষ্টা কৰোঁ, আপাত দৃষ্টিত সেয়া যিমানেই অকিঞ্চিতকৰ নহওক কিয়, তেনেকৈয়ে এই মহামানৱক প্ৰকৃত শ্ৰদ্ধা জ্ঞাপন কৰিব পাৰিম। বয়োজ্যেষ্ঠসকলক বা অসহায় মানুহক সহায় কৰি, অভুক্তজনক ক্ষুধাৰ অন্নৰ যোগান ধৰি, অভিভাৱক হিচাপে নিজৰ সন্তানক যুক্তিবাদী, বিজ্ঞানমনস্ক কৰি গঢ়ি তুলি লিঙ্গ সমতাৰ শিক্ষা দিবলৈ যত্ন কৰোঁ, তেতিয়াই মানুহ হিচাপে নিজৰ পৰিচয় দিব পাৰিম। এনেকৈ তিল তিলকৈ আমি এদিন সুসভ্য জাতিৰূপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিম। নিজৰ ধৰ্মপালনৰ অধিকাৰে কোনো কাৰণতেই যেন আনৰ অসুবিধা সৃষ্টি নকৰে, এই সজাগতাবোধ যেন আমাৰ মাজত থাকে।

■■

*"Men of High Quality Don't Fear Equality!"*

**— Kamla Bhasin**



TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM



## My Favourite Houseplants

# *Aglaonema* and *Dieffenbachia*

**Dr. Sanjukta Gohain Baruah**
Associate Professor
Department of Botany
Tinsukia College

*Aglaonema* is a genus of evergreen, erect, tufted, perennial plant and grown mainly for their beautiful foliage. They belong to the family Araceae. The name *Aglaonema* came from the Greek word Aglao and nema, which means 'shining tissue'. The name refers to the beautifully coloured and decorated leaves of various species. Most of the species originated from Malaysia, Indonesia, Philippines etc. Some beautiful species were cultivated in Europe in the 19th century. In recent years some crosses of originally wild species, the so called 'hybrid' have come from different countries. *Aglaonemas* are commonly called Chinese evergreen.

The Plants are generally 40 cm-60 cm tall and a few species and varieties are upto 90 cm - 120 cm tall. The leaves are long to lanceolate and beautifully and variously variegated, blotched or with spots. *Aglaonemas* are sensitive to extremes of temperature, remain dormant during winter. A mixture of sandy loam soil, cow dung, leaf mould and well drained soil is best for their growth.

Some beautiful varieties of *Aglaonemas* are as follows :-



***Aglaonema* 'Prosperity'** : It is a

অসমীয়া নাৰীৰ সামাজিক অৱস্থানৰ কথা বিশ্লেষণ কৰোঁতে বহুতে মত পোষণ কৰে যে ভাৰতৰ আন আন ঠাইতকৈ অসমত নাৰীৰ স্থান যথেষ্ট উন্নত আছিল। এই প্ৰসঙ্গত গুণাভিৰাম বৰুৱাৰ 'আছাম বুৰঞ্জীত' উল্লেখ আছে "এই দেশৰ স্ত্ৰীসকল উদ্‌যোগী আৰু পৰিশ্ৰমী। পুৰুযে সইতে প্ৰায় সমভাগে আৰ্জে আৰু গৃহকাৰ্য্যত লিপ্ত থাকে। এই হেতুকে অন্যন্য দেশতকৈ এই দেশীয় স্ত্ৰীসকল আপেক্ষাকৃত স্বাধীন।" (গুণাভিৰাম বৰুৱা, আসাম বুৰঞ্জী, গুৱাহাটী, ১৯৭২, পৃঃ ২০৫) প্ৰকৃততে মংগোলীয় সংস্কৃতি তথা জনজাতীয় প্ৰভাৱৰ বাবে আৰ্য হিন্দু সমাজৰ বহুতো কু প্ৰথা অসমত গা কৰি উঠিব নোৱাৰিলে। পণ প্ৰথা, সতীদাহ প্ৰথা ইত্যাদি নাছিল বাবেই অসমীয়া নাৰীসকলে ভাৰতৰ অন্যান্য বহু ঠাইতকৈ সন্মানজনক স্থান অধিকাৰ কৰিছিল। সেয়ে হ'লেও অসমৰ নাৰীয়েও, বিশেষকৈ বৰ্ণ হিন্দু সমাজৰ নাৰীসকলে, পুৰুযতান্ত্ৰিক মূল্যবোধ, নীতি আৰু আচৰণৰ বোজা মূৰ পাতি ল'বলগীয়া হৈছিল। অসমৰ পৰ্দা প্ৰথাৰ বিষয়ে বৰ্ণনা দি নলিনীবালা দেৱীয়ে কৈছে, "ডাঠ পৰ্দাৰ আৱৰণেৰে আৱৰি থোৱা এন্ধাৰ দিন। আজিৰ দিনৰ দৰে মাইকী মানুহবোৰ মুকলিমূৰীয়া হৈ ফুৰা আছিল অতি লাজৰ কথা। বিশেষকৈ ভদ্ৰ সমাজৰ ছোৱালী দহ এঘাৰ বছৰৰ পৰা ঘৰৰ বাজ ওলাব নোৱাৰে। বোৱাৰী জীয়ৰীৰ পৰা সকলো ভদ্ৰ মহিলা ভয়ানক পৰ্দা প্ৰথাৰ আঁৰত ঘৰৰ চুকত দিন কটাবলগীয়া হৈছিল। ... এই অলংঘনীয় পৰ্দা প্ৰথাৰ আঁৰত বহু নাৰীৰ জীৱন নিৰলে মৰহি গৈছে তাৰ লেখ কোনে লয়?" তেওঁ আকৌ কৈছে, "সেই সময়ত ভদ্ৰ ঘৰৰ ছোৱালীবোৰৰহে পৰ্দা প্ৰথা আছিল। সমাজৰ নিম্ন শ্ৰেণীৰ লোকৰ পৰ্দা প্ৰথা নাছিল আৰু যিসকলে

বাটত মুকলিভাৱেই চলাফুৰা কৰিছিল।” (নলিনীবালা দেৱী, ‘এৰি অহা দিনবোৰ’ — পৃষ্ঠা ১২)।

অৰ্থাৎ অসমৰ সমাজ ব্যৱস্থাত দুটা ভিন্ন ৰূপ প্ৰতিফলিত হৈছিল। বৰ্ণ হিন্দুসকল বা ডা-ডাঙৰীয়াসকলৰ মাজত প্ৰচলিত পৰ্দা প্ৰথা কিন্তু সাধাৰণ জনজাতীয় লোকসকলৰ মাজত প্ৰচলিত নাছিল। তথাপি নাৰীসকলৰ সামাজিক অৱস্থান পুৰুষৰ সমকক্ষ আছিল বুলিও ক'ব পৰা নাযায়।

যি কি নহওঁক, উনবিংশ শতিকাত এমুঠিমান নব্য শিক্ষিত অসমীয়াৰ মাজত নাৰীকেন্দ্ৰিক উদাৰনৈতিক চিন্তা-চৰ্চাই ক্ৰমে জনপ্ৰিয়তা লাভ কৰিবলৈ লয়। এইপ্ৰসঙ্গত হলীৰাম ঢেকিয়াল ফুকন, আনন্দৰাম ঢেকীয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা ইত্যাদিৰ নাম বিশেষভাৱে প্ৰণিধানযোগ্য। তাৰোপৰি বিংশ শতিকাৰ তৃতীয় দশকত মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা স্বাধীনতা আন্দোলনেও নাৰীসকলক স্বাধীন হোৱাৰ সুযোগ প্ৰদান কৰে। কাৰণ এই আন্দোলনৰ কাৰ্যসূচীৰ লগত নাৰী মুক্তি, নাৰী শিক্ষা ইত্যাদি নাৰী চেতনাৰ কথাবোৰ জড়িত হৈ আছিল। অসমীয়াৰ চিন্তা জগতত দেখা দিয়া এনে পৰিৱৰ্তনবোৰৰ আঁৰত মিছনেৰীসকলৰ প্ৰভাৱো বিশেষভাৱে উল্লেখনীয়। এনেদৰে উনবিংশ শতিকাৰ আৰম্ভণিৰে পৰা অসমত ক্ৰমান্বয়ে নাৰী চেতনাই প্ৰাণ পাই উঠিবলৈ লয়। ১২২৮ খ্ৰীঃত কনকলতা চলিহা আৰু কমলালয়া কাকতিৰ সম্পাদনাত প্ৰকাশিত মহিলা আলোচনী ‘ঘৰ জেউতি’ৰ তৃতীয় বছৰৰ ৪ ৰ্থ সংখ্যাত নাৰী চেতনা উজ্জীৱিত হোৱাৰ প্ৰসঙ্গত কমলালয়া কাকতিয়ে লিখিছিল, “আজি জগৎ জুৰি নাৰী জাগৰণৰ এক আন্দোলন চলিছে। চিৰদিনৰ উপেক্ষিতা পদদলিতা নাৰীয়ে আজি নিজৰ নায্য অধিকাৰ বুজি পাইছে। আজি নাৰীয়ে তাঁতশাল আৰু চৰু মাত্ৰ লৈ সন্তুষ্ট নহয়, সমাজ, শিক্ষা আৰু সাহিত্য সকলোতে পুৰুষৰ সমানে নাৰীৰো অধিকাৰ - এই সত্যক প্ৰতিপন্ন কৰিবলৈ স্বাৰ্থপৰ সমাজ আৰু তাৰ নিষ্ঠুৰ অনুশাসনৰ বিপক্ষে আজি নাৰীৰ এই যুদ্ধ ঘোষণা। সেই যুদ্ধৰ আহ্বান যে আপোনালোকৰ কাণতো পৰিছেহি আৰু আপোনালোকে সেই আহ্বানমতে কামত অগ্ৰসৰ হৈছে তাকে দেখি মই বৰ সুখী হৈছো।”

এনেধৰণৰ সামাজিক, ঐতিহাসিক পটভূমিৰ মাজেৰে অসমীয়া নাৰীৰ মাজত সৃষ্টি হৈছিল এক আত্মবিশ্বাসৰ আৰু সেই আত্মবিশ্বাসৰ ভিত্তিতে শিক্ষিত আৰু সচেতন অসমীয়া নাৰীয়ে বহল পৃথিৱীত খোজ পেলাইছিল আৰু এই দিশত অগ্নিকন্যা চন্দ্ৰপ্ৰভা শইকীয়ানীৰ অৱদানৰ উমান ল'বলৈ তেখেতৰ জীৱনৰ কেইটামান ঘটনা ইয়াত উল্লেখ কৰিব বিচাৰিছোঁ।

চন্দ্ৰপ্ৰভা শইকীয়ানী নগাঁও মিছন স্কুলত পঢ়ি থকাৰ সময়ৰে কথা। মিছ লং নামৰ খ্ৰীষ্টান মিছনেৰী এগৰাকীয়ে হেনো নতুন হিন্দু ছোৱালীক ধৰ্মান্তৰিত হ'বলৈ জোৰ কৰিছিল। ছোৱালীজনীৰ হৈ চন্দ্ৰপ্ৰভাৰ নেতৃত্বত হোষ্টেলৰ আনবোৰ ছাত্ৰীয়ে প্ৰতিবাদ কৰোঁতে, মিছ লঙে তৰ্কাতৰ্কিৰ মাজতে খঙৰ ভমকতে ক'লে, “তোমালোকে খাবলৈ নোপোৱা ভাৰতীয় কেইজনে গুদামঘৰতকৈ ভাল ঘৰত থাকিবলৈ পাইছানে? ভিতৰুৱা ঠাইত পশুৰ দৰে জীৱন-যাপন কৰা তোমালোক ভাৰতীয়বোৰক আমিয়েইটো শিক্ষাৰ পোহৰ বিলাইছো। তাৰ পাছতো ইমান কথা।” মিছ লঙৰ এনে নিন্দাসূচক মন্তব্য শুনি চন্দ্ৰপ্ৰভা ইয়াৰ প্ৰতিবাদত চিঞৰি উঠিল। “মেডাম আপুনি যদি এই কথাষাৰ প্ৰত্যাহাৰ নকৰে, আমি ইমান ডাঙৰ আন্দোলন কৰিম যে আপোনালোকে সুখেৰে ইয়াত স্কুল চলাই যাব নোৱাৰিব।” তাৰ পাছত সকলো ছাত্ৰীকে একত্ৰিত কৰি চন্দ্ৰপ্ৰভাই এনে এক আন্দোলন সংগঠিত কৰিছিল যে স্কুল কৰ্তৃপক্ষই তেওঁলোকৰ সকলোবোৰ দাবী মানি ল'বলৈ বাধ্য হৈছিল। আনকি মিছ লঙেও তেওঁৰ কথাষাৰ উঠাই ল'বলৈ বাধ্য হৈছিল। আচলতে মিছন স্কুলত দুটা ছাত্ৰী নিবাস আছিল। তাৰে ডাঙৰ দুমহলীয়াটোত খ্ৰীষ্টান ছাত্ৰী ৰখা হৈছিল। তাৰ বিপৰীতে সৰু এমহলীয়া ঘৰটো হিন্দু ছোৱালীৰ হোষ্টেল আছিল, য'ত বাৰ-চৈধ্যজনীমান ছাত্ৰীৰ বাবেহে আসন আছিল। আনহাতে চন্দ্ৰপ্ৰভাহঁত পলমকৈ অহাৰ বাবে হিন্দু হোষ্টেলত ঠাই নোজোৰাত হোষ্টেলৰ তত্ত্বাৱধায়ক মিছ লঙে তেওঁলোকক বাইবেল পঢ়োৱা সৰু শ্ৰেণীকোঠাটোতে থকাৰ ব্যৱস্থা কৰি দিছিল আৰু ঘটনাৰ লগত জড়িত ছোৱালীজনীক ৰখা হৈছিল আন এটা গুদাম ঘৰত। চন্দ্ৰপ্ৰভাৰ মানত এনে কাৰ্য ঘোৰ বৈষম্যমূলক যেন অনুভৱ হৈছিল। কাৰণ তেওঁৰ দৃষ্টিত স্কুলখনে শিক্ষণ প্ৰশিক্ষণ বিভাগটো খোলোতে যিহেতু চৰকাৰী সাহায্য লৈছিল সেয়ে, ধৰ্ম নিৰ্বিশেষে সকলো ছাত্ৰীয়ে সমান সুবিধা পোৱাটো উচিত। উপৰোক্ত ঘটনাটিত চন্দ্ৰপ্ৰভাৰ মনত থকা এই ক্ষোভৰ বহিঁপ্ৰকাশ ঘটিছিল। তেখেতৰ দৃষ্টিত মিছ লঙ আছিল যেন শোষকৰ প্ৰতীক আৰু হিন্দু ছাত্ৰীসকল শোষিতৰ। ইয়াৰ পৰাই উমান পাব পাৰি চন্দ্ৰপ্ৰভা শইকীয়ানীৰ স্পষ্টবাদিতা, সাহসিকতা তথা সমতাপূৰ্ণ দৃষ্টিভংগীৰ কথা। অৰ্থাৎ একেটা পৰিৱেশত সকলোৱে একেধৰণৰ মৰ্যাদা পোৱা উচিত।

সেইদৰে তেখেতৰ জীৱনৰ লগত জড়িত আন এটি গুৰুত্বপূৰ্ণ ঘটনাই আমাক সমতাৰ কথা সোঁৱৰাই দিয়াৰ লগতে নাৰী জাগৰণৰ বাটো মুকলি কৰি থৈ গৈছে। ঘটনাটো ঘটিছিল ১৯২৫ চনত নগাঁৱত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ মুকলি অধিবেশনত। এই অধিবেশনৰ নিমন্ত্ৰিত অতিথিৰ আসনত অন্যান্যসকলৰ লগতে আছিল কোমলবয়সীয়া চন্দ্ৰপ্ৰভা শইকীয়ানী। নাৰীৰ স্বাধীনতা, নাৰীৰ মৰ্যাদা তথা নাৰীৰ শিক্ষাৰ বাবে অহোপুৰুষাৰ্থ কৰা এইগৰাকী নাৰীয়ে ‘হঠাতে মঞ্চৰ বাওঁফালে চাই পঠিওৱাত তেওঁৰ উৎসাহত একেবাৰে চেঁচাপানী পৰিল, তেওঁক যেন বিছাইহে ডাকিলে, আসনত বহি থাকিয়ে তেওঁ ছটফটাবলৈ ধৰিলে।’ কাৰণ সেই অধিবেশনত মহিলাসকলৰ বাবে বহাৰ ব্যৱস্থা কৰা হৈছিল মণ্ডপৰ এচুকত বাঁহৰ কাঠিৰ চিক (পৰ্দা)ৰ আঁৰত। চহৰৰ গণ্যমান্য ব্যক্তিসকলৰ তিৰোতাকে ধৰি সাধাৰণ মহিলালৈকে সকলোৱে এই পৰ্দাৰ আঁৰত থাকি অধিবেশনত ভাগ লৈছিল। এই দৃশ্য দেখি চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে সহ্য কৰিব পৰা নাছিল। তেখেতে ব্যক্ত কৰিছে, “তেওঁলোকক তেনে অৱস্থাত দেখি অপমান আৰু বেদনাত মোৰ অন্তৰ ব্যথিত হৈ পৰিল। তিৰোতাসকল কি মানুহ নহয়? মানুহে মানুহে এনে অসমান ব্যৱস্থা! কি কুন্ধচ আৰু কদৰ্য - কি এই ব্যৱস্থাৰ অৰ্থ? দেহবলত বাৰু নাৰী পুৰুষৰ সমকক্ষ নহয়, কিন্তু প্ৰকৃতিৰ নিয়মতেই নাৰীয়ে উৎকৃষ্ট গুণাৱলী পাইছে। কিন্তু দৈহিক দুৰ্বলতাৰ সুযোগ লৈ পুৰুষে নাৰীক ন্যায্য অধিকাৰৰ পৰা বঞ্চিত কৰিছে।” সেয়ে যেতিয়া তেখেতক সমজুৱাৰ বক্তৃতা প্ৰদান কৰিবলৈ দিলে তেখেতে এই অপমানজনক ব্যৱস্থাৰ কথা ব্যক্ত কৰি মহিলাসকলক চিকৰ আঁৰৰ পৰা ওলাই আহিবলৈ আহ্বান কৰিলে। এই চমৎকাৰী

নিয়ন্ত্ৰণ নিজৰ হাতলৈ আনিবলৈ সক্ষম হোৱাৰ মাজতেই লেখিকাৰ নাৰী জাগৰণৰ মনোভাৱ পৰিস্ফুট হৈ পৰিছে। সুলেখিকা প্ৰীতি বৰুৱাই নিজে সম্পাদনা কৰা 'পিতৃ-ভিঠা' উপন্যাসৰ ২ য় সংস্কৰণৰ পাতনিত উল্লেখ কৰিছে "পিতৃ-ভিঠা এখন গতানুগতিক অসমীয়া উপন্যাস নহয়। এইখন উপন্যাস অসমৰ এগৰাকী অগ্নিকন্যাৰ ৰচনা, য'ত অসমীয়া উপন্যাসৰ প্ৰথম নাৰীবাদী চিন্তাৰ প্ৰকাশ ঘটিছে।" সেইদৰে 'দেৱী' আৰু 'দৈৱজ্ঞ দুহিতা' গল্প দুটিৰ বিষয়ে উল্লেখ কৰি শিক্ষাবিদ, সুলেখিকা অৰ্পণা মহন্তই কৈছে, "বিষয়ৰ সাদৃশ্য থাকিলেও শইকীয়ানীৰ জীৱনৰ বিভিন্ন সময়ত আৰু পৰিস্থিতিত ৰচনা কৰা গল্পকেইটাত প্ৰয়োগ কৰা দৃষ্টিভংগী আৰু উপস্থাপনৰ ভিন্নতাৰ পৰা নাৰীবাদ সম্পৰ্কে শইকীয়ানীৰ চিন্তাৰ পৰিবৰ্তন আৰু বিকাশৰ ইঙ্গিত পোৱা যায়।"

এনেদৰে বিভিন্ন সময়ত বিভিন্ন ধৰণেৰে চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে নাৰী স্বাধীনতা, নাৰী-শিক্ষা, নাৰী জাগৰণ ইত্যাদিৰ বিষয়ে মাত মাতি অসমত নাৰী জাগৰণৰ বাট মুকলি কৰিছিল। পুৰুষতান্ত্ৰিক সমাজৰ দৃষ্টিভংগী সলনি কৰিবলৈ যে নাৰীৰ নিজৰ মানসিকতাৰো পৰিবৰ্তনৰ প্ৰয়োজন আছে, সেই কথা তেখেতে মৰ্মে মৰ্মে উপলব্ধি কৰাই নহয়, তেনে মানসিকতা গঢ়ি তুলিবলৈও আপ্ৰাণ চেষ্টা কৰিছিল। তেখেতৰ নিজৰ জীৱনতে তেনে মানসিকতাৰ প্ৰতিফলন ঘটিছে। কুমাৰী মাতৃত্বক গ্ৰহণ কৰিব পৰা মানসিকতা আজিৰ সমাজতো সহজ হৈ উঠা নাই। তেনেস্থলত সেই যুগতেই এনে পৰিস্থিতিৰ সাহসেৰে মুখামুখি হৈ নিজ পুত্ৰক বিখ্যাত কৰি তোলাটোৱেই প্ৰমাণ কৰে তেখেতৰ মানসিক দৃঢ়তা। সেইবাবেই তেখেতে সাহসেৰে ক'ব পাৰিছিল, " মই বিখ্যাত সন্তানৰ মাতৃ হ'ম, জাৰজ সন্তানৰ নহয়।" এনে মানসিক দৃঢ়তা তেখেতে প্ৰত্যেকগৰাকী নাৰীৰ মাজতেই হোৱাটো বিচাৰিছিল তথা তাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। সাহিত্যিক সমালোচক ময়ূৰ বৰাই উল্লেখ কৰিছে, "চন্দ্ৰপ্ৰভাই প্ৰদৰ্শন কৰা সাহস, কৰ্তব্যনিষ্ঠা, দেশপ্ৰেম, আত্মত্যাগ আৰু বিৰল সাংগঠনিক শক্তিৰ মাজেদিয়েই অসমীয়া নাৰীৰ এটা পূৰ্ণ ৰূপ দৃশ্যমান হয় বুলি মই ভাবো।" নতুন প্ৰজন্মৰ বাবে তেখেতৰ এই সংগ্ৰামী যাত্ৰা হৈ পৰিছে অফুৰন্ত প্ৰেৰণাৰ প্ৰতীক। শেষত প্ৰতিষ্ঠিত হোমেন বৰগোহাঞিৰ ভাষাৰে ক'ব বিচাৰিছো - "বহুতো ঐতিহাসিকৰ মতে আধুনিক কালৰ আটাইতকৈ যুগান্তকাৰী ঘটনাটো হ'ল নাৰী মুক্তিৰ বিপ্লৱ। বহু শত শতাব্দীৰ দাসত্ব শৃংখল দলিয়াই আধুনিক যুগৰ নাৰীয়ে পুৰুষশাসিত সমাজৰ বিৰুদ্ধে যিভাৱে বিদ্ৰোহ কৰি স্বাধিকাৰ প্ৰতিষ্ঠা কৰিছে, সি মানৱিক মূল্যবোধ আৰু সম্পৰ্ক বিন্যাসত বৈপ্লৱিক পৰিবৰ্তন ঘটাইছে। অসমত এই বিপ্লৱৰ ধ্বজাধাৰিণী আছিল চন্দ্ৰপ্ৰভা শইকীয়ানী।"

সহায়ক গ্ৰন্থ ঃ


১। অভিযাত্ৰী — নিৰুপমা বৰগোহাঞি

২। চন্দ্ৰপ্ৰভা শইকীয়ানী —স্বাধীনতাপূৰ্ব অসমৰ স্ত্ৰী শিক্ষা আৰু নাৰী জাগৰণ - অৰ্পণা মহন্ত

৩। চন্দ্ৰপ্ৰভা শইকীয়ানী —ব্যক্তিত্ব আৰু প্ৰতিভা - ৰঞ্জিত ভূঞা

৪। নাৰী ঃ বন্ধন আৰু মুক্তি — ড° সন্ধ্যা দেৱী

৫। অসমীয়া স্বাভিমানৰ ৰূপৰেখা — ময়ূৰ বৰা






# Women Achievers who broke the Cliched Narratives

**Dr. Saswati Phookan**
Assistant Professor
Dept. of Chemistry
Tinsukia College

Women from winning Nobel prizes to heading NASA have etched their names in history. In India, woman like Tessy Thomas, Ritu Karidhal, Chandrima Saha and others have taken leading roles in ISRO (Indian Space Research Organisation) and INSA (Indian National Science Academy) and their scientific endeavours have broadened the horizons of science on earth and beyond.

Tessy Thomas – known as the 'Missile woman of India' or the 'Agni Putri' is the Director General of Aeronautical Systems and former Project Director for Agni - IV missile in DRDO (Defence Research and Development Organisation). She is the first woman scientist to head a missile project in India.

Tessy Thomas was born in a Christian family in April 1963 in Alappuzha, Kerala. She grew up near Thumba Rocket Launching Station and says her fascination with the amazing world of Rocket and missiles began in her childhood. Her interest in solid state physics took shape during her school days. After completing her Engineering from Thrissur College, she pursued research in the field of missile technology and MBA in operational management.

In 1988, Tessy joined DRDO and worked under APJ Abdul Kalam. She was associate project director for Agni-III missile project. She was the

project director for mission Agni-IV which was successfully tested in 2011. With successful launch of Agni-V missile in 2012, she achieved a career milestone.

In every step, Tessy Thomas was greeted by failures and disappointments but she took it as an opportunity to rethink, rework and improve the current model. In July 2006, a missile failed to meet a desired parameters and team had to face a lot of criticism. Tessy took it as a challenge, working 12-16 hours a day, even on weekends. Unsurprisingly the faults were sufficiently ironed out to turn the failure into another success.

She is the recipient of Doctor of Science from five different Universities and a fellow of various Professional Institutes.

She received several prestigious awards - like DRDO Scientist of the year in 2008, DRDO Performance Excellence Award for 2011 and 2012, Outstanding Achiever Award by Woman in Science and Engineering (WISE) etc.

Ritu Karidhal – referred to as a *'Rocket Woman of India'* is an integral figure for India's Space exploration. She is an aerospace engineer and was a Deputy Operational Director of India's Mars orbital mission, Mangalyaan.

Ritu Karidhal was born in a middle class family in Lucknow, Uttar Pradesh. Her parents gave great emphasis on education. Since her childhood she had a passion towards science. As a teenager, her hobbies were to collect newspaper clippings keeping tract of space related activities and news from NASA (National Aeronautics and Space Administration) and ISRO. She had a genuine passion for Mathematics and Physics and was always drawn towards the stars.

She completed M.Sc. in Physics from University of Lucknow. While doing Ph.D, she received a letter to join Indian Institute of Science (IISC), Bangalore for M.Tech in Aerospace Engineering. She joined IISC and she credits her parents for trusting and having confidence in her to send her away. After she finished her M.Tech in 1997, she joined ISRO.

India's March Orbital Mission (M.O.M) named Mangalyan -1 – the first interplanetary motion for India





was the most challenging project for her. In 2012 she was appointed as Operational Director of the mission. She had a short completion time but she played a role of creating the craft's autonomy system that independently operated the Satellite's function in space. On 5th November, 2013 Mangalyan-1 was launched and this was the first time any country had reached the Mars orbital in their first attempt.

After the successful completion of Mangalyan-1, the next high profile mission was Chandrayaan-2. She was appointed the Mission Director for it with Project Director, M. Vanitha. It was the first time, a space project was headed by two women. In Chandrayaan's team 30% are women.

She was awarded – ISRO Young Scientist Award in 2007, Team Award for M.O.M in 2015 and "Woman Achievers in Aerospace Technology and Industries" in 2017.

Arunima Sinha is the world's first woman amputee to climb Mount Everest. She is a former national level Volleyball player. She has been awarded honourary doctorate by a Prestigious UK University.

She was born in 1988 and grew up in Ambedkar Nagar, Lucknow. In 2011, Arunima was travelling in a train, to give an examination for a job in CISF. She was pushed out of the running train while resisting a robbery. She fell on the railway track, while another train was coming on the opposite track and crushed her left leg. The Doctors have to amputate her leg to save her life.

After this incident, when she was recovering she decided to become a mountaineer - that gave her the strength to live. Arunima displayed immense self-belief and determination. She was trained with Bachendri Pal, the first Indian Woman to climb Mount Everest. She took 18 month course from Nehru Institute of Mountaineering.

Despite being an amputee, with hard work and steady focus, she fuelled her desire to conquer the highest peak in the world and became a hugely inspirational figure. She conquered Mount Everest on 21st May, 2013.

She is the 1st amputee to climb the tallest mountains in Africa, Europe, Australia and South Africa. She also

successfully climbed Mt. Vinson, the highest mountain in Antarctica.

In 2015, Arunima was conferred the Padma Shri. She also received First Lady Award, 2016, People of the year, Limca Book of Records, 2016, Arjuna Award, Tenzing Norgay Highest Mountaineering Award.

With high hopes and dreams, woman can achieve any level of success, regardless of the obstacles, with right amount of passion, support and confidence.


**References :**

1. 12 wonder women who've made India very proud over the years, Tanki Patel (08-Dec-2018)09-June, 2020. Retrieved from https://www.the betterindia.com/166295/girls-child-day-women-hima-das-pt-usha news.
2. Meet 7 Indian women scientists whose inventions and experiments have helped in the progress of science and technology, Nirandhi Gowthaman (14-Jan-2020) 10-June-2020. Retrieved from https://yourstory.com/herstory/2020/01/indian-women-scientists-technology.
3. In love with Rocket Science : The Story of Tessy Thomas, India's Missile Woman, Sanchari Pal (30-May-2017) 10-June-2020. Retrieved from https://www. the betterindia.com/122711/missile-woman-agniputri-tessy-thomas-drdo-kerala-india.
4. Arunima Sinha Biography : An Inspiring Tale of a girl who conquered the Everest of Determination, Mamta Thatte (12-Jan-2019) (09-June-2020). Retrieved from https://www.Kreedon.com/arunima-sinha-biography-wiki.
5. Ritu Karidhal - Sci-Illustrate Stories - Medium, Dr. Roopali Chaudhary (27-Sep-2019) (12-June-2020). Retrieved from https://medium.com/sci-illustrate-stories/ritu-kardhal - 3cbc8defd403.
6. Tessy Thomas - Wikipedia. Retrieved from https://en.m.wikipedia.org/wiki/Tessy-Thomas.


■■








# নাৰী দিৱসৰ তাৎপৰ্য

বৈকুণ্ঠ দাস
সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

নাৰীৰ মৰ্যাদা তথা অধিকাৰ সম্পৰ্কে বৃহত্তৰ সমাজক সচেতন কৰি তোলাৰ স্বাৰ্থতে 'নাৰী দিৱস'ৰ উদ্ভাৱন ঘটোৱা হৈছে। বৃহত্তৰ সমাজৰ সহযোগত নাৰীৰ বাবে মৰ্যাদাপূৰ্ণ জীৱন উপলব্ধ কৰোৱা পটভূমি নিৰ্মাণৰ আকাংক্ষাৰে নাৰী দিৱসক প্ৰক্ষেপ কৰা গৈছে। নাৰী দিৱস উদ্‌যাপনৰ মূল উদ্দেশ্যই হৈছে নাৰীৰ মৰ্যাদা আৰু অধিকাৰৰ প্ৰসঙ্গত বৃহত্তৰ সমাজৰ সজাগতা বৃদ্ধি কৰা।

নাৰী দিৱসৰ পটভূমিতে নাৰীৰ বাবে নিৰ্মাণ কৰা শোষণ-বঞ্চনাৰ ভিন্ন কাঠামোৰ লগত বৃহত্তৰ সমাজৰ পৰিচয় ঘটে। শোষণ বঞ্চনাৰ ভিন্ন কাঠামোৰ আলমত গঢ় লৈ উঠা নাৰীৰ ভিন্ন ভূমিকাক বৃহত্তৰ সমাজৰ আগত বেকত কৰোৱায় নাৰী দিৱসৰ উপলক্ষই। শোষণ বঞ্চনাৰ কাঠামোৰ পটভূমিত গঢ়ি উঠা ভিন্ন ভূমিকাৰ মাধ্যমেৰে নাৰীৰ অধিকাৰহীনতাৰ বাস্তৱিক ছবিখন পৰিস্কাৰ ৰূপত প্ৰকট হয়। অধিকাৰহীনতাৰ আলমত নাৰীৰ নিম্ন মৰ্যাদাক স্পষ্ট ৰূপত তুলি ধৰে নাৰী দিৱসৰ উপলক্ষই। নাৰীৰ নিম্ন মৰ্যাদাক শোষণ-বঞ্চনাৰ কাঠামোৰ পটভূমিত বুজি উঠাৰ পৰিবেশ ৰচিত হয় নাৰী দিৱসৰ পৰিপ্ৰেক্ষিতত।

শোষণ-বঞ্চনাৰ কাঠামোৰ পটভূমিত নাৰীৰ অধিকাৰহীনতাক প্ৰক্ষেপ কৰি নাৰীৰ মৰ্যাদা নিৰ্মাণৰ প্ৰয়োজনত এনে শোষণ-বঞ্চনাৰ কাঠামোৰ বিনিৰ্মাণ কৰাৰ প্ৰতি বৃহত্তৰ সমাজৰ দৃষ্টি আকৰ্ষণ কৰে নাৰী দিৱসৰ উপলক্ষই। শোষণ-বঞ্চনাৰ কাঠামোক বিনিৰ্মাণৰ প্ৰয়োজনত বৃহত্তৰ জনগণক সংঘবদ্ধ হোৱাৰ অঙ্গীকাৰ দোহাৰে নাৰী দিৱসে। সংঘবদ্ধ জনগণৰ সচেষ্ট প্ৰচেষ্টাৰ মাধ্যমত শোষণ-বঞ্চনাৰ কাঠামোক কুঠাৰাঘাত কৰা প্ৰাসঙ্গিকতাক স্বীকৃতি দিয়ে নাৰী দিৱসৰ উপলক্ষই।

শোষণ-বঞ্চনাৰ কাঠামোৰ পৰিৱৰ্তে নাৰীৰ অধিকাৰক উপলব্ধ কৰোৱা এক নায্য কাঠামো নিৰ্মাণৰ প্ৰসঙ্গক সজোৰে তুলি ধৰে নাৰী দিৱসৰ উপলক্ষই। নায্য কাঠামো প্ৰতিষ্ঠাৰ মাধ্যমেৰে নাৰীৰ বাবে ভিন্ন অধিকাৰৰ উপলব্ধ কৰোৱা এক প্ৰচেষ্টাত মগন হোৱাৰ বাবে সচেষ্ট কৰায় নাৰী দিৱসে। অধিকাৰৰ উপলব্ধতাৰ অসমতাত নাৰীৰ বাবে এক

মৰ্যাদাপূৰ্ণ জীৱনৰ পৃষ্ঠভূমি তৈয়াৰ কৰে নাৰী দিৱসৰ উপলক্ষই।

নায্য কাঠামো নিৰ্মাণৰ বেলিকা শিক্ষাৰ প্ৰাসঙ্গিকতাক সচেষ্টভাৱে স্বীকৃতি দিয়ে নাৰী দিৱসৰ উপলক্ষই। শিক্ষাৰ পাঠ্যক্ৰম নকৈ নিৰ্মাণ কৰাত অধিকতৰ গুৰুত্ব প্ৰদান নাৰী দিৱসে। নৱনিৰ্মিত পাঠ্যক্ৰমত নাৰীৰ ভূমিকাক নাৰীৰ উত্তৰণৰ সহায়ক ভিন্ন অধিকাৰেৰে সংপৃক্ত কৰা প্ৰয়োজনীয়তাক দোহাৰে নাৰী দিৱসৰ উপলক্ষই।

নৱনিৰ্মিত পাঠ্যক্ৰমত নাৰীৰ ভূমিকাক উৎপাদনৰ আহিলাৰ মালিকীস্বত্বৰে সংযুক্ত কৰাতোত গুৰুত্ব দিয়ে নাৰী দিৱসৰ উপলক্ষই। নাৰীৰ সামৰ্থ্যক স্বীকৃতি দি ৰাজহুৱা অথবা ঘৰুৱা পৰিৱেশত মহিলাৰ বাবে নায্য ভূমিকা নিৰ্মাণ কৰা পাঠ্যক্ৰম নিৰ্মাণত গুৰুত্ব দিয়াতো বিচাৰে নাৰী দিৱসে। নাৰীক মৰ্যাদাসম্পন্ন স্থান প্ৰক্ষেপ কৰি নতুন পাঠ্যক্ৰমৰ আধাৰত নতুন সংস্কৃতি নিৰ্মাণৰ আখৰাৰ প্ৰাসঙ্গিকতাতো বেকত কৰে নাৰী দিৱসৰ উপলক্ষই।

নাৰী দিৱসৰ উপলক্ষই ইয়াকো বেকত কৰে যে নৱনিৰ্মিত পাঠ্যক্ৰমৰ আলমত নতুন প্ৰজন্মৰ সামাজিকৰণ এনেদৰে সাধিত কৰা দৰকাৰ যে নাৰীৰ সামৰ্থ্যক তেওঁলোকে সন্মান সহকাৰে গ্ৰহণ কৰাৰ মানসিকতা গঢ়ি তোলে। নাৰীৰ সামৰ্থ্যক স্বীকৃতি দিয়া এক মানসিকতা গঢ়ি তোলাৰ পটভূমিতহে নাৰীৰ প্ৰতি নতুন প্ৰজন্মৰ মাজত সন্মানৰ ভাৱ গঢ়ি উঠা সম্ভাৱনীয়তা আছে বুলি দোহাৰে নাৰী দিৱসে। নাৰীৰ প্ৰতি সন্মানবোধৰ বেলিকা সমাজত নাৰীয়ে মৰ্যাদাপূৰ্ণ জীৱন যাপনৰ সুবিধা লাভ কৰাতো সম্ভৱ হৈ পৰিব বুলি অঙ্গীকাৰ দোহাৰে নাৰী দিৱসৰ উপলক্ষই।

নাৰী দিৱসে মূলতঃ এক নায্য কাঠামো নিৰ্মাণৰ প্ৰয়োজনীয়তাকে বেকত কৰে। ন্যায্য কাঠামো নিৰ্মাণৰ লগত নাৰীৰ বাবে অধিকাৰৰ উপলব্ধতাৰ সম্ভাৱনীয়তাক দোহাৰে। ভিন্ন অধিকাৰৰ আলমত নাৰীৰ বাবে মৰ্যাদাপূৰ্ণ জীৱনৰ নিশ্চয়তাৰ অঙ্গীকাৰ প্ৰকাশ কৰে। নায্য কাঠামোৰ নিৰ্মাণৰ প্ৰয়োজনত বৃহত্তৰ জনগণক সচেষ্ট কৰা আৱশ্যতাকো স্বীকৃতি দিয়ে।

নাৰীৰ বাবে ভিন্ন অধিকাৰৰ উপলব্ধতা তথা ইয়াৰ মাধ্যমেৰে নাৰীৰ বাবে মৰ্যাদাপূৰ্ণ জীৱনৰ বাট সুগম কৰা এক পটভূমিৰ পৰিপ্ৰেক্ষিতত নাৰী দিৱসৰ প্ৰভূত তাৎপৰ্য্য প্ৰত্যক্ষ কৰা যায়। নাৰী দিৱসৰ তাৎপৰ্য্যক সেয়েহে গভীৰভাৱে হৃদয়ঙ্গম কৰা অতীৱ প্ৰয়োজন। নাৰী দিৱসৰ উপলক্ষক অৰ্থপূৰ্ণ ব্যৱহাৰৰ বেলিকাহে নাৰীৰ বাবে মৰ্যাদাপূৰ্ণ জীৱনৰ বাট মুকলি কৰাতো সম্ভৱ। সচেতনচামে সেয়েহে নাৰী দিৱসৰ উপলক্ষক তাৎপৰ্যপূৰ্ণভাৱে ব্যৱহাৰ কৰা সময় সমাগত। ইয়াৰ অন্যথা নাৰীমুক্তিৰ সম্ভাৱনা একেবাৰেই ক্ষীণ।

■■

*"Well-behaved women rarely make history."*

**— Eleanor Roosevelt**





# পৰম্পৰাৰ নামত মৰাণ সমাজত লিঙ্গভিত্তিক বৈষম্য

কাশ্মিৰী দহোতীয়া
প্ৰবক্তা, ইতিহাস বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

এখন সমাজৰ উত্তৰণত পুৰুষ-নাৰীৰ সমানে গুৰুত্ব আছে। কিন্তু পুৰুষতান্ত্ৰিক সমাজৰ ৰীতি-নীতিয়ে নাৰীৰ প্ৰগতিত কিছুক্ষেত্ৰত হেঙাৰৰূপে থিয় দিয়ে। নাৰীৰ কামসমূহ সদায় অৱহেলা কৰা হয়। এটা সময় আছিল যেতিয়া নাৰীক পুৰুষৰ অধীন বুলি ভবা হৈছিল। ছোৱালী হিচাপে তেওঁ পিতৃ-মাতৃৰ সেৱা কৰিব লাগিছিল। পৰিয়ালত ল'ৰা সন্তানক দিয়া গুৰুত্ব তেওঁ সহিবলগীয়া হৈছিল। পত্নীৰূপে নিজৰ সন্তান লালন-পালন কৰাৰ উপৰিও পৰিয়ালৰ অন্য সদস্যৰ শুশ্ৰূষাও কৰিব লাগিছিল। তেওঁৰ গোটেই জীৱন আনৰ বাবেই উৎসৰ্গিত হৈছিল। এক কথাত ক'বলৈ গ'লে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ স্থান এগৰাকী দাসীতকৈও নিম্ন। কাৰণ দাসীগৰাকীয়ে কামৰ বিনিময়ত দৰমহা পায়, কিন্তু গৃহিণীগৰাকীয়ে বিনা স্বাৰ্থত বিনা বেতনে ঘৰৰ সকলো কাম কৰিবলৈ বাধ্য। বহু সময়ত তেওঁলোক শাৰীৰিক আৰু মানসিক অত্যাচাৰৰো সন্মুখীন হয়। কিছু লোকে আকৌ কন্যা সন্তানক পৰিয়ালৰ বোজা বুলি ভাবি কন্যা ভ্ৰূণ হত্যাৰ দৰে অপৰাধ কৰিবলৈও কুণ্ঠাবোধ নকৰে। আইনসঙ্গতভাৱে নাৰীৰ সম্পত্তিৰ ওপৰত অধিকাৰ আছে যদিও কাৰ্যক্ষেত্ৰত সেয়া দেখা নাযায়। খুব কম সংখ্যক নাৰীয়েহে ভূমি বা সম্পত্তিৰ ওপৰত কৰ্তৃত্ব লাভ কৰে। কন্যা সন্তান আৰু নাৰীৰ প্ৰতি সকলো ধৰণৰ শোষণৰ অৱসান ঘটোৱাৰ বাবে চৰকাৰে বিভিন্ন সময়ত বিভিন্ন আঁচনি আৰু আইন প্ৰণয়ন কৰিছে যদিও প্ৰকৃতাৰ্থত জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে পুৰুষৰ সৈতে নাৰীক সমান স্থান দিয়া নহয়। বৰ্তমানেও তেওঁলোকে ঘৰৰ ভিতৰতেই হওক বা বাহিৰতেই হওক লিঙ্গ বৈষম্য, শোষণ, ধৰ্ষণ আদি সমস্যাৰ সন্মুখীন হয়। এই লেখাটোত বিশেষকৈ মৰাণ সমাজৰ সমস্যাক দোহাই দি নাৰীক কেনেদৰে শোষণ কৰা হয় তাৰ ওপৰত আলোকপাত কৰা হৈছে।

অসমত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ ভিতৰত মৰাণসকল অন্যতম। মৰাণ সমাজত যৌথ আৰু একক উভয় পৰিয়াল ব্যৱস্থাই প্ৰচলন আছে। অৱশ্যে জনসংখ্যা বৃদ্ধি, জীৱিকা, শিক্ষা আদিৰ কাৰণে বৰ্তমান একক পৰিয়াল ব্যৱস্থাৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। মৰাণ সমাজত পৰিয়ালৰ মুৰব্বী পিতৃ বা পুৰুষ যদিও নাৰীয়েও পুৰুষৰ সমানেই পৰিয়ালত গুৰুত্ব লাভ কৰে। পৰিয়ালৰ বিভিন্ন কাম যেনে ৰন্ধা-বঢ়া, সন্তান প্ৰতিপালন কৰা, কৃষিকৰ্মত পুৰুষক সহায়-সহযোগিতা আগবঢ়োৱা, দৈনন্দিন ব্যৱহৃত

কাপোৰ ঘৰুৱা তাঁতশালত তৈয়াৰ কৰা আদি ঘৰৰ গৃহিণীগৰাকীয়ে কৰে। বিবাহৰ ক্ষেত্ৰত পৰিয়ালৰ মুৰব্বীৰ লগতে পুত্ৰ-কন্যাইও সিদ্ধান্ত গ্ৰহণ কৰে। যৌতুকৰ দৰে সামাজিক সমস্যা মৰাণ সমাজত নাই যদিও বিবাহৰ সময়ত কইনাৰ লাগতিয়াল কিছু সামগ্ৰী বা গা-ধন ভকতৰ উপস্থিতিত দিয়া হয়।

সামাজিক অনুষ্ঠানসমূহতো মৰাণ মহিলাৰ ভূমিকা গুৰুত্বপূৰ্ণ। মৰাণ সমাজত পালন কৰা বিভিন্ন সামাজিক অনুষ্ঠানত মহিলাসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। বিশেষকৈ বিবাহ অনুষ্ঠান আদিত মহিলাৰ অংশগ্ৰহণ উল্লেখযোগ্য। ভাৰতীয় প্ৰায়বোৰ জাতি-জনগোষ্ঠীৰ দৰেই মৰাণসকলেও বিধবা বিবাহ আৰু বহু বিবাহ সমৰ্থন নকৰে। মৰাণ সমাজত বিবাহিত নাৰীয়ে বিশেষকৈ সত্ৰাধিকাৰ পৰিয়ালৰ নাৰীয়ে সেন্দূৰ আৰু খাৰু আদি অলংকাৰ পৰিধান নকৰে। কিন্তু বৰ্তমান সত্ৰাধিকাৰৰ ঘনিষ্ঠ আৰু সমাজৰ বয়সিয়াল নাৰীৰ বাহিৰে সকলো নাৰীয়ে অসমীয়া সমাজৰ অন্যান্য নাৰীৰ দৰেই সেন্দূৰ পৰিধান কৰে।

পৰম্পৰা আৰু ধৰ্মৰ নামত মৰাণ সমাজত নাৰীক শোষণ কৰা কেইটামান প্ৰধান দিশ সততে দৃষ্টিগোচৰ হয়। প্ৰথমতে বিবাহিত নাৰীক নাচিবলৈ বাধা দিয়া হয়। যদিহে তেওঁলোকে নাচে তেন্তে তামোল-পাণ দি নামঘৰত বা ভকতৰ ওচৰত জৰিমনা দি ক্ষমা খুজিব লাগে। দ্বিতীয়তে, পুষ্পিতা হোৱাৰ পিছত কন্যা সন্তানক মূল ৰান্ধনিশালত ৰন্ধা-বঢ়াৰ অনুমতি দিয়া নহয়। মৰাণ সমাজত ভকতসকলে শৰণীয়াল নাৰীয়ে ৰন্ধা খাদ্যহে গ্ৰহণ কৰে। আনহাতে বয়সীয়াল লোক বা ভকতে বিধবা নাৰীয়ে ৰন্ধা খাদ্য গ্ৰহণ নকৰে। তৃতীয়তে, মৰাণ সমাজত শৰণীয়াল পুৰুষৰ মৃত্যু হ'লে গায়ন-বায়ন পৰিবেশন কৰি শ সৎকাৰ কৰা হয়। তদুপৰি শৰণীয়াল পুৰুষৰ শ্ৰাদ্ধ আদি অনুষ্ঠানত ভাগৱত পাঠ আৰু গায়ন-বায়ন অপৰিহাৰ্য যিটো এগৰাকী নাৰীৰ ক্ষেত্ৰত ব্যতিক্ৰম দেখা যায়। চতুৰ্থতে মৰাণ সমাজত ৰীতি অনুসৰি এগৰাকী নাৰীৰ মৃত্যুৰ পিছত দহা-কাজ এককভাৱে সম্পন্ন কৰাৰ ক্ষেত্ৰটো বাধাপ্ৰাপ্ত হয়। নাৰী বা পৰিয়ালৰ বৰ্হিভূত কোনো পুৰুষৰ এই শ্ৰাদ্ধ একেলগে সংযুক্ত কৰা হয়। বৰ্তমানেও অধিকাংশ মৰাণ লোকেই সেই অনুষ্ঠানসমূহ নামঘৰত ৰাজহুৱাকৈ ৩/৫/৭ বছৰৰ ব্যৱধানত অনুষ্ঠিত কৰে। সম্ভৱতঃ আৰ্থিক দিশত টনকিয়াল নোহোৱা হেতু তেওঁলোকে নামঘৰত সমজুৱাকৈ দহা কাজ সম্পূৰ্ণ পৰম্পৰাগত পদ্ধতিৰে অনুষ্ঠিত কৰে।

শিক্ষা আৰু চিকিৎসা বিষয়ক সা-সুবিধাৰ ক্ষেত্ৰত মৰাণ গাঁওসমূহৰ অৱস্থা সন্তোষজনক নহয়। গাঁওসমূহত পৰ্যাপ্ত শিক্ষানুষ্ঠানৰ অভাৱ। আৰ্থিকভাৱে সবল নোহোৱাসকলে চহৰত ৰাখি সন্তানক উচ্চ শিক্ষা দিবলৈ সক্ষম নহয়। সেয়ে বৃহৎ সংখ্যকেই শিক্ষা জীৱন আধাতে সামৰিবলগীয়া হয়। শিক্ষা সম্পৰ্কে সচেতনতা, দৰিদ্ৰতা, কম বয়সতে বিয়া হৈ সাংসাৰিক জীৱন আৰম্ভ কৰা আদিয়েই নাৰী শিক্ষাৰ প্ৰধান অন্তৰায়। আনহাতে প্ৰায়বোৰ গাঁৱেই চিকিৎসাৰ ন্যূনতম সা-সুবিধাৰ পৰাও বঞ্চিত। সেয়ে চিকিৎসাৰ বাবে তেওঁলোকে গাঁৱৰ পৰা দূৰৈত অৱস্থিত চিকিৎসালয়লৈ যাবলগীয়া হয়। বৰ্তমানেও বহুতো নাৰীয়ে ঘৰতে সন্তান প্ৰসৱ কৰাটো মন কৰিবলগীয়া।

নাৰীয়ে পুৰুষৰ সমানেই ৰাজনৈতিক আৰু সামাজিক জীৱনত অংশগ্ৰহণ কৰা উচিত। কাৰণ এগৰাকী নাৰীহে নাৰীৰ অধিকাৰ আৰু সমস্যাসমূহৰ বিষয়ে পুৰুষৰ তুলনাত অধিকভাৱে অৱগত। ভোটাধিকাৰ সম্পৰ্কে বৰ্তমান মৰাণ মহিলা কিছু পৰিমাণে সজাগ হৈছে। এইক্ষেত্ৰত জনগোষ্ঠীটোৰ প্ৰথম মহিলা বিধায়িকা ঁতৰুলতা বড়াৰ নাম উল্লেখযোগ্য। গাঁও পঞ্চায়তৰ নিৰ্বাচনতো মহিলাসকলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই আহিছে।

আন্তঃৰাষ্ট্ৰীয় অধ্যয়নত দেখা যায় যে যেতিয়া অৰ্থনৈতিক আৰু ৰাজনৈতিক সংগঠনসমূহৰ পৰিৱৰ্তন হয়, তেতিয়া এগৰাকী নাৰীয়ে নতুন আদৰ্শ আৰু প্ৰত্যাহ্বানসমূহৰ লগত নিজৰ পৰিয়ালটোক সহযোগিতা স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিংশ শতিকাত অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ ৰাজনৈতিক তথা সাংস্কৃতিক সচেতনতাই মৰাণ সমাজকো চুই গৈছিল। যাৰ ফলশ্ৰুতিত সামাজিক-ৰাজনৈতিক দিশত মৰাণ সমাজখন কিছু পৰিমাণে আগুৱাই যাবলৈ সক্ষম হৈছিল। এই সচেতনতাই জনগোষ্ঠীটোৰ সামাজিক-সাংস্কৃতিক সংগঠনসমূহৰ সৃষ্টিত অৰিহণা যোগাইছিল। জন্মলগ্নৰে পৰা এই সংগঠনসমূহে বিভিন্ন গঠনমূলক কাৰ্যপন্থা গ্ৰহণ কৰাৰ উপৰিও অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ পৰা মুক্ত কৰি সমাজৰ অৰ্থনৈতিক, ৰাজনৈতিক, শিক্ষা আদি সকলো দিশতে উন্নতি সাধনাৰ্থে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে।

মৰাণসকলৰ প্ৰধান জীৱিকা কৃষি। ধানৰ বাহিৰেও বিভিন্ন শাক-পাচলিৰ খেতি তেওঁলোকে কৰে। কৃষি কৰ্মত মহিলাসকলে পুৰুষৰ দৰেই গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। ইয়াৰ উপৰিও বোৱা-কটা, ব্ৰইলাৰ ফাৰ্ম, হাঁহ-কুকুৰা-ছাগলী পালন, তামোল-পাণৰ খেতি, মাছ পালন আদিৰ দৰে উৎপাদনশীল কামত পুৰুষৰ লগতে মহিলাসকলেও প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অংশগ্ৰহণ কৰি আহিছে। কঠোৰ পৰিশ্ৰম কৰে যদিও মৰাণ মহিলাৰ জীৱন ধাৰা উন্নত মানৰ নহয়। বেছিভাগ পৰিয়াল আৰ্থিকভাৱে দুৰ্বল।

সমাজ এখনত নাৰীৰ স্থান আৰু ভূমিকাৰ ভিত্তিতে সাধাৰণতে নাৰীৰ মৰ্যাদা নিৰ্ণয় কৰা হয়। সমাজ তথা স্থানভেদে নাৰীৰ মৰ্যাদাও ভিন ভিন। ৰীতি-নীতিৰ দোহাই দি নাৰীক কিছুমান মঙ্গলজনক কামৰ পৰা আঁতৰাই ৰখা হয়! কোনো কোনো ক্ষেত্ৰত আকৌ নাৰীয়েই প্ৰতিবন্ধক হৈ ঠিয় দিয়ে। ঘৰখনৰ সকলো কাম কৰিও নাৰীয়ে নিজ কৰ্মস্থলীত দক্ষতাৰে সকলো কাম কৰিব পাৰে। তেওঁলোকৰ দক্ষতাক লিঙ্গভিত্তিক দৃষ্টিকোণেৰে পৰ্যালোচনা কৰি অৱহেলা কৰাটো সমূলি উচিত নহয়। অন্ধবিশ্বাস আৰু লাজকুৰীয়া স্বভাৱ মৰাণ মহিলাৰ উন্নতিৰ অন্যতম অন্তৰায়। বৰ্তমান শিক্ষালাভৰ ফলতেই হওক বা সমাজৰ অন্য লোকৰ সৈতে হোৱা পাৰস্পৰিক সংস্পৰ্শৰ ফলস্বৰূপেই হওক মৰাণ নাৰীৰ মানসিকতা সমাজত পৰিৱৰ্তন হৈছে। নাৰীৰ প্ৰগতিৰ বাবে সেয়ে প্ৰথমেই নাৰীৰ শিক্ষাৰ লগতে সম-অধিকাৰ আৰু সমাজত নাৰীক হেয় প্ৰতিপন্ন কৰা অন্তৰায়সমূহ, যেনে - লিঙ্গ বৈষম্য, কন্যা ভ্ৰূণ হত্যা, ধৰ্ষণ, যৌতুক, বোৱাৰী হত্যা আদি নিঃশেষ হ'ব লাগিব। পুৰুষ-নাৰীৰ মাজত ভেদাভেদ নাৰাখি সমাজত নাৰীক সকলো অধিকাৰ আৰু সা-সুবিধা দিব লাগিব যাতে তেওঁলোকে অহেতুক ভয় আৰু বাধাহীন হৈ স্বাধীনভাৱে জীৱন নিৰ্বাহ কৰিব পাৰে। নাৰীক ঘৰৰ চাৰিবেৰৰ পৰা উলিয়াই আনি হীনমন্যতা আৰু পৰাধীনতাৰ মনোভাৱ আঁতৰাই উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি আত্মনিৰ্ভৰশীল কৰি তুলিব পাৰিলেহে এখন সুস্থ তথা সবল সমাজ গঢ়ি উঠিব বুলি আশা কৰিব পাৰি। ■

# Gender Inequalities : Past and Future Possibilities

**Ankit Sen**
Lecturer, Centre for Management Education (CHE)
Tinsukia College

The word 'Gender' describes the socially constructed roles and responsibilities that societies consider appropriate for men and women. To look at all the areas of gendered life and inequality it is beyond the scope of this piece. The validity of the arguments that Gender inequalities are still entrenched and persist over time, place and culture will initially be compared to alternative claims that gendered power relations, and thus inequalities, are gradually being eroded.

Optimism about the future of Global gender equality must be cautions for the obvious point that there is no guarantee that current trends will continue. Secondly, Gender equality can be seen as a two step process that can be summarized colloquially as 'first get in club then attain equality within the 'club' – enrolling in school, joining the economically active population, becoming a member of the national legislature.

In this perceived era of gender equality, there is a new articulation of male social power and privilege. There is no evolutionary trek toward equality, peace and prosperity.

Using data research developments in Gender inequality in recent decades across areas including the economy, political representation, education, and mortality, they conclude that a decline in gender





inequalities can be seen which span diverse religious and cultural traditions. Certainly, it is undeniable that a number of factors still exist worldwide that prevent girls from access to schooling due to issues, for instance, of girls leaving education on becoming child brides in many countries. It also reflects how continuing societal assumptions, based on stereotyped and biologically essentialist notions of gender, still have purchase across the world. The enduring aspects of violence against women in its many manifestations has been highlighted by many activists. However, a gender equality has been much targeted by global activism to combat these diverse manifestation of violence and their unequal effects on women.

Further, the increasing acceptance of transgendered people has been key and continuing issue over the last decades. The emphasis should be placed on intersectionality and how gender links to other categories, such as race and ethnicity, a central concern of feminists and the women's movement. The LGBTQ movement has allowed traditional ideas of only two genders existing to be problematized by a recoceptualization of the concept of gender and claims to gender fluidity.

If we are unable to even think about gender issues, it is of increasing importance that academics, practitioners and activists continue to find new ways of speaking to each other on the issue of gender inequality. Thus a more relational perspective on gender and inequality, while keeping in mind that women still bear the brunt of economic and other disadvantages, is important to develop further.

■■

***"A successful woman is one who can build a firm foundation with the bricks others have thrown at her."***

**— Unknown**

# Neglected Existence? The Question of Renaissance Woman in Literature and Paintings

**Gaurab Sengupta**
Assistant Profesor. Department of English
Duliajan College. Duliajan

The Renaissance period was one of the important markers in the history of human existence and evolution. From removing the dark coverings of the Middle Ages, to planting the seeds of the Enlightenment, the Sixteenth Century Europe saw the upsurge of developments in leaps and bounds. From explorations to voyages around the world, from scientific discoveries to advancements made in the field of education, the Renaissance period saw the revival of knowledge in almost every field. But a question that needs critical concern is-who reaped the benefits from these developments? Or, more precisely, for whom were these benefits 'constructed'? The answer to this question lies in one single phrase- 'The Men of Renaissance' or specifically what we call 'the Renaissance Man'. This Renaissance Man dominated society, literature, culture and paintings of the period. From the canvas of Michael Angelo to the pages of Shakespeare, the supremacy of the Renaissance Man has a major hold.

As mentioned, the fruits of Renaissance

learning were enjoyed by the males in the

society, compared to that of the females.

One basic cause that relates to this idea can

be charted back in the Medieval period,








Fig 1: The Great Chain of Beings

where religious dogma dominated the

workings of the society. And the religious texts placed women in a lower position in the 'The Great Chain of Beings' (which gained more prominence during the Neo-Classical period). What happened to women then who voiced out their concerns about the wrong doings in the society? They were seen in darker profiles, judged with malicious outlook and sabotaged in various fields. During the Medieval period, Geoffrey Chaucer, through the women characters in his *Canterbury Tales*, projected the condition of women who tried to digress from the social construct, the social norm. Chaucer's Wife of Bath, draws an absolute satire on male chauvinism during the Medieval Period. The Wife questions on men's actions, men's ability and to marry thousand women and society's acceptance of this act. On the other hand, the Wife of Bath, who has had 'Five Husbands' is seen as a fallen woman, unsuitable for society. Though Chaucer justifies the Wife's action, yet she is almost discarded by the society. The Wife questions religion, questions religious texts, questions kings, men and patriarchy. But her concerns are not seen and appreciated in bright light. Similar is the case with Chaucer's Nun. She is rather seen as a woman with an air and is not nun-like but rather, lady-like.

Renaissance painters too, have taken

the liberty to portray the glory of 'men'

in high standards. Michael Angelo's

'Creation of Adam' focuses only in the



Fig 2: The Creation of Adam

formation of Adam, that too in the exact figure like that of God. Eve, on the other hand is not to be seen anywhere in the painting, even when she too was God's creation. Hans Holbein's 'The Ambassadors' too project two men from two parts of the world in highest supremacy, having the entire hold on the Universe. Most of the Renaissance paintings do neglect the existence of women on the canvas.

Literature during the time also projected women as lesser beings compared to men.

It was the 'Renaissance Man' again that dominated the page and the stage. From



Fig 3: The Ambassadors

Marlowe's Faustus to Tamburlaine the Great, men ruled the era, across space, culture and location. An in depth study of literature of the period brings forth the supremacy of men from arts to cultural practices to science. If Dr. Faustus and Tamburlaine have ruled the world, Macbeth and Hamlet have become tragic 'heroes' in the end. Viola gains the trust of Duke Orsino only because she has transformed herself into Cesario, a man-in-hand for the Duke. Hamlet on the other hand proclaims with great mistrust on the womenfolk "Frailty, thy name is woman!" Even down to the Puritan age, women were not projected in bright light in the pages of literature. They either commit heinous crimes or do not lead a happy life. Most often, they are seen to be agents of the devil, corrupting mankind. John Milton's Paradise Lost upholds this view. The temptation is done by Satan on Eve, it is because of Eve the fruit of the forbidden tree is tasted by Adam because of which both are expelled from the Garden of Eden and subsequently, the paradise is lost for entire humanity.





Were women actually the light removers? Were they actually frail? What made them silent through the ages? An article published by world's leading museum of art and design, V&A, on 'Women in the Renaissance', points out that during the Renaissance period, women had only two options in life: marriage or cloister. In Renaissance: A Very Short Introduction, Jerry Brotton has a similar observation. While talking about Renaissance, its growth, spread and the 'Renaissance Man' he tries to figure out the status of women in society through literature and paintings. Brotton comes to the conclusion that the 'Renaissance Woman' is silenced and has no major role to play on the face of developments that took place. Based on this view it is observed that women did not occupy prestige, status, position and respect in the society during the period. What calls in for our concern is the fact about women's position in the society in the present day. Does history repeats itself? Or is there no history in this case, just a linear progression of what has happened, is happening?

**Reference :**

Brotton, Jeremy. *The Renaissance: A Very Short Introduction*. Oxford University Press. Oxford.

http://www.vam.ac.uk/content/articles/w/women-in-the-renaissance/

■■

*"Cinderella never asked for a prince, she asked for a night off and a dress."*

— Kiera Cass

## Myth and Gender Violence in Northeastern Literature:

# A study of Arupa Patangia Kalita's 'The Girl with Long Hair' from Written in Tears

**Niribili Konwar**
M.Phil Research Scholar
Assam University, Silchar.

*"Violence can be defined to extend far beyond pain and shedding blood. It carries the meaning of physical force, violent language, fury, and, more importantly, forcible interference."*

**— Abhijit Nayak**

To define "violence" is a sisyphean task because the term is a complicated concept which broadly carries descriptive and evaluative components which range from harming non- human objects to human self- harm.The term can denote a wide variety of experiences such as blood shedding, physical harm, forcing against personal freedom, passionate conduct of language, or emotions such as fury and passion. Violence is perpetrated for a wide variety of ideological reasons and 'myth' is one of many contributing social factors that has led to the massive chaos amid suffering in the society. A myth is a classic or legendary story that usually focuses on particular hero or event, and explains mysteries of nature, existence, or the universe with no true basis in fact. The term myth stems from the ancient Greek 'muthos', meaning a speech, account, rumor, story, fable, etc. The terms myth and mythology arose in





the English language in the 18th century. Mythology is the study and interpretation of often sacred tales of fables of a culture; it narrates a collection of stories which deal with various aspects of the human condition: good and evil; the meaning of suffering; human origins; the meaning of life and death; the afterlife; and the Gods or a God. In simple words, myth expresses the beliefs and values which is held by a certain culture.

**"The social, cultural and political nature of the English writings depicts violence in the region as a result of times that the states had experienced in the contemporary times. Most of the writings of Northeast Indian writers have been translated into English to educate and evoke empathy for the violent socio-political situations the region has faced.They provide an insight into the contemporary culture and environment of Northeast India and awaken the readers' sensitivity to the region. Since the Northeast is going through a crisis of values in the social and political life; disregard shown to basic values like honesty and tolerance has become a matter of grave concern. Crime, violence, cruelty, greed and apathy to human suffering have spread to all aspects of life - political, economic, and social."**

Literature reflects the society; it acts as a mirror which portrays the vice and the virtues of the society. Literature, as an imitation of human action, often portrays a picture of what people think, say and do in the society. The basic purpose of literature is to realise and influence our thought process, to bring into light the dark and the hidden stories. Northeastern literature refers to literature written in the languages of North East India and the body of work by English-language writers from this region. Literature and terror have a long and complex history in the North Eastern part of India and it is often studied as, "literature that is too conflict ridden", "literature that depicts violence and rage", and so on. Literature of the Northeast, mostly fictional writing, depicts the events recorded in the history; the work portrays a raw intensity of events from the past which leaves the psyche of the reader

haunted for long. Isolated from the center at length, the region has become a place of bewilderment and external mythmaking.

Gender based violence is not a new phenomenon to look into; the relation between males and females have carried many dark and hidden stories through human history. Albeit, men and women, they both play the role of victims under gender violence, but the rate of suffering in the part of women remains to be at the peak. Gender violence can be broadly defined as " the general term used to capture violence that occurs as a result of the normative role expectations associated with each gender, along with the unequal power relations between genders, within the context of a specific society." The term "gender violence" reflects the idea that violence serves to maintain structural gender inequalities; it includes all types of violence against men, women, children, adolescents, gay, transgender people and gender non-confirming. Gender violence does not only take place due to the stereotypical inequalities between the genders but also for the social diktats which have been deeply rooted in the psychology and ideology of the society.

Arupa Patangia Kalita's Written in Tears is a collection of eight short stories which focuses on the impact of the Assam Agitation on women, and the violence, physical, emotional and intellectual, that it caused. Written in Tears is a wholesome glimpse into Assam's food, culture, clothing and traditions. Kalita blends myth in her stories which leads to violence. Kalita's protagonists are strong women characters who defy the diktat of the society, even if they have to suffer for it. But her stories also portray women characters who suffer physically due to the religious law and culture, especially under myth. Arupa Patangia Kalita stands as one of the most powerful voices in contemporary Assamese literature. The book offers great insights into the socio-political-cultural scenario of Assam; the hidden details about everyday life of a community are brought into the spotlight which is not a part of any headlines or newspaper articles. Kalita's writing gets right to the heart of the security issues that the state and its people face. The stories are





disturbing and calls to mind the injustice women suffer at the hands of the conservative society; the collection of stories recounts the harrowing experiences of women who live in a region scarred by conflict.

**"The stocky man, perhaps about five years older to her, dragged Mainao to the centre of the courtyard. Her soft wrist showed the marks of his rough fingers." (187)**

In the short story 'The Girl with Long Hair', Mainao is a cheerful, attractive girl with small, twinkling eyes. She is the firstborn in her family having three younger siblings. She has long lovely hair that reaches down to her hips and that is her prized possession. Unlike other girls, Mainao is fascinated by her dreams; "she likes to imitate a Hindi film herione with long hair. Like her she embellishes her hair with colorful clips." Meanwhile, the andolon is at its zenith; Mainao is never bothered much about the processions, the call for a bandh, or the boys getting into skirmishes with the police and the army personnel. All these never haunted her for she has lived her life seeing all these. Mainao is a happy go lucky person. Three more days are left for puja and Mainao is very excited about it; she finished her puja shopping and then came the news, suddenly they heard that the people from their community are not allowed to participate in the Hindu puja celebration. The boys who are engaged in the andolon announced the ban and warned that those who defy their order would be punished. The news broke in as a disaster for Mainao, what she regarded to be as something distant turned to be affecting her in the reality.

Her friends, Binuma, Reema, Champa and the gang goes in a group to visit the puja venue; Mainao refuses to go with them by shaking her head sadly. Her friends give her a suggestion. "After the next day, the puja would be almost over and the idol would be immersed in the river. So she could go the next day with them; who would notice her among so many girls...It was going to be a secret among themselves." As soon as Mainao arrives they take her under the wings and moves towards the pandal. She wears her dokhana. A few of her friends asks her to change the dokhana

but she refuses to their thought as she remembers her aunt's feverish face. She recalls how her aunt was once a victim of the social diktats; the boys involved in the agitation had given strict restrictions that the girls from their community would only wear dokhanas. Mainao's pehi, her father's sister used her bicycle to go to the college; she found the dokhana to be cumbersome because she was not comfortable in it and so she stitched a salwarkameez set to wear to the college. When the boys came to know about it, they took a pair of scissors, a few boys cut her aunt's dress to tatters. Mainao's aunt returned back to her home weeping; her friends used a copious number of safety pins to hold up the dress somehow. That day a high fever afflicted her aunt and it took three days for her to recover. These days when Mainao thinks of wearing something else other than her usual traditional dress, she instantly remembers the face of her aunt, burning with fever.

"When she returned home it never occurred to anyone that she had already been stamped a criminal."

Mainao, after returning back home, realises that she has already become an enemy of her own people. A meeting is called by the protestors; they all gather in the courtyard of Mainao's house and a few leaders of the movement come too. They all accuse her for going against their religious and social rules; Mainao cries with her head between her knees. "One of the leaders passed the verdict that her hair should be snipped off. A girl who defied the diktat should be taught a lesson." The bulky man drags Mainao, he holds her firmly as Mainao tries to push against the young man. The man uses all his force to cut Mainao's hair. Mainao's parents watch silently; they pacify themselves with the thought that their daughter has committed a sin. People watch the man and Mainao struggling against each other. Mainao's parents just pray that the matter should end with the snipping of her daughter's hair and not go beyond to guns and shootings.

"With each bunch of hair snipped off, Mainao would curl like a Kawoi fish on death throes. Her heartrending cry rent the air. In the tug of war between the two, the red dokhana slipped off, the beads of her





red and yellow necklace tumbled down on the courtyard."

Another sin has been added to Mainao's original sin; the sin is that her virgin body has been touched by a man in public view. According to the ageold myth of 'Asagi and Basagi' which has been told for generations, Mainao must marry the man who has cut her hair. The sisters Asagi and Basagi often stole fruit from the fruit garden of handsome Chandrabao. One day he sets a trap and catches both of them; he holds their soft hands and sets them free. The next day unnatural outcomes start hovering over the earth: "darkness descended at daytime, crows cawed unnanturally; infact everything looked abnormal." People starts assuming that somewehere a young man and a woman must have committed a sin. Chandrabao confesses his sin and the sin is that while freeing the young women he touched their bodies; the judgment is given that Chandrabao, now, has to marry both the sisters.

"Who dared to defy a social diktat going on for hundred of years? After all, oral history like this held their people together."

This tradition of judgment regarding Asagi- Basagi is followed by the people of Mainao's community. Like Chandrabao, the man who has cut off Mainao's hair and came into contact with her body must marry her. What about Mainao? She has no choice, her mind is absolutely blank. All she is seeking for is the smell of a lemon flower, the one which was introduced to her by the headmaster's son who had visited her house once; she was in love with the smell and the man silently, but now it has turned into a distant memory. "The man was asked to stand up. Someone with a deep voice asked Mainao to kneel down and seek the blessings of the people. But Mainao kept standing as if turned to stone; the ability to speak, walk or move the limbs seemed to abandon her."

"Violence has not been a topic of central concern to sociological theory. It has of course been a major topic of research, especially in relation to violent crime and social conflict. But theoretically it has tended to be regarded as residual to questions of social integration, the state, power and conflict." Delanty (2001). Violence

is what happens when integrative institutions and values break down; it can be physical as well as psychological. Under threats an individual can go through a phase of terror and trauma. Gender based violence takes place due to the roots of patriarchy; the theory of inequalities that the patriarchal society carries along with it. Women in Northeast India live under a threatened environment under which they work and struggle to live. Patricia Mukhim writes about the condition of women during the times of insurgency, "While insurgency affects life in general, it has very devastating effects on women, but lack of documentation of the tremendous physical, psychological and mental sufferings undergone by women in conflict situations makes it difficult for the state to make appropriate interventions."

Mainao does not have any agency or choice; her parents could not say anything because they too are the followers of the social diktats; the only thing that they could do was to pray in order to lessen the pain of their daughter, Mainao. Mainao suffers in the hands of the society: under the social diktat, and most importantly in the hands of the myth told for generations. When the decision is taken, Mainao does not try to fight for her self for she knows that nothing good could have been done; she keeps standing as if turned to stone; she stands motionless, the ability to speak, walk or move the limbs seems to abandon her. "Streams of tears flowed down her cheeks. She wiped them, but they flowed again; she wiped them again, but they flowed nevertheless."

To conclude, society which has hold on to the myths for generation has laid its devilish hands over the lives of the individuals; it has led to massive violence leaving no choice in the hands of the individuals. Women have to suffer not only because of their gender, but also for the 'social diktats' which the society carries along with them as a law. The writers from Northeast portray the 'theme of violence' in their writings which is the direct outcome of insurgency and other factors like social, political, religious and economic. Arupa Patangia Kalita's *Written in Tears* brings into light the massive violence that the women undergoes under the name of





'insurgency', 'gender' and 'myth.' 'The Girl with Long Hair' portrays how Mainao suffers in the hands of the social diktats, how the patriarch pulls her into the middle of the courtyard and snips off her hair, her prized possession; it highlights how myth can turn the tables for an individual who has to give her everything, her individual freedom, her choice to inhale life in her own terms; it flashes light on the matter how a woman, Mainao's aunt is humiliated because of her choice, her denial to wear dokhana for she is not comfortable in it and how the boys from the andolon scares her to death. Literature from Northeast digs into the situations from the past and present so that the coming generation can look into the matter, lay their perspectives on the matter, matters which never gets highlighted in the media or in any social platforms.

## References:


- Violence, Politics and Gender: Gabriel S. Bardall.
- Re-capturing Women in Times of Insurgency in North East India through Selected Texts: Arbina Phonglo.
- Review of Literature on the Northeast: Mahanirban Calcutta Research Group.


■■

*"A strong woman stands up for herself. A stronger woman stands up for everyone else."*

— Unknown

# অনুভৱৰ এখিলা পাত

ড° মমী শ্যাম
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

I have a question Sir, বৰ্ণালীয়ে সমল ব্যক্তিজনক অতি সবিনয়ে সুধিলে — "মই প্ৰশ্নটো অসমীয়াতে সোধোনে ছাৰ?"

বিশেষজ্ঞ ব্যক্তিগৰাকীয়ে ক'লে - নিশ্চয় নিশ্চয়। মই অসমীয়াতে উত্তৰ দিম, সোধা!

বৰ্ণালীয়ে প্ৰশ্ন কৰিলে — ছাৰ, আমাৰ পৰিস্থিতিতন্ত্ৰত ব্যাঘাত জন্মাব পৰা যিকোনো বস্তুৱেই আমি পৰিহাৰ কৰিব লাগে। যেনে — প্লাষ্টিক, পলিথিন ইত্যাদি। তদুপৰি এই বিষয়টোৰ সন্দৰ্ভত সজাগতা শিবিৰো অনুষ্ঠিত কৰিব লাগে। কিন্তু মোৰ প্ৰশ্নটো হ'ল আমি এই অপকাৰী সামগ্ৰীসমূহ উৎপাদনত বাধা দিব নোৱাৰোঁ নেকি?

সমল ব্যক্তিগৰাকীয়ে অতি সুন্দৰভাৱে, যুক্তিসহকাৰে কথাষাৰ বুজাই দিলে। সকলো বিষয়ৰে ঋণাত্মক আৰু ধনাত্মক দিশ দুটা থাকে। প্লাষ্টিক ফেক্টৰী বন্ধ কৰাটো যে ইমান সহজ নহয় সেই বিষয়েও অৱগত কৰালে।

উত্তৰ শুনি বৰ্ণালী কিছু পৰিমাণে আশ্বস্ত হ'ল।

কলেজ শিক্ষকসকলৰ শৈক্ষিক দিশটোৰ বিকাশ সাধনৰ বাবে এখন বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা Faculty Induction Programme (FIP)ত অংশগ্ৰহণ কৰি আজিহে অসমীয়া ভাষাত কথা পাতিবলৈ পাই তেওঁ মানসিক প্ৰশান্তিও অনুভৱ কৰিলে। নহ'লে যে আমাৰ সঞ্চালক মহোদয়ে অসমীয়া ভাষাত আলোচনা কৰিবলৈকে নিদিয়ে। কাৰণ হ'ল ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা বিভিন্ন প্ৰান্তৰ পৰা আহি এই অনুষ্ঠানত অংশগ্ৰহণ কৰা অংশগ্ৰহণকাৰীসকলৰ বহুতৰ বাবে অসমীয়া ভাষাটো বোধগম্য নহ'ব পাৰে। অসমীয়া ভাষাত কথা পাতিবলৈ নিদিলেই বৰ্ণালীৰ পেটে পেটে বৰ খং উঠে। অসমতেই যদি অসমীয়া ভাষাটো এলাগী কৰে তেন্তে বৰ্হিৰাজ্যত কি হ'ব? আমাৰ অসমত বৰ্হিৰাজ্যৰ পৰা আহি থিতাপি লোৱা বহু মানুহেই অসমীয়াৰ পৰিৱৰ্তে নিজৰ ভাষাটোকহে প্ৰাধান্য দিয়ে।

এমহীয়াকৈ অনুষ্ঠিত কৰা এই অনুষ্ঠানটো বাৰেৰহণীয়া বিষয়সূচীৰে ভৰপূৰ। বিভিন্ন ক্ষেত্ৰৰ পৰা অহা অভিজ্ঞ সমল ব্যক্তিসকলৰ সুভাষণেৰে বুদ্ধিদীপ্ত আলোচনাসমূহ অতি পৰিশীলিত ৰূপত সম্পাদিত হৈছে। এই ক্ষেত্ৰত অনুষ্ঠানটোৰ উদ্যোক্তাসকল সঁচাকৈয়ে ধন্যবাদৰ পাত্ৰ। কিন্তু অসমীয়া ভাষা ক'বলৈ নিদিয়াটোহে! বৰ্ণালীয়ে আকৌ ভাবিলে — সিদিনা এজন অংশগ্ৰহণকাৰীয়ে Minor Research Project এটা দাখিল কৰোঁতে অসমীয়া ভাষাত বুজাব বিচাৰিছিল; তেতিয়া বিশেষজ্ঞগৰাকীয়ে ক'লে — "আপুনি যদি Project টো বা প্ৰকল্পটো আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যাব বিচাৰে তেন্তে অসমীয়া ভাষাৰ জৰিয়তে সেয়া কেনেকৈ সম্ভৱ হ'ব?" ঠিকেইতো! কথাষাৰ অনস্বীকাৰ্য। আন্তঃৰাষ্ট্ৰীয় ভাষাৰ মৰ্যাদা আৰু প্ৰভাৱ কোনেও নুই কৰিব নোৱাৰে। সেইবুলি মাতৃভাষাক অৱহেলা কৰা বা মাতৃভাষাক হীন চকুৰে চোৱা এই কথাষাৰক বৰ্ণালীয়ে সহ্য নকৰে। মানুহে প্ৰগতিৰ নামত, উন্নতিৰ নামত নিজস্বতা হেৰুৱাই নেকি? অসমীয়া ভাষা-সাহিত্যৰ এজন কৰ্ণধাৰ ব্যক্তি আনন্দৰাম ঢেকিয়াল ফুকনদেৱে এসময়ত অসমৰ উন্নতিৰ কথা চিন্তা কৰি কৈছিল — "অসম হাবি গুচি ফুলবাৰী হ'ব...।" অসমত ফুলবাৰী হ'ব ঠিকেই কিন্তু সেই ফুলনিখনক ফুলনি বা ফুলবাৰী বুলি ক'ব জনা কিমান সংখ্যক মানুহ ৰ'বগৈ। ভাবিলেই শংকিত নহওঁনে?

সকলোবোৰ চিন্তা বাদ দি এইবাৰ বৰ্ণালীয়ে অনুষ্ঠানৰ শেষৰ দিনা অনুষ্ঠিত হ'বলগীয়া পাঠ্যক্ৰম বৰ্হিভুত দক্ষতা প্ৰদৰ্শনৰ যি কৰ্মসূচী আছে তাত অংশগ্ৰহণ কৰিবৰ বাবে নিজকে সাজু কৰিবৰ যত্ন কৰিলে। চিন্তা কৰিলে গান এটাকে গাব। কিন্তু কি গাব? আকৌ চিন্তা হ'ল অসমীয়াতে যদি গাবলৈ নিদিয়ে? দুটামান ইংৰাজী গানৰ অন্তৰা গুণগুণাই চালে —

'O Krishna
You are a greatest musician
of the world...."

ওহোঁ নহ'ব। ইয়াৰ পিছৰ ছোৱা দেখোন হিন্দী।

আকৌ এটা ভাবিলে

'My adorable darling
I think of you,
every night, every morning

নহ'ব, নহ'ব। ইয়াৰ পিছৰ ছোৱাও হিন্দী।

এইবাৰ আকৌ এটা গান Pure English

"My heart goes salalala-la.
salala in the morning...""

বৰ্ণালীয়ে নিজকে নিজে ক'লে — "হেৰৌ মানুহৰ মনৰ আৱেগ অনুভূতিক প্ৰকাশ কৰিবৰ বাবে মাতৃভাষাৰ সমান আন কিবা আছে জানো? বেলেগ ভাষাত গালি পাৰিলেও দেখোন শান্তি নালাগে। আমাৰ সুখ-দুখ, হাঁহি-কান্দোনক ব্যক্ত কৰিবৰ বাবে মাতৃভাষাই হ'ল একমাত্ৰ আৰু সৰ্বোৎকৃষ্ট মাধ্যম। মই অসমীয়া গীতকে গাম; মনতে থিৰাং কৰিলোঁ। নীলোৎপল বৰাই গোৱা সেই গীতটো য'ত লোক সংগীতৰ সুৰৰ মাধুৰ্য্য আছে —

"ৰিণিকি ৰিণিকি ৰাঙলী বেলিটি
জিলিকে মাজুলীতে অ'...।
জেঠৰে জুৰুলা শাওণে খহোৱা
বুকুতে বনগীত হৈ...।

হয় ভাল হ'ব। বেচ মিলিব। আমাৰ অসমীয়া ভাষাটোও মাজুলীৰ দৰেই অৱস্থানত আছে। কথাষাৰ নিশ্চিত কৰি বৰ্ণালী বিচনালৈ গ'ল। কিন্তু চিন্তাৰ জানো অন্ত আছে? পৰিবেশ প্ৰদূষণে যেনেকৈ জীৱকূললৈ ভয়াবহতা নমাই আনিছে ঠিক তেনেদৰে গোলকীকৰণ তথা আধুনিক সমাজ জীৱনে অসমীয়া ভাষালৈও শংকা কঢ়িয়াই আনিছে। অসমীয়া ভাষাৰ ভৱিষ্যত কি হ'ব সেই প্ৰশ্নৰ সঠিক উত্তৰ হয়তো পোৱা নাযাব। উত্তৰ নোপোৱা সেই প্ৰশ্নটোক লৈয়ে বৰ্ণালী শুই পৰিল...। ■

# অসমৰ মিচিং জনগোষ্ঠীৰ সমাজ জীৱনত নাৰীৰ স্থান ঃ

## এটি আলোকপাত

ৰুমা পায়েং
সহকাৰী অধ্যাপক, দৰ্শন বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

**আৰম্ভণি ঃ**

বিভিন্ন জাতি-জনগোষ্ঠীৰ সংমিশ্ৰণতেই বৃহত্তৰ অসমীয়া জাতি গঢ় লৈ উঠিছে। অসমীয়া জাতি গঠনত অৱদান আগবঢ়োৱা অন্যতম এক জনজাতীয় জনগোষ্ঠী হ'ল মিচিং জনগোষ্ঠী। ভাষা বিজ্ঞানীসকলৰ মতে মিচিংসকল মূলতঃ মংগোলীয় গোষ্ঠীৰ তিব্বত বৰ্মী ভাষা পৰিয়ালৰ, উত্তৰ-পূৰ্বাঞ্চলৰ লোক। মিচিং শব্দৰ অৰ্থ হ'ল শীতল মনৰ মানুহ। মিচিংসকলক সাধাৰণতে মিৰি বুলিয়েই জনা যায়। মিৰি শব্দটো অসমৰ ভৈয়ামৰ লোকে দিয়া নাম। মিচিংসকলে নিজকে মিচিং বুলিয়েই পৰিচয় দিয়ে। মিৰি বা মূৰ (পুৰোহিত) নামটোৰ পৰা মিৰি হোৱা বুলি অনুমান কৰা যায়। ৰাজ্যখনৰ ধেমাজি, লখিমপুৰ, ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট, মাজুলী, গোলাঘাট, শোণিতপুৰ জিলাৰ লগতে অৰুণাচলৰ পূৱ চিয়াং, লোহিত, ডিবাং ভেলী জিলাসমূহত মিচিং জনগোষ্ঠীৰ জনবসতি আছে। বৰ্তমান মিচিংসকলৰ জনসংখ্যা পাঁচ লাখতকৈ অধিক।

**মিচিংসকলৰ সমাজ ব্যৱস্থা ঃ**

মিচিং সমাজ গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰে নিয়ন্ত্ৰিত। প্ৰত্যেকখন মিচিং গাঁৱত একোজনকৈ গাম অৰ্থাৎ গাওঁবুঢ়া থাকে। তেওঁৰ নিৰ্দেশমতে গাঁৱৰ সমাজ ব্যৱস্থা, মেল, মোকৰ্দমা, যুদ্ধ বিগ্ৰহ আদি চলে। মিচিং জনগোষ্ঠীৰ অন্তৰ্গত ফৈদ কেইবাটাও আছে। সেইকেইটা হ'ল - দেলু (Delu ), পাগৰ্ (Pagro), মঃয়ুং (Mo:ying), চাঃয়াং (Sa:yang), অয়ান (Oyan), দামবুগ (Dambug) আৰু চামুগুৰিয়া (Samuguria)।

মিচিংসকলে সাধাৰণতে নদীৰ পাৰত চাংঘৰ সাজি বসবাস কৰে। তেওঁলোকৰ ঘৰবোৰ বাঁহ, বেত, খেৰেৰে সজা হয়। সাম্প্ৰতিক সময়তো এই সংস্কৃতি ধৰি ৰখাৰ প্ৰয়াস পৰিলক্ষিত হয়।

**বিবাহ ঃ**

মিচিংসকলৰ বৈবাহিক নীতি সুনিৰ্দিষ্ট আৰু কটকটীয়া। মিচিং সমাজ পিতৃ প্ৰধান। বিবাহ হ'লে বিবাহিতা কন্যা পতি গৃহলৈ যায়। নৱ দম্পতিৰ সকলো পুত্ৰ কন্যাই পিতৃ বংশত অন্তৰ্ভূক্ত হয়। মিচিং





সমাজ ব্যৱস্থাত বিবাহ (মিদাং) কেইপ্ৰকাৰৰো আছে যেনে - দাঃৰঃ মিদাং (বৰ বিয়া), কুমচু-জঃচু (আৰ্শীবদীয়া বিয়া) দুগলা লাঃনাম (পলুৱাই নিয়া বা গন্ধৰ্ব বিয়া) আৰু চলা লাঃ নাম (হৰণ কৰি নি পতা বিয়া) আদি। আজিকালি হৰণ কৰি নি পতা বিয়া নাইকিয়া হৈ আহিছে।

উল্লেখযোগ্য যে মিচিংসকলৰ যিকোনো বিয়াতে (ক) জোৰোণৰ নিয়ম নাই, (খ) যৌতুক প্ৰথা নাই, (গ) কইনাক নিজা ঘৰত সাধ্যানুসাৰে জাতীয় সাজ-পোছাকেৰে পিন্ধাই স্বকীয় পৰম্পৰাৰে সজাই পৰাই উলিয়াই দিয়াৰ নিয়ম আছে, (ঘ) গহণা-পাতিৰ কোনো বাধ্যবাধকতা নাই আৰু প্ৰশ্নও তুলিব নোৱাৰে। মিচিং সমাজত স্ব-গোত্ৰ বিবাহ নিষিদ্ধ। বহু পত্নী বিবাহৰ প্ৰচলন আছে, কিন্তু বহু পতি বিবাহৰ প্ৰচলন নাই। বাল্যবিবাহ প্ৰথাও মিচিং সমাজত নাই। বিধবাৰ পুনৰ্বিবাহ আছে।

**সাজ-পাৰ ঃ**

মিচিং মহিলাই পৰিধান কৰা সাজ-পাৰসমূহ তলত উল্লেখ কৰা হ'ল -

(ক) এগে — মিচিং মহিলাই সাধাৰণতে পৰিধান কৰা মেখেলাক এগে বুলি কোৱা হয়।

(ক) মচাঃ নাম য়াকান এগে — মচাঃ নাম য়াকান এগে অসমীয়াত ফুলেৰে তুলি ধৰা ক'লা মেখেলা বুলিব পাৰি। মিচিংসকলৰ বিয়াত কইনাক মচাঃ নাম য়াকান এগে পিন্ধোৱা নিয়ম প্ৰচলিত।

(গ) গাজগ এগে — গাজগ এগে হৈছে মিচিং মহিলাই মেখেলা হিচাপে পৰিধান কৰা এবিধ বস্ত্ৰ। এইবিধ বস্ত্ৰক ক'লা, ৰঙা, বগা, কমলা আদি ৰঙৰ মিশ্ৰণেৰে ঘৰ টানি মাজত বহলকৈ গামিগ তুলি বোৱা হয়।

(ঘ) গাচৰ — গাচৰ মানে হ'ল চাদৰ।

(ঙ) ৰিবি — ৰিবি হৈছে মিচিং মহিলাই মেখেলা চাদৰৰ লগত শীতকালত শ্বল হিচাপে ব্যৱহাৰ কৰা এবিধ ডাঠ বস্ত্ৰ।

(চ) চেগৰেগ — এই পোছাকটো কেঁচুৱাক বোকোচাত বান্ধিবলৈ ব্যৱহাৰ কৰা হয়। ইয়াৰোপৰি এই পোছাকটো আদহীয়া মহিলাই মেখেলাৰ ওপৰত সমানে সমানে ব্যৱহাৰ কৰা নিয়ম প্ৰচলিত।

(ছ) গেৰঃ — গেৰঃ মেখেলাৰ ওপৰত পৰিধান কৰা মেঠনিজাতীয় এবিধ সাজ। গাভৰুৱে কঁকালৰ পৰা মেৰিয়াই আৰু বোৱাৰীয়ে বুকুৰ পৰা মেৰিয়াই পিন্ধে। পূজা উৎসৱ, নৃত্য, বিয়া আৰু ৰাজহুৱা অনুষ্ঠান আদিত গেৰঃ পৰিধান কৰা নিয়ম প্ৰচলিত।

**গৃহিণী হিচাপে নাৰী ঃ**

ঘৰুৱা কাম-কাজত নাৰীয়ে বিশেষ ভূমিকা পালন কৰে। মিচিং তিৰোতা পুৰষতকৈ অধিক পৰিশ্ৰমী। মিচিং তিৰোতাসকলে ঘৰুৱা কাম-কাজতেই সীমাবদ্ধ নাথাকি খেতি-বাতি কৰে আৰু গাহৰি, কুকুৰা, ছাগলী, হাঁহ আদি পুহি বাহিৰা উপাৰ্জন কৰে। নাও বোৱাতো মিচিং তিৰোতাসকল অতি পাকৈত। মিচিং মহিলাসকলে লাওপানী (আপং) আৰু ছাইমদ (পঃ ৰঃ আপং) অতি সুন্দৰভাৱে তৈয়াৰ কৰে। লাওপানী আৰু ছাইমদ এই দুটাক সকাম, বিয়া আৰু জাতীয় উৎসৱ আলি আয়ে লৃগাং আৰু নৰা-ছিগা (পঃৰাগ)ত অতি প্ৰয়োজন হয়। তাৰোপৰি মিচিং মহিলাসকলে গাহৰি মাংস, পুৰাং আপিনৰ সৈতে মাটিমাহ দাইল, পোৰা মাছ বা মাংস, শুকান মাছ আৰু নামচিং আদি অতি সুন্দৰভাৱে ৰান্ধে।

**বয়ন শিল্প ঃ**

মিচিং ছোৱালীয়ে খোজ কাঢ়িবলৈ শিকাৰ

আগতে নাচিব জানে আৰু কাপোৰ পিন্ধিবলৈ শিকাৰ আগতে তাঁত ব'ব জানে। এনে শিল্প নৈপুণ্য পৃথিৱীৰ অন্যান্য জনজাতিৰ মাজত বিৰল। মিচিং শিপিনীয়ে কাপোৰত সপোনৰ সৰগ ৰচে। বগা, ৰঙা, ক'লা, হালধীয়া আৰু সেউজীয়া এই পঞ্চ ৰঙেৰে চুকীয়া, কোণীয়া, ঘূৰণীয়া, লতীয়া আৰু সমান্তৰাল ৰেখাৰ নানা বিধ ফুল আছে। এগে, গাচৰ, গাজগ এগে, ৰিবিঃ, চেগৰেগ, গেৰঃ, দুমৌৰ আদি তিৰোতাৰ পৰিধানৰ কাপোৰবোৰত বোৱা-কটাৰ চানেকি বিদ্যমান। ইয়াৰ উপৰি এড়ী কাপোৰ মিৰি জিম নামেৰে খ্যাত গাদু তেওঁলোকৰ উৎকৃষ্ট বোৱা কটাৰ নিদৰ্শন।

মিচিংসকলৰ বোৱা-কটা আৰু পিন্ধাতো কিছুমান বিশ্বাস অন্তৰ্নিহিত হৈ আছে। ঘৰৰ মুখিয়াল লোকে মাংগলিক কামলৈ যাত্ৰা কৰিলে তাঁত বাতি কৰা নিষেধ। গাঁৱৰ কোনো লোকৰ মৃত্যু হ'লে সেইদিনাই তাঁত বোৱা নিষেধ। তিৰোতাই ঋতুমতী হ'বৰ সময়ত ক'লা মেখেলা পিন্ধাৰ নিয়ম।

**নৃত্য-গীত ঃ**

মিচিং জনগোষ্ঠীৰ জীয়ৰী-বোৱাৰীৰ বাবে নৃত্য-গীত অতিশয় প্ৰিয়। মিচিং ভাষাত পাকচং বা মাকচং শব্দৰ অৰ্থ হ'ল নৃত্য। বিষয়বস্তু আৰু পৰিৱেশনৰ ৰীতিৰ ওপৰত নিৰ্ভৰ কৰি মিচিং নৃত্যক বহলকৈ তিনিটা ভাগত ভগাব পাৰি। যেনে -

১। ধৰ্মমূলক — ধৰ্মীয় লোকবিশ্বাস, পূজা-পাতল আদি বিষয়ক কেন্দ্ৰ কৰি যিবোৰ নৃত্য পৰিৱেশন কৰা হয় সেইবোৰক ধৰ্মমূলক নৃত্যৰ শ্ৰেণীত ধৰিব পাৰি।

২। কৃষি উৎসৱমূলক — শস্য ৰোপন, উৎপাদন আৰু বৃদ্ধিৰ কাৰণে আনুষ্ঠানিক ক্ৰিয়া কৰাৰ পিছত যিবোৰ নৃত্য কৰা হয় সেইবোৰক কৃষি উৎসৱমূলক নৃত্য বোলা হয়। কৃষি উৎসৱমূলক নৃত্যৰ ভিতৰত ঘাইকৈ আলিঃ আয়েঃ লৃগাঙৰ কথা উল্লেখ কৰিব পাৰি।

৩। বিশ্ৰামমূলক — অৱসৰ বিনোদনৰ কাৰণে মাজে সময়ে বিহু বা চমান নৃত্যবোৰক বিশ্ৰামমূলক নৃত্য বুলিব পাৰি।

পুৰুষ মহিলা উভয়ে এনে নৃত্যত অংশগ্ৰহণ কৰে।

অসমৰ অন্যান্য জনগোষ্ঠীৰ ভিতৰত মিচিংসকল লোকগীতত অতি চহকী। মিচিং ভাষাত অ়ঃ নাম, আবেঃ মনাম, নিঃতম শব্দবোৰৰ অৰ্থ হ'ল গীত। মিচিং জনগোষ্ঠীৰ অ়ঃ নাম, আবেঃ, মনাম, নিঃতম (গীত)ৰ ভাগসমূহ তলত উল্লেখ কৰা হ'ল।

১। মিবু আঃ বাং — মিবু হৈছে মিচিংসকলৰ পুৰোহিত। মিবুৱে দেও উঠোতে গোৱা গীতবোৰকে মিবু আঃ বাং বুলি কোৱা হয়।

২। কাবানঃ কাবানৰ অৰ্থ হ'ল বিননি। দুখ-বেদনা, হৰ্ষ-বিষাদ, স্মৃতি ৰোমন্থন আদি বৰ্ণনাৰে গোৱা গীতবোৰেই হৈছে কাবান।

৩। বৃনিঃ নিঃ নাম — বৃনিঃ নিনাম শব্দটো 'নেবৃং আৰু নিঃনাম' শব্দৰ পৰা সৃষ্টি হৈছে। নেবৃং শব্দৰ অৰ্থ হৈছে কেঁচুৱা উমলিবলৈ আৰু ৰখীয়া হিচাপে ৰখা কম বয়সীয়া ছোৱালী বা নিচুকাওতা আৰু নিনামৰ অৰ্থ হ'ল নিচুকা। মাকে গোৱা নিচুকনি গীতবোৰত ক-নিঃনাম আৰু নেবৃঙে গোৱা নিচুকনি গীতবোৰক বৃনিঃ নিঃনাম বুলি কোৱা হয়।

৪। লৃগাং লঃলে — (লৃগাং উৎসৱত গোৱা লঃলে গীত) আলিঃ আঃয়ে লৃগাঙত গোৱা গীতবোৰ বৃঃবৃগ গীত হিচাপে অৰ্থাৎ ঋতু গীত হিচাপে গোৱা হয়।

৫। মিদাং নিঃতম — বিয়াত গোৱা গীতবোৰক মিদাং নিঃতম বুলি কোৱা হয়।

৬। মমান নিঃতম — নানাধৰণৰ খেল-ধেমালিৰ গীতবোৰক মমানঃ নিঃতম বোলা হয়।

৭। অই নিঃতম — অই নিঃতম হ'ল মিচিংসকলৰ আটাইতকৈ জনপ্ৰিয় লোকগীত। মিচিং অইনিঃতমবোৰ প্ৰধানকৈ প্ৰেম প্ৰণয়মূলক যদিও মিচিং সমাজৰ প্ৰতিটো স্তৰতে ই প্ৰভাৱ পেলাব পাৰে।

মিচিংসকলে ফাগুন মাহৰ প্ৰথম বুধবাৰটোত প্ৰতিবছৰে জাতীয় উৎসৱ আলিঃ আঃয়ে লৃগাং পালন কৰে। নতুন শস্য ৰোপনৰ বাবে, পৃথিৱী, মাতৃ আৰু পূৰ্ব পুৰুষসকলক তোষণ কৰিবলৈ এই উৎসৱ পতা হয়।

আদিতে মিচিং নাৰীসকল শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত অনগ্ৰসৰ আছিল। অভিভাৱকে ছোৱালীক ঘৰৰ বাহিৰত শিক্ষা দিবলৈ মুঠেই আগ্ৰহী নাছিল। বৰঞ্চ শিক্ষা দি কোনো লাভ নাই বুলি ভাবি লৈছিল। ছোৱালীয়ে (নাৰী) ঘৰৰ চাৰিবেৰৰ ভিতৰৰ কামখিনিৰ লগতে বাহিৰ (পথাৰ)ৰ কামতো অংশ ল'ব লাগিছিল। আজিও বহু সংখ্যক মিচিং নাৰী এইটোৰ পৰা হাত সাৰিব পৰা নাই। অভিভাৱকসকলে ভাবিছিল ছোৱালীয়ে তাঁত ব'বলৈ শিকাটোৱেই বহুত। মিচিং সমাজত কোনো এজনী ছোৱালীয়ে তাঁত ব'ব নাজানিলে বৰ লজ্জিত হ'ব লগা হৈছিল। কিন্তু সাম্প্ৰতিক কালত মিচিং নাৰীয়েও বিজ্ঞান, গৱেষণা, অফিচ-কাছাৰী সকলোতে কিছু হ'লেও আগবাঢ়ি আহিছে। সেয়া নিশ্চিতৰূপে শুভ লক্ষণ। তদুপৰি প্ৰায়বোৰ মহিলাই নিজৰ সন্তানক শিক্ষা দিব পৰাকৈ প্ৰয়োজনীয় শিক্ষা আহৰণ কৰিছে।

গতিকে দেখা যায় যে কোনো এক জনগোষ্ঠীয়ে নাৰীক অধিক স্বাধীনতা দিয়ে বা নিদিয়ে বুলি ক'ব নোৱাৰি। সেয়া বহু পৰিমাণে নিৰ্ভৰ কৰে কন্যাগৰাকীৰ পিতৃ-মাতৃ তথা জীৱন সংগীৰ মানসিকতা আৰু ধ্যান-ধাৰণাৰ ওপৰত।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


পাদুন নাহেন্দ্ৰ — মিচিং সংস্কৃতিৰ পটভূমি, প্ৰকাশক, মিচিং আগম কেবাং প্ৰথম প্ৰকাশ - ২০১৬ জানুৱাৰী, দ্বিতীয় প্ৰকাশ - ২০১৭ জুন।

পেগু জুৰেল — মিচিং সমাজ সংস্কৃতি আৰু পৰম্পৰা, প্ৰকাশক - ৰঙানৈ প্ৰথম প্ৰকাশ - ২০১৬, মে

পাদুন নাহেন্দ্ৰ — মিচিং লোকগীত মিবু-মিবৃ আঃ বাং, প্ৰথম প্ৰকাশ - জানুৱাৰী, ২০০৫, দ্বিতীয় প্ৰকাশ ছেপ্তেম্বৰ।


***"The most beautiful thing a woman can wear is confidence."***

**— Blake Lively**

# ইতিহাসৰ জলঙাৰে আহোম যুগৰ নাৰী নেতৃত্ব

**সংঘমিত্ৰা শৰ্মা**
সহকাৰী অধ্যাপক, ইতিহাস বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

সাম্প্ৰতিক সময়ত নাৰী শিক্ষাৰ অগ্ৰগতিৰ লগে লগে সমাজত নাৰীৰ স্থান আৰু ভূমিকা বৃদ্ধি পাইছে। নিঃসন্দেহে সামাজিক বিকাশ আৰু উত্তৰণৰ স্বাৰ্থত সমাজত নাৰীৰ অৱদান অপৰিহাৰ্য। আধুনিক কালত ইয়ে পুৰুষৰ সমানে নাৰীৰ সম অধিকাৰৰ ন্যায্যতাক প্ৰাসংগিক কৰে। তথাপিও এনে প্ৰেক্ষাপটত সাম্প্ৰতিক সময়ত নাৰী নেতৃত্বৰ কথা ক'বলৈ গ'লে, কিছু ব্যতিক্ৰমক বাদ দি এই সংখ্যা বৰ বেছি আশাপ্ৰদ নহয়। ইয়াৰ আঁৰত বিভিন্ন সামাজিক আৰু ব্যক্তিগত কাৰক নিহিত থকাৰ কথা নুই কৰিব নোৱাৰি। অৱশ্যে এই আলোচনাত উক্ত কাৰকসমূহৰ ওপৰত আলোকপাত কৰিব বিচৰা হোৱা নাই। বৰঞ্চ মধ্যযুগৰ অসমৰ এনে কেইগৰাকীমান ব্যতিক্ৰমী নাৰীৰ অৱদান সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে, যিয়ে আমাৰ ঐতিহাসিক চেতনা বৃদ্ধিত সহায়ক হ'ব।

সাধাৰণতে মধ্যযুগৰ অসমৰ, বিশেষকৈ আহোমসকলৰ অৱদানৰ বিষয়ে যেতিয়া আলোচনা কৰা হয়, তেতিয়া ঘাইকৈ আহোম ৰজাসকলৰ অৱদানৰ বিষয়ে আলোচিত হয়। এইক্ষেত্ৰত আহোম ৰমণী বা মহিলাসকলৰ সমাজ-ৰাজনীতিত থকা অৱদান সম্পৰ্কীয় চৰ্চা কম পৰিলক্ষিত হয়।

অসমত আহোম যুগৰ সূচনা হয় খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ আৰম্ভণিত। ১২২৮ খ্ৰীষ্টাব্দত চুকাফাৰ নেতৃত্বত শানসকলৰ এটা দল ম্যানমাৰৰ মুংমাওঁ অঞ্চলৰ পৰা পাটকাই পৰ্বত পাৰ হৈ অসমত প্ৰৱেশ কৰিছিল। ইয়াৰ পৰৱৰ্তী ১২২৮ খ্ৰীষ্টাব্দৰ পৰা ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ সময়লৈকে আহোমসকলে প্ৰায় ছশ বছৰ শাসন কৰি বৰ অসমৰ ভেটি সুদৃঢ় কৰিছিল। এই ছশ বছৰীয়া আহোম শাসনকালত বহুকেইগৰাকী নাৰী শাসকৰ উল্লেখ পোৱা যায়। শাসন কাৰ্যত অংশ লোৱা নাৰীসকল অৱশ্যে বেছিভাগেই পৰিয়ালকেন্দ্ৰিক সম্পৰ্কৰ দ্বাৰা শাসকগোষ্ঠীৰ লগত জড়িত। এইসকলৰ ভিতৰত আহোম সিংহাসনত প্ৰত্যক্ষভাৱে অধিষ্ঠিত প্ৰথমগৰাকী মহিলা হৈছে ফুলেশ্বৰী কুঁৱৰী। তেওঁ স্বৰ্গদেউ শিৱসিংহৰ প্ৰথম পত্নী আছিল। ফুলেশ্বৰী কুঁৱৰী শাসনলৈ অহাৰ আঁৰৰ কাৰণটো বিশ্লেষণ কৰিলে দেখা পোৱা যায় পুৰুষতান্ত্ৰিক সমাজৰ স্বাৰ্থপৰতা। দৰাচলতে জ্যোতিষীসকলে শিৱ সিংহৰ





প্ৰতিকুল সময় তথা ছত্ৰভংগ যুগৰ কথা কোৱাত, ৰজা শিৱসিংহই মুখ্য পুৰোহিতৰ পৰামৰ্শমৰ্মে সিংহাসনৰ দায়িত্ব ৰাণী ফুলেশ্বৰী কুঁৱৰীৰ হাতত ন্যস্ত কৰে। অৰ্থাৎ অন্ধবিশ্বাস আৰু স্বাৰ্থৰক্ষাৰ হেতু ৰাণী ফুলেশ্বৰী কুঁৱৰীক ব্যৱহাৰ কৰিছিল শিৱসিংহই।

ফুলেশ্বৰী কুঁৱৰী দেৱগাঁৱৰ শিৱদৌলৰ লগত জড়িত এগৰাকী নৰ্তকী আছিল। তেওঁৰ প্ৰকৃত নাম আছিল ফুলমতি। ফুলেশ্বৰী কুঁৱৰী নৰ্তকী হোৱালৈ চাই ক'ব পাৰি, মধ্যযুগত অসমত দেৱদাসী প্ৰথাৰ প্ৰচলন শিৱসিংহৰ সময়লৈকে ব্যাপ্ত আছিল। ৰাণী হোৱাৰ পৰৱৰ্তী স্তৰত ফুলেশ্বৰী কুঁৱৰীয়ে প্ৰমথেশ্বৰী নাম লয় আৰু বৰৰজা উপাধি গ্ৰহণ কৰে। প্ৰণিধানযোগ্য যে প্ৰাচীন আৰু মধ্যযুগৰ ভাৰতৰ প্ৰায়ভাগ ৰজাই নিজৰ পৰাক্ৰম প্ৰদৰ্শনৰ বাবে উপাধি গ্ৰহণ কৰাটো সেইযুগৰ এটা পৰম্পৰা আছিল আৰু এই একেটা পৰম্পৰা অসমতো দেখিবলৈ পোৱা গৈছিল। যদিও ফুলেশ্বৰী কুঁৱৰী সিংহাসনত আৰোহণ কৰিছিল তথাপি তেওঁ স্বাধীনভাৱে নিজৰ নামত মুদ্ৰা প্ৰৱৰ্তন কৰিব পৰা নাছিল। তেওঁ স্বামী শিৱসিংহৰ লগত যৌথভাৱেহে মুদ্ৰা প্ৰৱৰ্তন কৰিছিল। এইয়া নিঃসন্দেহে আহোম ৰাজতন্ত্ৰৰ পুৰুষতান্ত্ৰিক চৰিত্ৰৰ স্পষ্ট উদাহৰণ।

ফুলেশ্বৰী কুঁৱৰীয়ে ১৭২২ চনৰ পৰা ১৭৩১ চনলৈ আহোম ৰাজ্য শাসন কৰিছিল। তেওঁৰ শাসনকালত বিভিন্ন ধৰণৰ জনহিতকৰ কাম আৰম্ভ আৰু সাহিত্য-সংস্কৃতিৰ বিকাশ সাধন হৈছিল। তেওঁ প্ৰজাৰ হিতৰ বাবে বিখ্যাত গৌৰীসাগৰ পুখুৰী খন্দোৱাইছিল। পুখুৰীৰ তিনিওটা পাৰত ক্ৰমে শিৱ, বিষ্ণু আৰু দেৱী দৌল নিৰ্মাণ কৰিছিল। অন্যহাতে শিক্ষাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰতো তেওঁ বিশেষ গুৰুত্ব দিছিল আৰু আহোম ৰাজভৱনৰ ভিতৰতেই এখন সংস্কৃত টোল নিৰ্মাণ কৰিছিল। তেওঁৰ পৃষ্ঠপোষকতাত কবিৰাজ চক্ৰৱৰ্তীয়ে শংখচূড় বধ আৰু শকুন্তলা কাব্য ৰচনা কৰিছিল। বয়ন শিল্পৰ ক্ষেত্ৰত ৰাণী ফুলেশ্বৰী কুঁৱৰীয়ে ব্যক্তিগতভাৱে কমবয়সীয়া ছোৱালীবোৰক প্ৰশিক্ষণ দিছিল। তেওঁৰ এই প্ৰয়াসক মহিলাসকলক স্বাৱলম্বী কৰাৰ এক সবল প্ৰচেষ্টা বুলি ঠাৱৰ কৰিব পাৰি।

ফুলেশ্বৰী কুঁৱৰীৰ মৃত্যুৰ পাছত শিৱসিংহই তেওঁৰ ভনীয়েক দ্ৰৌপদীক বিয়া কৰাই আৰু নাম নিয়ে অম্বিকা কুঁৱৰী। অম্বিকা কুঁৱৰীয়ে ১৭৩১ চনত শাসনলৈ আহি বৰৰজা উপাধি লয়। এইগৰাকী ৰাণীয়েও ফুলেশ্বৰী কুঁৱৰীৰ দৰে বিভিন্ন জনহিতকৰ কামত নিজকে নিয়োজিত কৰিছিল। তেওঁৰ শাসনকালত ঐতিহাসিক শিৱসাগৰ পুখুৰী খন্দা হৈছিল। ইয়াৰ লগতে পুখুৰীৰ পাৰত ক্ৰমে শিৱ, বিষ্ণু আৰু দেৱী দৌলৰ নিৰ্মাণ কৰোৱাইছিল। তেওঁৰ দিনতে সুকুমাৰ বৰকাইথে হাতীৰ বিষয়ে বিশদ বিৱৰণ থকা গ্ৰন্থ 'হস্তীবিদ্যাৰ্ণৱ' লিখি উলিয়াইছিল। ১৭৩৮ চনত অম্বিকা কুঁৱৰীৰ মৃত্যুৰ পাছত শিৱ সিংহই অনাদৰী কুঁৱৰীক বিয়া কৰায় আৰু সৰ্বেশ্বৰী কুঁৱৰী নাম দি বৰৰজা পাতে। শিৱসিংহই তিনিগৰাকী কুঁৱৰীক বিয়া পতা কথাই আহোম যুগত পুৰুষৰ বহুবিবাহ প্ৰথা প্ৰচলনৰ কথাকে সূচায়।

আহোম যুগৰ বিশিষ্ট ৰমণীসকলৰ ভিতৰত অন্যতম এটি উল্লেখযোগ্য নাম চাওচিং কুঁৱৰী। তেওঁ এগৰাকী বিদুষী আহোম কুঁৱৰী। তেওঁ চুক্লেংমুং গড়গঞা ৰজাৰ পত্নী আছিল। এইগৰাকী কুঁৱৰীয়ে আহোম ৰাজধানী চৰগুৱাৰ পৰা গড়গাঁওলৈ স্থানান্তৰ কৰিবলৈ ৰজাক পৰামৰ্শ দিছিল আৰু সেই অনুসৰিয়েই ৰজাই ৰাজধানী গড়গাঁওলৈ স্থানান্তৰ

করিছিল। এই দূৰদৰ্শী সিদ্ধান্তৰ বাবেই কিছুদিনলৈ আহোম ৰাজ্যৰ সীমা সুৰক্ষিত হৈ আছিল। সেয়েহে ইতিহাসবিদ স্বৰ্ণলতা বৰুৱা আৰু ডম্বৰুধৰ নাথে তেওঁক বিদূষী নাৰী হিচাপে উল্লেখ কৰিছে। বৈবাহিক সম্বন্ধৰ জৰিয়তে ওচৰ-চুবুৰীয়া ৰাজ্যৰ লগত কূটনৈতিক সম্পৰ্ক স্থাপন কৰাটো ইতিহাসৰ এক প্ৰাচীন পৰম্পৰা। ভাৰতীয় চানক্য নীতিয়েও ৰাষ্ট্ৰ পৰিচালনাত থাকিবলগীয়া প্ৰধান উপাদানৰূপে এই মিত্ৰতাক চিহ্নিত কৰিছে। আহোম স্বৰ্গদেউসকলেও এই নীতি অনুসৰণ কৰি ওচৰ-চুবুৰীয়া ৰাজ্য, পাৰ্বত্য অঞ্চল আদিৰ লগত সৌহাদ্যপূৰ্ণ সম্পৰ্ক স্থাপন কৰিবলৈ বৈবাহিক সম্পৰ্কক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। ইয়াৰ এক উৎকৃষ্ট উদাহৰণ স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ আৰু মণিপুৰৰ ৰজা জয়সিংহৰ জীয়ৰী কুৰংগনয়নীৰ বিবাহ। কুৰংগনয়নী ৰাজেশ্বৰ সিংহৰ প্ৰধান পত্নী আছিল। পৰৱৰ্তী মোৱামৰীয়া বিদ্ৰোহৰ সময়ত মৰাণ শাসক ৰাঘ মৰাণে বলপূৰ্বক কুৰংগনয়নীক বিয়া কৰাইছিল। ইয়াৰ পোতক তুলিবলৈ ৰাণী কুৰংগনয়নীয়ে ৰাঘ মৰাণক কৌশলেৰে প্ৰাণ নাশ কৰে। ৰাঘ মৰাণৰ মৃত্যুৰ ফলত আহোম ৰাজ্য সাময়িকভাৱে মোৱামৰীয়া বিদ্ৰোহৰ পৰা ৰক্ষা পৰিছিল।

আহোম ৰাজনীতিত অংশগ্ৰহণ কৰা আন এগৰাকী মহিলা ৰাজমাও ডাঙৰীয়ানী। তেওঁ চন্দ্ৰকান্ত সিংহৰ মাতৃ। ৰাজমাও ডাঙৰীয়ানীয়ে বদন বৰফুকনক অসমলৈ মান অনাৰ বাবে জগৰীয়া কৰিছিল আৰু ৰূপ সিং চুবেদাৰৰ হতুৱাই তেওঁক হত্যাৰ আঁচনি কৰিছিল।

আহোম যুগৰ ৰমণীসকল সমৰ কলাতো পাৰ্গত আছিল। এনে বহুত আহোম কুঁৱৰীৰ নাম ইতিহাসত লিপিবদ্ধ, যি পুৰুষৰ সমানে সমানে যুদ্ধত অংশ লৈছিল। উদাহৰণস্বৰূপে আমি ক'ব পাৰো মূলাগাভৰুৰ কথা। স্বৰ্গদেউ চুহুংমুং দিহিঙীয়া কোঁৱৰৰ দিনত বিদেশী আক্ৰমণকাৰী তুৰ্বকে আহোম ৰাজ্য আক্ৰমণ কৰিছিল। সেই যুদ্ধত দুৰ্ভাগ্যজনকভাৱে সেনাপতি ফ্ৰাচেনমুং বৰগোহাঁইৰ মৃত্যু হয়। তেতিয়া ফ্ৰাচেনমুং বৰগোহাঁইৰ পত্নী মূলাগাভৰুৱে ছেদেলি-ভেদেলি আহোম সৈন্যক সংগঠিত কৰি বীৰত্বেৰে আক্ৰমণকাৰীসকলৰ লগত যুদ্ধ কৰে আৰু ৰণত পৰে। কিন্তু নিজৰ প্ৰাণ বিসৰ্জন দি হ'লেও মূলাগাভৰুৱে অতি স্পৰ্শকাতৰ সময়ত নিজ দেশক ৰক্ষা কৰিবলৈ সক্ষম হয়। তেনে আন এগৰাকী সাহসী আহোম মহিলা হ'ল নাংব্লক গাভৰু। তেওঁ আহোমৰ ৰাজকীয় বিষয়া অংখাম বৰগোহাঁইৰ পত্নী আছিল। তেওঁ আহোম আৰু কোঁচসকলৰ মাজত হোৱা যুদ্ধৰ সময়ত সক্ৰিয় ভূমিকা পালন কৰিছিল।

দেশপ্ৰেমৰ অভূতপূৰ্ব নিদৰ্শনেৰে নিজক উচৰ্গা কৰা আনকেইগৰাকীমান আহোম কুঁৱৰী হৈছে — ৰমণী গাভৰু, মোহিনী আইদেউ আৰু জয়মতী কুঁৱৰী। ৰমণী গাভৰু আছিল আহোম ৰজা জয়ধ্বজ সিংহৰ জীয়াৰী আৰু মোহিনী আইদেউ আছিল টিপাম ৰজাৰ কন্যা। মোগল সম্ৰাট ঔৰংগজেৱে মিৰজুমলাৰ নেতৃত্বত জয়ধ্বজ সিংহৰ শাসনকালত আহোম ৰাজ্য আক্ৰমণ কৰিছিল। এই যুদ্ধত জয়ধ্বজ সিংহ পৰাজিত হৈ যুদ্ধৰ ক্ষতিপূৰণ হিচাপে ৰমণী গাভৰু আৰু মোহিনী আইদেউক মোগল হেৰেমলৈ পঠিয়াই সন্ধিৰ আশ্ৰয় লয়। মোগল হেৰেমত এই দুই অসমীয়া জীয়ৰীয়ে ৰহমত বানু আৰু মাফিজা বানু নাম লয়। এই ঘটনাৰ তেৰ বছৰৰ পাছত শৰাইঘাটৰ যুদ্ধত লালুকসোলা বৰফুকনে





মোগলক বিনাযুদ্ধে গুৱাহাটী এৰি দিবলৈ ওলোৱা বাতৰি শুনি ৰহমত বানু ওৰফে ৰমণী গাভৰুৱে মোমায়েক লালুকসোলা বৰফুকনলৈ গুৱাহাটী এৰি নিদিবলৈ অনুৰোধ জনাই পত্ৰ প্ৰেৰণ কৰিছিল। এই ঘটনাই ৰমণী গাভৰুৰ স্বদেশৰ প্ৰতি থকা প্ৰেম আৰু সাহসৰ পৰিচয় দিয়ে। সেইদৰে গদাপানিৰ পত্নী জয়মতী কুঁৱৰীৰ দেশ আৰু স্বামীৰ হকে কৰা আত্মত্যাগৰ কথা আমি সকলোৱে জানোঁ।

আহোম যুগৰ এইসকল মহীয়সী ৰমণীৰ স্বাভিমান, দেশপ্ৰেম তথা আত্মত্যাগৰ গাথাই নাৰী সত্ত্বাৰ উদ্ভাসিত শক্তি সামৰ্থ্যৰ কথাকে কেৱল মাথোঁ প্ৰতীয়মান নকৰে বৰঞ্চ পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত এটি উজ্জ্বল পোহৰ হৈ সমসাময়িক সমাজ জীৱনক আলোকিত কৰি, সমাজক আগুৱাই নিয়াৰ এক বলিষ্ঠ বৈপ্লৱিক সত্তাত পৰিণত কৰে। বিস্মৃতিৰ গৰাহত ধূসৰ হ'বলৈ ধৰা এই বলিষ্ঠ নাৰীসত্তাৰ নেতৃত্বই ইতিহাসৰ বুকুৰ পৰা আজিও আমাক বাৰেপতি ৰিঙিয়ায়।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

Borpujari HK. — The Comprehensive History of Assam, Publication Board of Assam, Guwahati, 2004

Baruah SL. — A Comprehensive History of Assam, Munshiram Monohorlal Publishers Pvt. Ltd/ Delhi, 1997

Gait EA. — A History of Assam, Delhi, 2002

■■

***"Feminism isn't about making women strong. Women are already trong. It's about changing the way the world perceives that strength."***

***— G.D. Anderson***

***"I do not wish women to have power over men, but over themselves."***

***— Mary Shelly***

# লোক বিশ্বাস নে অন্ধবিশ্বাস

পল্লবী দত্ত
অসমীয়া বিভাগ

নিঃসন্দেহে লোকবিশ্বাসসমূহে একোটা জাতিৰ সামাজিক জীৱনশৈলীক প্ৰতিফলিত কৰে। আদিম অৱস্থাৰ পৰা বিৱৰ্তনৰ গতিপথত আৰ্জিত অভিজ্ঞতাৰ ভিত্তিত গঢ় লোৱা বহু লোকবিশ্বাসৰ আঁৰত বিভিন্ন বৈজ্ঞানিক কাৰণ নিহিত হৈ থকাটো অস্বাভাৱিক নহয়। কিন্তু অজ্ঞতাৰ নামত উদ্ভূত বহু লোক বিশ্বাসৰ বিশেষ কোনো বৈজ্ঞানিক কাৰক নাথাকে। পৰম্পৰাগতভাৱে পায় নাপায়, মঙ্গল অমঙ্গল আদিৰ ভিত্তিতহে গঢ়ি উঠে। এই লোকবিশ্বাসবোৰ জীৱ-জন্তু, মানুহৰ জন্ম-মৃত্যু-বিবাহ সম্পৰ্কীয়, ধৰ্মীয় আদি বিভিন্ন দিশত দেখিবলৈ পোৱা যায়। পৰম্পৰাগতভাৱে প্ৰচলন হৈ অহা লোকবিশ্বাসবোৰ সময়ৰ পৰিৱৰ্তনৰ লগে লগে কোনো এখন সমাজৰ বাবে প্ৰয়োজনীয় নহ'বও পাৰে। কেৱল পৰম্পৰাৰ সুবিধা লৈ বহুতো লোকে বৰ্তমান সময়ত অৰাজকতাৰ সৃষ্টি কৰাহে দেখিবলৈ পোৱা গৈছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহে কিছুমান পৰম্পৰাৰ বিজ্ঞানসন্মত ভিত্তি বা যুক্তিযুক্ততা বিচাৰ কৰি পৰিহাৰ কৰিব লাগে। যিবোৰে কাৰো উপকাৰ নকৰে বৰঞ্চ ক্ষতিহে কৰে। এনেধৰণৰ বহুতো উদাহৰণ আমি দেখিবলৈ পাওঁ। সপোন সম্পৰ্কীয় লোকবিশ্বাস আমাৰ সমাজত এতিয়াও প্ৰচলিত। মানুহ এতিয়াও এনে ধৰণৰ বিশ্বাসৰ পৰা ওলাই আহিব পৰা নাই। কোনো লোকে সপোনত কোনো ৰোগৰ ঔষধ দেখিলে, কোনো দেৱ-দেৱী দেখিলে বুলি যিবোৰ কাৰ্যকলাপ কৰে, সি আমাৰ সকলোৰে জ্ঞাত, কিন্তু সেইবোৰৰ প্ৰতি আমাৰ মানুহৰ বিশ্বাস এতিয়াও হ্ৰাস পোৱা নাই। মানুহে বুজা উচিত যে সপোনৰ কোনো বাস্তৱিক ভিত্তি নাই।

সেইদৰে তিৰোতা মানুহৰ মাহেকীয়া হোৱাৰ অন্তৰালতো কেতবোৰ বিশ্বাস আছে, যিবোৰ বিশ্বাসৰ বাবে এগৰাকী মহিলা বিভিন্ন ধৰণে নিৰ্যাতিতা হৈ আহিছে, দৰাচলতে তিৰোতা মানুহৰ মাহেকীয়া কোনো ৰোগ নহয়। ইয়াৰ লগত কোনো বীজাণু নাথাকে। ই এক স্বাভাৱিক প্ৰক্ৰিয়া। এই কাৰণবোৰ নজনাৰ বাবে এতিয়াও তেনে তিৰোতাক লৈ সমাজত অস্বাভাৱিক আচৰণ কৰা দেখিবলৈ পোৱা যায়।

জীৱ-জন্তু সম্পৰ্কীয় বিশ্বাসৰ ক্ষেত্ৰত কোনো লোকৰ হাতত গৰুৰ মৃত্যু হ'ব নাপায়, তেনে হ'লে পাপ লাগে বুলি লোকবিশ্বাস প্ৰচলিত আছে। এনে





বিশ্বাসৰ বশৱৰ্তী হৈ সমাজত বহু সময়ত সমাজৰ দ্বাৰা বহু লোকে নৰক যন্ত্ৰণা লাভ কৰা দেখা যায়। যিজন লোকৰ অসাৱধানতাৰ বাবে গৰুৰ মৃত্যু হয়, সেইজনে সাতৰ পৰা পোন্ধৰ দিন ধৰি ডিঙিত পঘা লৈ মানুহৰ ঘৰে ঘৰে যাব লাগে আৰু শেষত ব্ৰাহ্মণ মাতি আনি উদ্ধাৰ হ'ব লাগে। এনেধৰণৰ বিশ্বাসৰ নামত বহুতো শোষণ চলা দেখিবলৈ পোৱা যায়। গৰু হিন্দু ধৰ্মৰ পৱিত্ৰ জন্তু। মানুহে গো মাতা বুলি পূজা কৰে। কিন্তু একোটা গৰুৰ অস্বাভাৱিক মৃত্যু হ'লে গৃহস্থই ইমানখিনি যন্ত্ৰণা সহ্য কৰাটো কিমান যুক্তিসংগত!

ইয়াৰ উপৰিও আমি সাধাৰণতে কোনো এটা কাম কৰিবলৈ যোৱাৰ আগতে বিভিন্ন লোকবিশ্বাসৰ সন্মুখীন হওঁ। প্ৰায়ে শুনিবলৈ পাওঁ যে শনিবাৰে, মঙ্গলবাৰে চুলি কাটিব নাপায়, বৃহস্পতি, সোমবাৰে ঘৰ ল'ব পাৰিলে ভাল ইত্যাদি বিভিন্ন বিশ্বাস সমাজত প্ৰচলন আছে। চাব গ'লে এই দিন, বাৰ, বছৰ এইবোৰ মানুহে সময় জুখিবৰ বাবে তৈয়াৰ কৰি লোৱা কিছুমান একক। গতিকে বাৰ অনুসৰি নিষেধাজ্ঞা আৰোপ কৰাটো অযুক্তিকৰ।

কোনো লোকে বিপদত পৰি ৰাতি টকা বিচাৰি আহিলেও বহু সমাজৰ লোকে ককৰ্থনা কৰি পঠাই দিয়ে। এইবোৰ লোকবিশ্বাস পৰম্পৰাগতভাৱে চলি আহিছে, ইয়াৰ অন্তৰালতনো কি বৈজ্ঞানিক কাৰণ জড়িত হৈ আছে তাক নুবুজি কেৱল ধৰ্মীয় প্ৰলেপ সানে। ৰাতি বস্তু দিব নাপায়, অমঙ্গল হয়। অমঙ্গল এই কাৰণে হ'ব পাৰে যে ৰাতিৰ অন্ধকাৰত কিবা বস্তু দিলে মূল্যবান সম্পদ হেৰাই যাব পাৰে। গতিকে এনে বিশ্বাসৰ ভিত্তি বিচাৰ কৰিবলগীয়া।

আনহাতে যাত্ৰাপথত মেকুৰীয়ে আগভেটি ধৰিলে বা মেকুৰী আগেৰে পাৰ হ'লে অমঙ্গল হয়। সেয়ে বহু লোকে তেনে মেকুৰীক মাৰি পেলোৱাও পৰিলক্ষিত হয়। সাধাৰণতে সকলো জীৱই পাৰ হৈ যাব পাৰে, কিন্তু মেকুৰী পাৰ হ'লেহে অমঙ্গল ই বিবেচনীয়।

উল্লিখিত বিশ্বাসবোৰৰ বাহিৰেও বহু লোকবিশ্বাস আছে যিবোৰৰ কোনো বিজ্ঞানসন্মত কাৰণ নাই। শেষত এটা কথা ক'ব পাৰি যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে লোকবিশ্বাসবোৰৰো পৰিৱৰ্তন কৰিব লাগে বা ইয়াৰ যুক্তিযুক্ততা বিচাৰ কৰিব লাগে। দীনেশ চন্দ্ৰ গোস্বামীদেৱে কোৱাৰ দৰে — যেনেদৰে বিজ্ঞানৰ নতুন তথ্যই পুৰণি তথ্যৰ ভুল প্ৰমাণ কৰে, পুৰণি তথ্য বা সূত্ৰৰ কোনো স্থিতি নোহোৱা হৈ পৰে বা কোনোৱে গ্ৰহণ নকৰে তদ্ৰূপ এই লোকবিশ্বাসবোৰৰো সত্যতা প্ৰমাণ কৰি যিবোৰ লোকবিশ্বাস সমাজৰ বাবে ক্ষতিকাৰক সেইবোৰক বৰ্জন কৰিব লাগে। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে সাধাৰণতে এখন সমাজত বাস কৰিবলৈ বিভিন্ন লোকাচাৰ পালন কৰিবই লাগিব। লোকাচাৰবোৰেই মানুহক সামাজিক কৰে। কিন্তু এই লোকাচাৰবোৰৰো যুক্তিযুক্ততা বিচাৰ কৰি সামাজিক কল্যাণৰ দিশলৈ চাই তাক পালন কৰিলেহে এখন সুস্থ সমাজ গঠন হ'ব। এনে কিছুমান লোকো আছে যি নিজৰ ঘৰটো আন জাতিৰ লোকৰ হাতেৰে নিৰ্মাণ কৰোৱাইছে, কিন্তু ঘৰটো স্বইচ্ছাৰে চাবলৈ ঘৰটোত সোমাইছে, তেতিয়া তেওঁক ঘৰৰ বাহিৰৰ চোতালত স্থান দিয়া মানুহৰ উদাহৰণ এইখন অসমতেই আছে। এইবোৰ লোকবিশ্বাস নে অন্ধবিশ্বাস, বিবেচনীয়।

■■

# EMPOWERED WOMEN EMPOWER WOMEN

**Plabita Changkakoty**
Lecturer, Dept. of Economics
Tinsukia College

*"It may be the cock that crows , but it is the hen that lays eggs."*

**– Margaret Thatcher.**

"Bharat Mata ki Jai" Why are we asked to chant this slogan in a country where crimes against women is rampant and gender equality is still a dream on the ground . Women of the last generation have taken pitch battles for their right to study, work, right to marry of their choice and also to take decisions on behalf of their children whom they brought into this world. In a country with strong traditional influences embarked on us from a young age we often fail to question the concept or the rigid structure imposed on us from a very young age. Women come with the blueprint of being caretakers whereas men as decision makers. Women are taught that education is the stepping stone towards finding a good husband. But, the reality is education is the first step for empowerment.

"Menstruation", where discrimination against women is widespread in India, where periods have long been a taboo and is considered impure. 71% of adolescent girls in India are unaware of menstruation until they get it themselves. It is important to normalize menstruation and destroy the taboos around the natural process so that the secrecy surrounding it goes.

Coming to the enrollment into schools and colleges, more girls and women are enrolled and also girls are more successful than boys in clearing exams. But, the alarming situation is more girls are studying but nearly 84% of them drop out before graduating. More women are going to colleges but few are working today. Women's contribution can increase GDP by 3 times. But, how will we contribute to growth when we can't achieve or create equal opportunities. 2.7 billion women are legally restricted from having the same jobs as men. Globally, countries are losing over 160 trillion dollars in wealth because of the difference in earning between men and women.

In India with women empowerment schemes like Beti Bachao Beti Padhao, UJJAWALA, SWADHAR Greh, Pradhan Mantri Matritva Vandana Yojana, Digital Laado etc, there are shocking facts and figures about the vulnerability of women in India. National Crime Record Bureau (NCRB) reveals how a woman is raped every 16 minutes in India, a dowry death occurs every hour, How a woman is subjected to cruelty at the hands of her in-laws or husband every 4 minutes. A woman becomes a victim of acid attack almost every 2 days.

"Needing permission! " Why a married woman needs to take permission from her husband and her in-laws to visit her parents home. Does marriage give the rights of individuality and independence to each and every girl? The moment a girl gets married her identity is attached to her husband and her in-laws. I do not understand the norm that, a girl who has been brought up by her parents, who has given all their time, money and love, and that girl needs to leave all that behind and set up a new home with someone else's parents.

Dear women, let us retain our surnames after our marriage. Let us not detach ourself from our own identity. Let us not get tangled in the drama of relationships. Being a good mother, wife, sister, daughter, friend is extremely important, but in this journey of sacrifices do not lose "YOURSELF".

HAPPY WOMEN'S DAY

# From Science to Society : Women Entrepreneurs for a Better Society

Compiled by -
**Dr. Kaushal Sood**
Assistant Professor, Department of Zoology
Tinsukia College

The world is filled with inspiring stories of men and women. But there are a few of them that really motivate us to challenge the challenges. Here are a few of such stories of Indian women who have broken all societal stereotypes to make us believe that anything is possible for a willing mind.

**Nina Marie Tandon**



A graduate in electrical engineering, *Nina Tandon* is a biomedical engineer and a leading face of biomedical revolution. She is the CEO and Co-Founder of EpiBone, the world's first company growing living human bone for skeletal reconstruction. She has a Master's in Bioelectrical Engineering from MIT, a PhD in Biomedical Engineering, and an MBA from Columbia University and is currently engaged as an Adjunct Professor of Electrical Engineering at the Cooper Union. Her innovative PhD research focused on studying electrical signalling in the context of tissue engineering, and she has worked with cardiac, skin, bone, and neural tissue. Nina spent her early career in telecom at Avaya Labs and transitioned into biomedical engineering *via* her Fulbright Scholarship in Italy, where she worked on an electronic nose to "smell" lung cancer. After completing her PhD, she consulted at McKinsey and Company, but since 2010 she has continued her work in tissue engineering. She has published more than 10 journal articles and six book chapters, and has three patents till date. She's been published in Nature Protocols and Lab on a Chip, has spoken three times at TED, and was named one of the 100 Most Creative People in Business by Fast Company.





**Meena Ganesh**



Meena Ganesh holds a Bachelor's degree in Science along with honours in Physics. She is the CEO of a *Portea Medical* and is a popular name in the list of successful women entrepreneurs in India. She has worked for NIIT as the Regional Manager and CEO for Tesco, before realizing her interest in entrepreneurship. After quitting her job, Meena started 'Portea Medical', a startup that specialises in providing geriatric, post-operative, and many other health services in-house to patients who cannot go to a hospital.

**Romita Ghosh**



Founder-CEO of two MedTech companies- Admirus and iHeal HealthTech, Romita's life story can inspire all of us. She was diagnosed with stage 2 cancer at an early age. She fought her way and graduated in biotechnology with double majors in biotech and biochemistry. She developed inclination for entrepreneurship while studying in IIM Udaipur. In 2009, she started her first entrepreneurial journey- D'Lights, a LED manufacturing company at Bengaluru. *MedSamaan*, an online marketplace is her

fourth startup that enables healthcare providers to procure medical devices and consumables in a seamless and cost effective manner.

**Anuradha Acharya**



Anuradha Acharya is a notable name in the list of innovative entrepreneurs in medical sector. She is the founder and CEO of two successful ventures *Ocimum Bio Solutions* and *MapMyGenome* that focuses on preventive healthcare options. In 1995, she graduated from IIT Kharagpur and later acquired MS in Physics and MIS from University of Illinois in Chicago. Anuradha has had a successful career as a scientist and is the board member of IvyCap, one of the most popular investment firms in India. She is a member of governing body of Council of Scientific & Industrial Research, National Institute of Biomedical Genomics and Association of Biotech Enterprises.

**Rita Tage**



An agricultural engineer, Rita Tage turned Ziro's locally abundant Kiwi fruit into one of the finest wines in India. Rita Tage is the Chairperson and Managing Director of Lambu-Subu Food, and her company produced the country's first organic kiwi wine branded *Naara Aaba* that was launched in October 2017. Rita's winery has a plant capacity of 40,000 litres per batch and currently employs over 25 people formally and many other local farmers are engaged indirectly.

**M. Shubhra Devi**

M. Shubhra Devi's startup- *Meira Foods* is a household name in Manipur.







The packaged food company had a humble starting in 2004 with an investment of only a few hundred rupees. However, Meira Foods' products are now available in local shops across Manipur. The products consist mainly of pickles, candies and salted dry fruit items, that are all prepared from indigenous fruits and vegetables of Manipur.

Shubhra completed her Masters' Degree in Food and Nutrition from Banasthali Bidyapith, Rajasthan and after spending almost a decade in the development sector, she took to entrepreneurship in the packaged food industry.

**Jesmina Zeliang**



"Age is just a number" and Jesmina Zeliang has proved that aptly. In her early 50's now, Jesmina started with a team of only 3 women weavers in Nagaland. Today, she is an Executive Member of the Handicrafts and Carpet Sector Skill Council from the North East Region. She is the founder of *Cane Concepts* (established in 1993) – a cane and bamboo products manufacturing and exporting unit. She has opened a high end store *Konyak*, a specialty outlet selling products from Nagaland, located in Guwahati and Dibrugarh (Assam).

Her firm *Heirloom Naga* was started in the early 90s, which created innovation in the existing Naga textiles. Started with female loom weavers, today the firm has over 30 clusters of weavers spread across multiple villages in Nagaland state. Jesmina is also the official marketing agent for Fabindia in Northeast India. Besides handloom and handicrafts, Jesmina is the Founding Partner of *Razhu Pru*, a heritage hotel located in Kohima.

Lives like these and many others, inspire us to pursue our dreams despite the hurdles that may block our paths. As in Walt Disney's words-

"All our dreams can come true, if we have the courage to pursue them."

**Sources:**


1. https://www.entrepreneur.com
2. https://www.womensweb.in


***"Women are the largest untapped reservoir of talent in the world."***

**— Hilary Clinton**

*** ***

***"Above all, be the heroine of your life.Not the victim."***

**— Nora Ephron**

*** ***

***"Women are the real architects of society."***

**— Cher**





# মই একো নহওঁ! তুমি কোন বাৰু?

*(এমেৰিকান মহিলা কবি Emily Dickinsonৰ কবিতা 'I'm Nobody! Who are you?' ৰ এটি মুকলি অনুবাদ)*


**ৰূপম কুমাৰ বড়ো**
প্ৰবক্তা, ইংৰাজী বিভাগ


মই একো নহওঁ! তুমি কোন বাৰু?
তুমিও একো নোহোৱা নেকি?
তেনেহ'লে আমাৰ মাজত এটি সম্বন্ধ আছে।
একো নক'বা! তুমিতো জানাই — সিহঁতে নহ'লে
আমাক বাহিৰ কৰি দিব।

কি অস্বস্তিকৰ — কিবা এটা হোৱাতো।
ৰাজহুৱাকৈ — পানী ভেকুলীৰ দৰে — নিজৰ
নামটো টোৰ্‌টোৰোৱাতো — জুন মাহৰ দীঘলীয়া
সময়বোৰত
পিটনিত পোত যোৱা অনুৰাগীগণৰ আগত।

# তুমি আছা বাবেই

মূল বাংলা আৰু অনুবাদ -
শেলী দত্ত
সহকাৰী অধ্যাপক, বাংলা বিভাগ

জীৱনলৈ আহিছিলা তুমি বৰষুণৰ দৰে
প্ৰখৰ ৰ'দত চিৰালফটা মাটিৰ তৃষ্ণা আঁতৰাবলৈ
বৰষুণৰ ধাৰাত বঢ়ালা আকৌ নকৈ ধ্বনি,
তোমাৰ পৰশে মচি পেলালে অতীতৰ সকলো গ্লানি।
শুকান মাটিৰ আৰ্তনাদ অট্টহাস্যত উটি ভাঁহি ফুৰিছিল যিয়ে
আজি দেখোন পৰ্দাৰ আঁৰত মুখ লুকুৱাইছে সিহঁতেই।
ভাবিছিলো ৰঙৰ স্ৰোতত ডুবি যাম অতল তলীত...
কোনেনো জানিছিল কোৱা ! পুনৰ্জনমো যে আছে এই জনমতে।

কৈছিল সিঁহতে মোৰ নগ্নতাৰ কথা —
অভিযোগ আনিছিল — ধৰ্ষণৰ বিৰুদ্ধে নহয়, চুবুৰীয়াৰ সন্মানৰ দাবীত।
সেইদিনাই বুজিছিলো নগ্ন পোছাক নহয়,
নগ্ন সমাজৰ দৃষ্টি।

আজিহে বুজি পালোঁ বিধাতাৰ ছাঁ-পোহৰৰ লুকাভাকু খেলা,
সকলোখিনি মানি লৈয়েই চলি আছে এই জীৱন ডিঙা।
নিঃশেষ হ'ল সকলো কোলাহল, ভাগি চুৰমাৰ হ'ল সেই ৰংমহল।

তুমিয়েইতো জগাইছিলা মুৰ তুলি জীয়াই থকাৰ তাগিদা এই জীৱনত,
সেয়েহে, আজি মই অফিচাৰৰ স্ত্ৰী নহওঁ
মেজিষ্ট্ৰেট হৈ বাচি ৰওঁ ধৰ্ষকৰ মনত।।





# Cell for Women's Studies and Development: State of the art of activities

*What's the greatest lesson a woman should learn? That since day one, she's already had everything she needs within herself. It's the world that convinced her she did not.* – **Rupi Kaur**

**7th March, 2020 :** On the occasion of International Women's Day a popular talk was organised wherein Ms. Anjana Goswami, Former Vice Principal and Head of the Department of History was invited as the speaker who delivered an enlighting speech on "A few great women of the Ahom era". The annual magazine of "EEKSHA" was also inaugurated on this day.

**5th June, 2020 :** World Environment Day was observed in collaboration with IQAC. On this occasion a talk was delivered by Mr. Nirdesh Gogoi on pollution.

**21st June, 2020 :** On the occasion of International Yoga day on 21st June, 2020 CSWD in collaboration with IQAC, Tinsukia College observed the day on 22 June. Yoga trainer Mr. Jugendra Ingle from Vivekananda Kendra, Tinsukia was invited as a resource person. Faculty members with students participated virtually. This webinar also tries to bring awareness and educate people about the physical, mental and spiritual benefit about practicing yoga.

**16th August, 2020 :** An International webinar was organised on "New Education Policy 2020 : A Gender Perspectives " in collaboration with Centre for Ethnic Studies and Research (CESR), Guwahati. The key note address was delivered by Dr Monorama Sharma, Former Head and Retired Professor , Deptartment of History, North Eastern Hill University, Shillong. The invited speakers were, Dr Jyoti Tyagi, Associate Editor, Journal of Diaspora Studies ,

Germany. Dr Dayananda Pathak ,Professor, MS Shankardev University, Assam, Professor Jayadeba Sahu, Co-ordinator - teacher education, Rajib Gandhi University, Arunachal Pradesh.

**23rd August, 2020 :** CWSD also organised a national level webinar on the topic "Jatir Uttoronot Oxomiya Narir Bhumika" in collaboration with Assam College Librarians' Association (ACLA). Invited speaker was renowned writer and activist Mayur Bora.

**1st September, 2020 :** On the auspicious occasion of the 64th Foundation Day of Tinsukia College, a national Webinar on "Gendered Spaces: Writing Land and Women" was organised by CWSD, Tinsukia College in collaboration with ACLA. The inaugural speech was delivered by Mr. Rajen Saikia, Joint Co-ordinator, IQAC, Tinsukia College. Resource Person Dr. Rakhee Kalita Moral, Head, Centre for Women's Studies (CWS), Cotton University spoke elaborately on the topic focussing specially on the North-east of India. Anchored by Dr. Deepika Bhattacharjee, Webinar Co-ordinator the programme had almost 220 participants. Vote of thanks was offered by Assistant Co-ordinator Dr. Indira Baruah.

**3rd September, 2020 :** A Webinar on "Practicing Gratitude in Hard Times" was organised by CWSD, Tinsukia College in collaboration with ACLA. Dr Surjya Chutia, Principal Tinsukia College inaugurated the Webinar with a brief speech. Resource person for the webinar Dr. Pranjal Buragohain, Assistant Professor, Dept. of Education, Dibrugarh University offered a thought provoking deliberation emphasising on the significance of gratitude in our lives. Webinar co-ordinator Monika Das conducted the event while Assistant Co-ordinator Rasmita Borkotoky offered vote of thanks.

**5th September, 2020 :** An International E-Panel Discussion on "EIA 2020 – Environmental Impact on the North East of India" was organised by CWSD, Tinsukia College in collaboration with CESR, Guwahati. The welcome speech was delivered by Dr. Surjya Chutia, Principal, Tinsukia College. Inaugurator cum Key Note Speaker Dr. R.P. Pradhan, Associate Professor, Department of Humanities and Social Sciences, BITS Pilani, Goa Campus, India highlighted on





the impact of modernisation on environment in general and on specific geographic locations in particular. The first panelist Dr. Abhinandan Saikia, Assistant Professor, TISS, Guwahati spoke on relationship between environment and people, especially in context of Assam and the North-east. In her deliberation Dr. Anwesha Borthakur, Marie Curie Postdoctoral Fellow, Katholieke Universiteit, Lueven, Belgium made a comparative analysis on the concerned efforts of various countries she had visited in restoring environmental sanctity. Dr. Ranjan Das, moderator offered a brief observation on the discussion and handled the interaction session. The whole event was conducted by Mayuri Sharma Baruah, Co-ordinator while vote of thanks was offered by Joint Co-ordinator Kashmiri Dohutia.

**8th September, 2020 :** On the occasion of Dr. Bhupen Hazarika's Birth Anniversary, CWSD Tinsukia College in collaboration with IQAC organised a Webinar titled "Xudhakontho Dr. Bhupen Hazarikar Geetot Janajeewanor Chitra". In his speech Dr. Satyakam Borthakur, Professor, Dept. of Assamese, Dibrugarh University elaborated on specific songs of Dr. Hazarika and their relevance in life as a whole. Another Resource Person Shri Kripal Kotoky, Principal, Subarna Kala Mandir enlivened the event through performance of several songs in between his deliberation. He was assisted by his daughters Kashmiri Kotoky and Bageshree Kotoky in this musical recital. The entire even was conducted by Webinar Co-ordinator Rasmita Borkotoky while Assistant Co-ordinator Dr. Ruby Baruah offered vote of thanks.

**21st November, 2020 :** A national webinar on "Neurological substrate of Learning and Memory" was organised. The invited resource person was Jayanti Kalita, Professor, Department of neurology, Sanjay Gandhi Post Graduate Institute Of Medical Science, Lucknow.

**29th November, 2020 :** CWSD Tinsukia College observed the death anniversary of noted literateur Dr Mamoni Raisom Goswami. To pay homage to this great lady, a lamp was lighted in front of her photograph by the Principal of Tinsukia College, Dr Surjya Chutia. A talk was delivered reflecting the life of Dr Mamoni Raisom Goswami by Mr. Tankeshwar Das, Assistant professor ,

Department of Assamese, Tinsukia College. Ms Rasmita Borkotoky, Assistant Professor, Department of Economics, Tinsukia College recited a poem on this occasion.

**23rd December, 2020 :** The members of the cell distributed various school items such as, pencils,scales, erasers, etc among the children of Anganbadi Kendra, Kachujan. A light refreshment was distributed among the children.

**22nd January, 2021 :** CWSD observed National Voters' day by organising a popular talk in the college campus. Dr Kamalesh Kalita, Associate Professor, Department of Geography, Tinsukia College, was invited to deliver a talk to creat awareness among new generation as well as future voters.

**2nd March, 2021 :** National Science Day was observed instead of 28th February, in collaboration with Eco Club , Environment and Climate Cell and Tinsukia College Science Society. Dr Satyajyoti Gogoi, Assistant Professor, Department of of Physics, Tinsukia College Dr. Daimalu Baro, Assistant Professor, Department of Botany ,Tinsukia College, Dr. Kaushal Sood, Assistant Professor. Department of Zoology, Tinsukia College delivered speeches on different aspects of science and graced the occasion.

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM



## ২০২০ চনত অনুষ্ঠিত বিভিন্ন ৱেবিনাৰ আৰু সমল ব্যক্তিৰ আলোক চিত্ৰ




NATIONAL SCIENCE DAY